● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

সামাজিক দায়বদ্ধতাত অবিচল

# দৈনিক অগ্ৰদূত

## দিগ্‌দৰ্শন

সদ্ব্যৱহাৰ কৰিলে গ্ৰন্থই হৈছে এই পৃথিৱীৰ সৰ্বোৎকৃষ্ট সামগ্ৰী। অৱশ্যে ইয়াৰ অসৎ প্ৰয়োগ হ'ব পাৰে ভয়াবহ ক্ষতিকাৰক।

ৰালফ্ ৱালড' এমাৰছন
*মাৰ্কিন দাৰ্শনিক*



www.dainikagradoot.in


৭ ৰাষ্ট্ৰসংঘত উত্তৰ কোৰিয়াক সমৰ্থন চীন-ৰাছিয়াৰ
১৫ পুনৰ ভাৰতৰ প্ৰথম প্ৰতিদ্বন্দ্বী পাকিস্তান
৪ আন্দোলনজীৱী জাতীয়তাবাদীৰ আত্মপ্ৰতাৰণা

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ১০৫তম সংখ্যা ● গুৱাহাটী ● শনিবাৰ ৮ মাঘ ১৪২৮ ভাস্কৰাব্দ ২২ জানুৱাৰী ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Saturday 22 January 2022 মূল্য ঃ ৯.০০ টকা

■ কৰ'নাৰ সংক্ৰমণ-শীতৰ প্ৰকোপৰ মাজতে গাঁৱে-চহৰে হেজাৰ হেজাৰ লোক আক্ৰান্ত ■ বিশেষ ভয় কৰিবলগীয়া একো নাই ঃ ডাঃ বৈশ্য ■ শংকিত লোকৰ ক'ভিড পৰীক্ষা কেন্দ্ৰত ভিৰ

# ৰাজ্যত উদ্বেগজনক হাৰত কাহ-চৰ্দি

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জানুৱাৰী ঃ** এফালে কৰ'না অতিমাৰী আৰু শেহতীয়াকৈ অ'মিক্ৰনৰ উপদ্ৰৱ। তাতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি অতিমাত্ৰা ঠাণ্ডা, চিপচিপীয়া বৰষুণ আৰু ৰাজ্যৰ কোনো কোনো ঠাইত শিলাবৃষ্টি। গতিকে কি নগৰ কি গাঁও, সকলোতে স্বাভাৱিকতে বৃদ্ধি পাইছে ইনফ্লুৱেঞ্জা। কোনোবাই যদি হাঁচিয়াইছে, আন কাৰোবাৰ চৰ্দি, অথবা পানীলগা জ্বৰ। বহুতে ভয়ো খাইছে। ফলত কোনোবাই যদি



হাস্পতালত গৈ পৰীক্ষা কৰিছে আন কোনোবাই ঘৰতে বহি লুকুৱাবলৈ চেষ্টা কৰিছে। তাৰ মাজতো সকলোৰে মনত এতিয়া এটাই প্ৰশ্ন—কাহ, চৰ্দি, হাঁচিয়া আৰু পানীলগা জ্বৰ মানেই কৰ'না অথবা অ'মিক্ৰন নেকি?

শেহতীয়া বতৰৰ পৰিৱৰ্তন আৰু কৰ'নাৰ ধাৰাবাহিক সংক্ৰমণ সন্দৰ্ভত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ অচ্যুৎ বৈশ্যই কয়, 'ঠাণ্ডা পৰিছে, বৰষুণো দিছে। গতিকে কাহ, চৰ্দি হোৱাটো স্বাভাৱিক কথা; ১০ পৃষ্ঠাত চাওক

## ক'ভিড সংক্ৰমণৰ স্পৰ্শকাতৰ জিলাৰ সংখ্যা ১৮ খনলৈ বৃদ্ধি
# পুনৰ ৰাজ্যত এদিনত আক্ৰান্ত ৬,৮৯৭, মৃত্যু ১৫ জনৰ

**গণৰাজ্য দিৱসৰ কাৰ্যসূচী সীমিত কৰাৰ নিৰ্দেশনা**

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জানুৱাৰী ঃ** বিগত কে'বাদিনৰ তুলনাত অসমত আজি ক'ভিডত আক্ৰান্তৰ হাৰ তুলনামূলকভাৱে হ্ৰাস পালেও স্পৰ্শকাতৰ জিলাৰ সংখ্যা ১৮খনলৈ বৃদ্ধি হয়। আক্ৰান্তৰ সংখ্যা বৃদ্ধিৰ হাৰৰ ভিত্তিত স্বাস্থ্য বিভাগে আজি ১০ পৃষ্ঠাত চাওক

## স্বায়ত্তশাসন প্ৰদানৰ দাবী জনালে অসম চৰকাৰক
# ৩৫খন গাঁও মেঘালয়ত চামিলৰ বিৰোধ গাৰো জাতীয় পৰিষদৰ

**অগ্ৰদূত বাৰ্তা**
**বকো, ২১ জানুৱাৰী ঃ** 'আমাক গাৰো স্বায়ত্তশাসিত পৰিষদ প্ৰদান কৰক', 'আমি মেঘালয়ত চামিল নহওঁ', 'আমাৰ দাবী ন্যায্য দাবী', 'গাৰো জাতিক বিভক্ত নকৰিব' আদি শ্ল'গানেৰে আজি প্ৰতিবাদ সাব্যস্ত কৰে ১০ পৃষ্ঠাত চাওক

# বকোত পথ দুৰ্ঘটনাত এজন নিহত, আহত হ'ল চাৰিজন

**অগ্ৰদূত বাৰ্তা**
**বকো, ২১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত শাখাতিত ১৭ নম্বৰ ঘাইপথত আজি পুৱতি নিশা সংঘটিত এক দুৰ্ঘটনাত অনুপম বণিক্য (২৮) নামৰ এজন যুৱকৰ মৃত্যু হোৱাৰ ১০ পৃষ্ঠাত চাওক



*কনিষ্টবল নিযুক্তিত অনিয়মৰ অভিযোগ তুলি আৰক্ষীৰ মুখ্য কাৰ্যালয়ত প্ৰতিবাদ প্ৰাৰ্থীৰ, মহানগৰীত শুকুৰবাৰে।*

■ বিজ্ঞাপনত উল্লেখ কৰাৰ দৰে প্ৰাৰ্থী বাছনি নকৰাৰ অভিযোগ ■ ক্ষুব্ধ প্ৰাৰ্থীয়ে প্ৰতিবাদ সাব্যস্ত কৰিলে আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত ■ কিছু খামখেয়ালি নথকা নহয় ঃ ডিজিপি

# আৰক্ষী কনিষ্টবল নিযুক্তিত পুনৰ অনিয়ম?

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জানুৱাৰী ঃ** অসম আৰক্ষীৰ কনিষ্টবল নিযুক্তিত ব্যাপক খেলিমেলিৰ অভিযোগ উত্থাপিত হৈছে। কনিষ্টবল নিযুক্তিৰ ক্ষেত্ৰত গুৰুতৰ বিসংগতিৰ অভিযোগত আজি বঞ্চিত প্ৰাৰ্থীসকলে গুৱাহাটীৰ উলুবাৰীস্থিত অসম আৰক্ষীৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদ কৰা প্ৰাৰ্থীসকলে ইয়াৰ আঁৰত মন্ত্ৰী-বিধায়ক তথা আৰক্ষীৰ উচ্চপদস্থ বিষয়াৰ অঙহী-বঙহীক নিযুক্তি দিয়াৰ পৰিকল্পনা কৰা হৈছে বুলিও অভিযোগ তোলে। তেওঁলোকে শাৰীৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছতো বঞ্চিত হৈছে বুলি অভিযোগ তোলে। শতাধিক প্ৰতিবাদকাৰীয়ে 'অসম চৰকাৰ হায় হায়', 'ন্যায় আমাক লাগিবই', 'বিজেপি লেই লেই, ছেই ছেই' আদি শ্ল'গানেৰে আজি পৰিৱেশ উত্তপ্ত কৰি তোলে। প্ৰতিবাদকাৰীৰ অভিযোগ অনুসৰি বিজ্ঞাপনত উল্লেখ থকা মতে এটা পদৰ বিপৰীতে পাঁচজন প্ৰাৰ্থীক লিখিত পৰীক্ষাত বহিবলৈ মতাৰ কথা আছিল; কিন্তু এতিয়া এটা পদৰ বিপৰীতে দুজন প্ৰাৰ্থীকহে মতা হৈছে। ফলত 'কাট অফ্ মাৰ্ক' বেছি হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত বহু প্ৰাৰ্থী বঞ্চিত হ'বলগীয়া হয়। আজি প্ৰতিবাদকাৰীসকলে ১০ পৃষ্ঠাত চাওক

■ যাত্ৰীক সৌজন্যতাৰ শিক্ষা দিব ভাৰতীয় ৰেলে ■ নিশা ১০ বজাৰ পাছত দবাত লাইট জ্বলাব নোৱাৰিব ■ ৰেলকৰ্মীলৈ নিৰ্দেশ

# উচ্চস্বৰে নহয়, ৰেলযাত্ৰাত এতিয়াৰ পৰা ফুচফুচাই কথা পাতিব লাগিব

**■ নিউজ ব্যুৰ'**
**কলকাতা, ২১ জানুৱাৰী ঃ** ৰেলক ঘৰৰ প'ৰ্টিকত পৰিণত কৰিলে নহ'ব। চিঞৰি চিঞৰি কথা কোৱা, নিশা পৰ্যন্ত লাইট জ্বলাই থৈ খোৱা-বোৱা কৰা আদি বন্ধ কৰিব বিচাৰিছে ভাৰতীয় ৰেলে। এতিয়াৰে পৰা ৰেলযাত্ৰীসকলে সৌজন্যতাৰ শিক্ষা গ্ৰহণ কৰিব লাগিব। নিৰ্দিষ্ট সময়ত লাইট নুমুৱাব লাগিব তাৰ লগতে চিঞৰি চিঞৰি কথা কোৱা বন্ধ কৰাৰ শিক্ষা ল'ব লাগিব। কঠোৰ নীতি-নিয়ম মানি চলিব লাগিব যাতে কোনোপধ্যে ১০ পৃষ্ঠাত চাওক



# পাঁচ ঘণ্টাৰ ব্যৱধানত দুটা ভূমিকম্প উত্তৰ-পূৱত

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জানুৱাৰী ঃ** আজি বিয়লি আৰু নিশা অহা দুটা মজলীয়া ভূমিকম্পই অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কে'বাখনো ৰাজ্য কঁপাই তোলে। প্ৰথমটো ভূমিকম্প আহে বিয়লি ১০ পৃষ্ঠাত চাওক

■ ই নিৰ্বাপিত হোৱা নাই, যুদ্ধ স্মাৰকত একাকাৰ কৰা হৈছে ঃ মোদী চৰকাৰৰ ব্যাখ্যা ■ চৰকাৰক তীব্ৰ গৰিহণা বিৰোধী পক্ষৰ

# দিল্লীৰ ইণ্ডিয়া গেটৰ অমৰ জোৱান জ্যোতি নিৰ্বাপিত কৰাত প্ৰতিক্ৰিয়া



**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ জানুৱাৰী ঃ** দেশৰ ৰাজধানী নতুন দিল্লীৰ ইণ্ডিয়া গেটৰ সন্মুখৰ অমৰ জোৱান জ্যোতি নৰেন্দ্ৰ মোদী চৰকাৰে নিৰ্বাপিত কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অৱশ্যে এই অনিৰ্বাণ জ্যোতিৰ শিখা ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকৰ শিখাৰ স'তে একাকাৰ কৰা হয়। দেশৰ সেনা জোৱানসকলে অমৰজ্যোতিৰ অগ্নিশিখা কঢ়িয়াই নি বিলীন কৰে ৰাষ্ট্ৰীয় যুদ্ধ সৌধৰ স'তে। ১০ পৃষ্ঠাত চাওক

■ মেঘালয়-অসম চৰকাৰ ঐক্যমতত উপনীত হোৱাৰ পাছতো কৰণীয় আছে ■ সমাধানসূত্ৰ দুই বিধানসভা-সংসদত অনুমোদিত হ'ব লাগিব ■ প্ৰথমে প্ৰয়োজন গৃহ দপ্তৰৰ সংকেতৰ

# সীমা সমস্যা সমাধানৰ প্ৰক্ৰিয়া যথেষ্ট দীঘলীয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জানুৱাৰী ঃ** অসম চৰকাৰে মেঘালয়ৰ লগত থকা দীৰ্ঘদিনীয়া সীমা বিবাদ মীমাংসাৰ প্ৰক্ৰিয়া অব্যাহত ৰাখিছে। অসম চৰকাৰৰ এই উদ্যোগত মেঘালয় চৰকাৰেও সহযোগিতা আগবঢ়াইছে। তাৰে অংশৰূপে কালি দুয়োখন চৰকাৰে নিজৰ নিজৰ আঞ্চলিক সমিতিয়ে বিবদমান স্থানকেইটাক লৈ যুগুত কৰা প্ৰতিবেদন কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক প্ৰদান কৰে। অসম চৰকাৰে এই পৰ্যন্ত প্ৰতিবেদনখন ৰাজহুৱা নকৰিলেও পোহৰলৈ অহা তথ্যক লৈ একাংশ বিৰোধী দল-সংগঠনে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আনহাতে, চৰকাৰৰ লগতে শাসক দলেও এনে এক ধাৰণা দিব বিচাৰিছে যেন প্ৰতিবেদন দাখিলৰ পাছত গৃহ মন্ত্ৰণালয়ে অনুমোদন দিলেই সমস্যাৰ সমাধান হৈ যাব। আনহাতে, বিৰোধীয়েও অসম চৰকাৰ আৰু চৰকাৰৰ ব্যক্তি বিশেষে দক্ষতা প্ৰদৰ্শনৰ নামত ৰাজ্যৰ সীমা সংকুচিত কৰি সমস্যাটোৰ সমাধান কৰিব বিচাৰিছে বুলি সৰৱ হৈছে। আনকি চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে ন্যায়ালয়ৰ দ্বাৰস্থ হ'ব বুলিও ঘোষণা কৰিছে প্ৰদেশ কংগ্ৰেছৰ সভাপতিয়ে। অথচ দুখন ৰাজ্যৰ সীমাৰ সালসলনিৰে সমস্যাটোৰ সমাধান কৰাটো এক দীঘলীয়া প্ৰক্ৰিয়া। কে'বাটাও পৰ্যায়ে অনুমোদন লাভৰ পাছতহে সমস্যাটোৰে সমাধানৰ মুখ দেখাৰ সম্ভাৱনা আছে। ১০ পৃষ্ঠাত চাওক



*ভিন্ন ৰঙী ফুল কবি-বন্ধা কবি উৎপাদন কৰিছে মাজুলীৰ কৃষকে।*

কঠোৰ নিৰ্দেশনা বিভাগৰ ■ শিক্ষকৰ পদ খালী ■ মহাবিদ্যালয়ৰ অধ্যক্ষলৈও জাননী

# শিক্ষা বিভাগত নিযুক্তি লাভ কৰিলে তিনি বছৰলৈ চাকৰি সলাব নোৱাৰিব

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জানুৱাৰী ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগত নিযুক্তি পালে এতিয়াৰে পৰা কোনেও সৰ্বাধিক তিনি বছৰলৈ চাকৰি অথবা বিভাগ সলাব নোৱাৰিব। মাধ্যমিক শিক্ষা বিভাগে অলপতে এ এছ ই ৬২৬/২০২১/৩ নম্বৰত এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰে। শিক্ষা বিভাগৰ প্ৰধান সচিব বি কল্যাণ চক্ৰৱৰ্তী স্বাক্ষৰিত নিৰ্দেশনাত শিক্ষক-কৰ্মচাৰী সকলোকে সামৰি লোৱা হৈছে। নিৰ্দেশত উল্লেখ কৰা অনুসৰি, শিক্ষা বিভাগত নিযুক্তি লাভৰ পাছত কোনো শিক্ষক-কৰ্মচাৰীয়ে ৰাজ্য চৰকাৰৰ আন ১০ পৃষ্ঠাত চাওক

# ভাৰত বিৰোধী প্ৰচাৰ ঃ ৪২টা ইউটিউব চেনেল নিষিদ্ধ

**■ নিউজ ব্যুৰ'**
**নতুন দিল্লী, ২১ জানুৱাৰী ঃ** ভুৱা আৰু ভাৰত বিৰোধী খবৰ বিয়পোৱাৰ বাবে ফেচবুক, টুইটাৰসহ বিভিন্ন সামাজিক মাধ্যম কোম্পানীক কেতবোৰ পাকিস্তানৰ সাহায্যপুষ্ট একাউণ্ট নিষিদ্ধ কৰাৰ নিৰ্দেশ দিলে কেন্দ্ৰই। চোৰাংচোৱাৰ নতুন তথ্যৰ ভিত্তিতে কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰণালয়ৰ যুটীয়া সচিব বিক্ৰম ১০ পৃষ্ঠাত চাওক

■ অসম বিশ্ববিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসত মুখ্যমন্ত্ৰী ■ আন্তঃগাঁথনি উন্নয়নৰ বাবে ২৫ কোটি টকাৰ অনুদান ঘোষণা ■ কেথলেব মুকলি

# সনাতন সভ্যতা-সংস্কৃতিয়ে জ্ঞান-প্ৰজ্ঞাৰ অন্বেষণ কৰিবলৈ শিক্ষা দিয়ে



**বিশেষ সংবাদদাতা**
**শিলচৰ, ২১ জানুৱাৰী ঃ** 'সভ্যতা, সংস্কৃতি, শিক্ষাৰ মূল বিষয় হৈছে সংযোগ স্থাপন। মানুহৰ লগত মানুহৰ সংযোগ। আজি মোক এই অনুষ্ঠানত আমন্ত্ৰণ জনাই যি সংযোগৰ সেতু তৈয়াৰ কৰিলে তাত মই আপ্লুত হৈছোঁ। আমাৰ চৰকাৰে এই আত্মীয়তাৰ সম্পৰ্কৰ সেতু অক্ষুণ্ণ ৰখাৰ চেষ্টা কৰিব। অসম বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ উন্নতি সাধনৰ বাবে আপোনালোকে যি ব্ৰত গ্ৰহণ কৰিছে, আজিৰে পৰা এই কৰ্মযজ্ঞত ১০ পৃষ্ঠাত চাওক

## কচুৱাত আতিশয্যৰ বলি হৈ বোৱাৰীৰ মৃত্যু
# শৱদেহ লগত লৈ আহি অভিযোগ দিলে এছপিক

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ জানুৱাৰী ঃ** স্বামীয়ে দীৰ্ঘদিন ধৰি শাৰীৰিক-মানসিক অত্যাচাৰ চলোৱাৰ ফলতে নগাঁও জিলাৰ কামপুৰ গৰঙাআটিৰ এগৰাকী বোৱাৰীয়ে মৃত্যুক সাৱটি ল'বলগীয়া হোৱাৰ অভিযোগ উত্থাপিত হৈছে। কচুৱা আৰক্ষী থানাৰ অন্তৰ্গত ৰজাগাঁও কল'নীৰ পদ্ম মেধি নামৰ ১০ পৃষ্ঠাত চাওক

## ১৮ তিৱা ৰজাক এক লাখকৈ ৰাজ ভাট্টা প্ৰদান কৰিলে মন্ত্ৰী পীযুষে
# তিৱা ৰজাৰ ৰাজদৰবাৰেৰে সামৰণি পৰিল ঐতিহাসিক জোনবিল মেলাৰ

**অগ্ৰদূত বাৰ্তা**
**জাগীৰোড, ২১ জানুৱাৰী ঃ** কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ঐতিহাসিক জোনবিল মেলাৰ আজি ৰাজদৰবাৰ অনুষ্ঠানেৰে সামৰণি পৰে। ক'ভিডসৃষ্ট পৰিৱেশৰ মাজতে অনুষ্টুপীয়াকৈ অনুষ্ঠিত হয় ঐতিহাসিক জোনবিল মেলা। কালি পুৱা জোনবিলৰ পাৰত গোভা ৰজা দীপসিং ১০ পৃষ্ঠাত চাওক



ভিন্ন জোখ-ভিন্ন দামৰ ১৪ লাখ টকাৰ পতাকা সাজি উলিয়ালে ■ চুবুৰীয়া ৰাজ্যলৈও ৰপ্তানি

# চাৰে ছহেজাৰ ৰাষ্ট্ৰীয় পতাকা প্ৰস্তুত খাদী ব'ৰ্ডৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী ২১ জানুৱাৰী ঃ** বিগত বৰ্ষৰ দৰে এইবাৰো ক'ভিড বিধি পালনেৰে গণৰাজ্য দিৱস উদ্‌যাপনৰ বাবে সাজু হৈছে দেশবাসী। এইবাৰ দেশে পালন কৰিব ৭৩ সংখ্যক গণৰাজ্য দিৱস। অসমতো গণৰাজ্য দিৱস উপলক্ষে ব্যস্ত হৈছে অসম খাদী আৰু গ্ৰামোদ্যোগ ব'ৰ্ড। সম্প্ৰতি গুৱাহাটীৰ চান্দমাৰিস্থিত ব'ৰ্ডৰ কাৰ্যালয়ৰ কাৰখানাত গণৰাজ্য দিৱসৰ বাবে প্ৰস্তুত কৰি থকা



হৈছে জাতীয় ৰাষ্ট্ৰীয় পতাকা। বিভিন্ন জোখৰ পতাকা প্ৰস্তুত কৰি আছে মুঠ ১৬ গৰাকী কৰ্মচাৰীয়ে। এইবেলি পাঁচ হেজাৰ চাৰিশ পতাকা প্ৰস্তুতৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছিল যদিও আজি পৰ্যন্ত মুঠ ৬,৫২৩খন পতাকা প্ৰস্তুত হৈছে বুলি সদৰী কৰে ব'ৰ্ডৰ অতিৰিক্ত কাৰ্যবাহী বিষয়া (বিপণন) বিপুল হাজৰিকাই। তেওঁ কয়, 'বিগত বৰ্ষত ক'ভিডৰ বাবে পতাকা কমকৈ প্ৰস্তুত কৰা হৈছিল। যোৱাবাৰ ২২৯১ খন ১০ পৃষ্ঠাত চাওক

# পৰীক্ষা পিছুৱাবলৈ অথবা অনলাইন অনুষ্ঠিত কৰিবলৈ কৰ্তৃপক্ষক দাবী

## টুইটাৰত প্ৰতিবাদৰ ধুমুহা ঃ আমাৰ মানসিক স্বাস্থ্যৰ কথা ভাবক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ২১ জানুৱাৰী ঃ** 'আমি যদি দেশৰ ভৱিষ্যৎ, তেন্তে আপোনালোকে নাভাবেনে যে ভৱিষ্যৎ নিৰ্মাণৰ বাবে আমি প্ৰথমতে বাচি থাকিব লাগিব।' 'আমাক পৰীক্ষা অনুষ্ঠিত কৰাৰ বাবে উপযুক্ত দিশ নিৰ্দেশনা দিয়ক, আপোনালোকৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰক।' 'পৰীক্ষাতকৈ ১০ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
| --- | --- | --- |
| গুৱাহাটী | ২২° | ১২° |
| ডিব্ৰুগড় | ২২° | ১১° |
| দিল্লী | ১৮° | ০৯° |
| কলকাতা | ২৪° | ১৪° |
| মুম্বাই | ২৭° | ১৯° |
| চেন্নাই | ৩০° | ২২° |
| বাংগালুৰু | ২৯° | ১৫° |
| শ্বিলং | ১২° | ০৪° |

২১ জানুৱাৰী, ২০২২

## চেঙা তেল



*তেওঁলোকে হা বুলি ক'লে আমি না বুলি কওঁ, আৰু আমি হা বুলি ক'লে তেওঁলোকে না বুলি কয়!*

দৈনিক অগ্ৰদূত

গুৱাহাটী, ২২ জানুৱাৰী, ২০২২ শনিবাৰ পৃষ্ঠা তিনি

# সৰ্বশিক্ষাৰ বেংক সলনিৰ সৰ্বনাশী সিদ্ধান্তত তেজপুৰ মজলীয়া স্কুল শিক্ষক সন্থা ক্ষুব্ধ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২১ জানুৱাৰী ঃ** সৰ্বশিক্ষা অভিযান মিছন অসমে যোৱা ২০২১ৰ নৱেম্বৰত জাৰি কৰা এক নিৰ্দেশনাই সম্প্ৰতি প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলক বিপাঙত পেলাইছে। নিৰ্দেশনা অনুযায়ী বিদ্যালয়সমূহৰ পৰিচালনা সমিতিৰ বেংক একাউণ্টসমূহ এতিয়াৰে পৰা কানাড়া বেংকলৈ বদলি কৰিব লাগিব। এই নিৰ্দেশনা ইতিমধ্যে বিদ্যালয়খনৰ প্ৰধান শিক্ষকসকলক খণ্ড গাণনিক সহায়কসকলৰ জৰিয়তে জনোৱা হৈছে। এই ছয় পৃষ্ঠাত চাওক

## লখিমপুৰ সৰ্বশিক্ষা অভিযানৰ মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পদৰ সাক্ষাৎকাৰ

অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২১ জানুৱাৰী ঃ** লখিমপুৰ সৰ্বশিক্ষা অভিযানৰ অন্তৰ্গত মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক পদৰ সাক্ষাৎকাৰ আজি লখিমপুৰ টাউন মডেল প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। সাক্ষাৎকাৰ বাছনিকৃত ৫৩ জন শিক্ষকক সাক্ষাৎ গ্ৰহণ কৰা হয়। উল্লেখ্য যে পুৱা ১০-৩০ বজাৰ পৰা বিয়লি চাৰি বজালৈ গ্ৰহণ কৰা এই সাক্ষাৎকাৰত আদৰ্শ পাঠদান, কম্পিউটাৰৰ জ্ঞান, শিক্ষা বিষয়ৰ সাধাৰণ জ্ঞানৰ মৌখিক পৰীক্ষা গ্ৰহণ কৰা হয়। উল্লেখ্য যে ৭৬ খালী পদৰ বাবে এই সাক্ষাৎকাৰত উত্তীৰ্ণ প্ৰাৰ্থীক গুৱাহাটীৰ মুখ্য কাৰ্যালয়ে নিৰ্দিষ্ট মণ্ডল সমল কেন্দ্ৰত নিয়োজিত কৰিব।

## ভূৰাগাঁৱত ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ ঃ শূন্যলৈ আৰক্ষীৰ গুলি

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২১ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁৱৰ বালিডোংগাত যোৱা নিশা ড্ৰাগছ সৰবৰাহকাৰীয়ে পলায়নৰ চেষ্টা চলাওতেই আৰক্ষীয়ে শূন্যলৈ এজাঁই গুলিবৰ্ষণ কৰে। আৰক্ষীয়ে শ্বহিদুল ইছলাম নামৰ ড্ৰাগছ সৰবৰাহকাৰীজনক গ্ৰেপ্তাৰ কৰে যদিও আন কে'বাজনো সৰবৰাহকাৰীয়ে পলাই যায়। মৰিগাঁও আৰু ভূৰাগাঁও আৰক্ষীয়ে যুটীয়া অভিযান চলোৱাৰ সময়তে ঘটনাটো সংঘটিত হয়। আৰক্ষীয়ে ধৃত লোকজনৰ পৰা ৭৫ গ্ৰাম ড্ৰাগছ উদ্ধাৰ কৰে।

## জুৰীয়াৰ কুখ্যাত ড্ৰাগছ ব্যৱসায়ী গ্ৰেপ্তাৰ

অগ্ৰদূত বাৰ্তা

**জুৰীয়া, ২১ জানুৱাৰী ঃ** নগাঁও জিলাৰ জুৰীয়াৰ পৰমাইভেটি গাঁৱত জুৰীয়া আৰক্ষীয়ে আজি বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজন কুখ্যাত ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰে। ধৃত ড্ৰাগছ ব্যৱসায়ীজন আবেদ আলী ওৰফে চুতীয়া। উল্লেখ্য যে কালি জুৰীয়াৰ পূব মুকুন্দআটি গাঁৱৰ গ্ৰেপ্তাৰ হোৱা তাফাজ্জুল হক নামৰ সৰবৰাহকাৰীজনৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে জুৰীয়াৰ পৰমাইভেটি গাঁৱৰ ড্ৰাগছ ব্যৱসায়ীজনক। ধৃত লোকজনে নিজ গৃহৰ পৰাই দীৰ্ঘদিন ধৰি জুৰীয়াৰ ভিন্ন স্থানত ড্ৰাগছৰ ৰমৰমীয়া বেহা চলাই আহিছিল। ইতিমধ্যে জুৰীয়া আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী তাফাজ্জুল হকৰ লগত ব্যৱসায়ী আবেদ আলীক আদালতত হাজিৰ কৰোৱাত আদালতে দুয়োকে জেল হাজোতলৈ প্ৰেৰণ কৰে।

■ নগৰবেৰাত ভূমি বিবাদক কেন্দ্ৰ কৰি সংঘটিত মাৰপিট

## হত্যাকাৰীক ফাঁচিৰ দাবীত মৃতদেহ লৈ ৰাজপথত প্ৰতিবাদ গাঁওবাসীৰ

**আলোপতি, ২১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ নগৰবেৰা আৰক্ষী থানাৰ অন্তৰ্গত নগৰবেৰাৰ কল্যাণপুৰত যোৱা বুধবাৰে নিশা এডোখৰ ভূমিক কেন্দ্ৰ কৰি সংঘটিত বিবাদত দুই পক্ষৰ মাৰপিটত এজন লোক নিহত হোৱা ঘটনাক কেন্দ্ৰ কৰি আজি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয় গাঁওখনত। গাঁওখনৰ দুই সহোদৰ ভ্ৰাতৃ পৰিয়ালৰ মাজত ভূমি বিবাদক কেন্দ্ৰ কৰি সংঘটিত মাৰপিটত মিজানুৰ ৰহমান (২৭)ৰ লগতে আন ১০ জন লোক আহত হয়। আহতসকলক নগৰবেৰা ব্লক প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ভৰ্তি কৰায় যদিও মিজানুৰক উন্নত চিকিৎসাৰ বাবে জিএমচি হাস্পতাললৈ প্ৰেৰণ কৰে। বৃহস্পতিবাৰে চিকিৎসাধীন



অৱস্থাতে মিজানুৰৰ মৃত্যু হয়। মিজানুৰৰ মৃত্যুৰ বাতৰিয়ে গাঁওখনত চেপা উত্তেজনা সৃষ্টি কৰে। নিশা মৃতদেহ ঘৰ আহি পোৱাৰ লগে লগে এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হোৱাৰ লগতে শোকত ভাগি পৰে পৰিয়ালৰ লগতে আত্মীয়-স্বজন। ইপিনে, মিজানুৰ ৰহমান আৰু তেওঁৰ পৰিয়ালৰ লোকক মাৰপিটত জড়িত লোকসকলৰ বিৰুদ্ধে আৰক্ষীয়ে ছয় পৃষ্ঠাত চাওক

নেহৰু যুৱ কেন্দ্ৰৰ সমাৰোহ

## যুৱক-যুৱতীৰ শাৰীৰিক-মানসিক বিকাশৰ লক্ষ্য



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ২১ জানুৱাৰী ঃ** ভাৰত চৰকাৰৰ অন্তৰ্গত লখিমপুৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰণালয়ৰ অধীনস্থ নেহৰু যুৱ কেন্দ্ৰ উত্তৰ লখিমপুৰৰ উদ্যোগত আজি উত্তৰ লখিমপুৰ সাহিত্য সভা ভৱনত জিলা যুৱ সমাৰোহ অনুষ্ঠিত হয়। ফিট ইণ্ডিয়াৰ স'তে সংগতি ৰাখি যুৱ শক্তিৰ শাৰীৰিক-মানসিক বিকাশৰ লক্ষ্যৰে অনুষ্ঠিত অনুষ্ঠানটোত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মানৱ সম্পদ পৰামৰ্শদাতা যোগানন্দ ছয় পৃষ্ঠাত চাওক

## তামুলপুৰৰ পথ দুৰ্ঘটনাত নিহত এক

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২১ জানুৱাৰী ঃ** তামুলপুৰ মহকুমাৰ ক'দালপাৰাত যোৱা নিশা সংঘটিত এক পথ দুৰ্ঘটনাত তামুলপুৰ মহকুমাৰ অন্তৰ্গত মাজদিয়া গাঁৱৰ প্ৰভাত বড়োৰ পুত্ৰ মিঠুন বড়ো (২৮)ৰ মৃত্যু হয়। তামুলপুৰ আৰক্ষীয়ে সদৰী কৰা মতে, যোৱা নিশা ন বজাত মিঠুনে এ এছ-২৮ বি-৯০৮০ নম্বৰৰ স্কুটীখনেৰে কুমাৰীকাটাৰ পৰা ৰঙিয়া-ভূটান পথেৰে মাজদিয়াৰ নিজ ঘৰলৈ গৈ থাকোতে ক'দালপাৰাত অচিনাক্ত বাহনে খুন্দিওৱাত স্কুটীসহ মিঠুন পথৰ কাষৰ খাৱৈত পৰি যায়। ছয় পৃষ্ঠাত চাওক

লোকগীত-শিশু গীতৰ প্ৰতিযোগিতাৰ আয়োজন

## তামুলপুৰত বিশিষ্ট গীতিকাৰ কুল বৰুৱাৰ জন্মদিন উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২১ জানুৱাৰী ঃ** স্বাস্থ্য সেৱা প্ৰতিষ্ঠান প্ৰশস্তিৰ উদ্যোগত আৰু ষ্টুডিঅ' ৰুণজুনৰ সৌজন্যত আজি তামুলপুৰত সদৌ অসম ভিত্তিত এক শিশু গীত আৰু লোকগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিশিষ্ট শিল্পী, গীতিকাৰ, প্ৰয়াত কুল বৰুৱাৰ জন্মদিনৰ স'তে সংগতি ৰাখি শিল্পীজনৰ দ্বাৰা ৰচিত শিশুগীত আৰু প্ৰয়াত ৰমণী পাঠকৰ সোঁৱৰণীত লোকগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। তামুলপুৰ মহকুমাৰ বাৰেইগাঁৱৰ ষ্টুডিঅ' ৰুণজুনৰ বাকৰিত অনুষ্ঠিত এই প্ৰতিযোগিতাত বিভিন্ন প্ৰান্তৰ ৩০ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। ষ্টুডিঅ' ৰুণজুনৰ স্বত্বাধিকাৰী ভাগ্যশ্ৰী কলিতা তথা সংগীত শিল্পী শিক্ষক বুবুল পাঠকে বিশেষ ছয় পৃষ্ঠাত চাওক

■ আঁচনি অনুমোদনত বিলম্ব ■ খহনীয়াত আক্ৰান্তই কৰিবলগীয়া হৈছে হাজিৰা ■ চৰকাৰী ভূমিতেই থাকিবলগীয়া হৈছে বহুতো লোক ■ ইখনৰ পাছত সিখন গাঁও নিশ্চিহ্ন

# পুনৰ জীয়াভৰলীৰ খহনীয়াৰ আশংকা



অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২১ জানুৱাৰী ঃ** প্ৰতিবছৰেই বাৰিষাকালত তেজপুৰৰ বিভিন্ন অঞ্চলত জীয়াভৰলীৰ সংহাৰী গখহনীয়াই বৃহৎ সংখ্যক লোকক গৃহহীন কৰি অহাৰ লগতে গ্ৰাস কৰিছে বহু পৰিমাণৰ কৃষিভূমি।বিশেষকৈ ৰঙাপৰা আৰু তেজপুৰ বিধান সভা সমষ্টিৰ বাবে জীয়াভৰলীৰ এই খহনীয়া এক জ্বলন্ত সমস্যাত পৰিণত হৈছে। ইয়াৰ বিপৰীতে ১৯৭৫ৰ পৰা জীয়াভৰলীৰ এনে খহনীয়া প্ৰতিৰোধৰ বাবেই চেগাচোৰোকাকৈ ৰূপায়ণ হোৱা আঁচনিৰ নামত প্ৰায় দুশ কোটি টকা ব্যয় কাৰ হ'ল য'দিও বাস্তৱত সমস্যা একেদৰেই থাকিল। জীয়াভৰলীৰ এই খহনীয়াত খৰস্ৰোতা নৈখনৰ পাৰৰ প্ৰায় ৩০খন ৰাজহ গাঁও নিশ্চিহ্ন হোৱাৰ উপৰি এই বৃহত্তৰ নৈ পৰীয়া অঞ্চলৰ জনগাঁথনি সলনি কৰাই নহয়, বহু চৰকাৰী বেচৰকাৰী অনুষ্ঠান আদিও গ্ৰাস কৰিছে। প্ৰকৃততে জীয়াভৰলীৰ এই ধাৰাবাহিক খহনীয়াৰ ফলত তেজপুৰৰ ৩০বছৰৰ পূৰ্বৰ ভৌগোলিক মানচিত্ৰখনলৈ বৰ্তমান বহু সলনি হ'ল। তদুপৰি, বিস্তৰ প্ৰভাৱ পৰিল কৃষিভূমিৰ ক্ষেত্ৰত।এই সময়চোৱাত গৰাখহনীয়াত আক্ৰান্ত হোৱা বহুসংখ্যক পৰিয়াল মিছামাৰী, ধলাইবিল, অৰুণাচল প্ৰদেশ আদি বিভিন্ন অঞ্চললৈ গুছি যাবলগীয়া হোৱাৰ উপৰি বৰ্তমান বহুসংখ্যক লোকে পুৰণা মথাউৰিৰ কাষত চৰকাৰী ভূমিতে থাপিবলগীয়া হৈছে। একোটা পৰিয়ালক উপান্ত কৰি নিশাটোৰ ভিতৰতে জমিদাৰৰ দৰে অৱস্থাৰ পৰা দানহাজিৰা কৰি চলিবলগীয়া হোৱা ভালেসংখ্যক উদাহৰণ আছে এইসকল খহনীয়া আক্ৰান্তৰ মাজত। লক্ষ্যণীয়ভাৱে, ৰঙাপৰা আৰু তেজপুৰত জীয়াভৰলীয়ে ইখনৰ পাছত সিখন গাঁও সম্পূৰ্ণৰূপে নিশ্চিহ্ন কৰা সত্বেও এনেবোৰ গাঁৱৰ বহু সংখ্যক লোক বিভিন্ন স্থানলৈ নিজাববীয়াকৈ স্থানান্তৰিত হ'ল য'দিও ইয়াৰ কোনোধৰণৰ চৰকাৰী ছয় পৃষ্ঠাত চাওক

## কলগাছিয়াৰ ৰামপুৰত অবৈধ কাঠফলা কল জব্দ

**কলগাছিয়া, ২১ জানুৱাৰী ঃ** আজি জনীয়া সমষ্টিৰ কলগাছিয়াৰ সমীপৰ ৰামপুৰত বন কৰ্মচাৰীৰ এটা দলে অভিযান চলাই এটা অবৈধ কাঠফলা কল জব্দ কৰে। উল্লেখ্য যে এই অভিযানকাৰীৰ দলটোৱে জিলাখনৰ সৰ্থেবাৰীৰ ওচৰৰ ভৈৰাগুৰি গাঁৱৰ পৰাও আন এটা অবৈধ কাঠফলা কল উচ্ছেদ কৰে। দুয়োটা কাঠফলা কল বৰপেটাৰোড আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ত জমা ৰখা হৈছে।

## নলবাৰীত অনুষ্ঠিতব্য লোক আদালত অনিৰ্দিষ্ট কাললৈ স্থগিত

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২১ জানুৱাৰী ঃ** ৰাজ্যৰ লগতে নলবাৰী জিলাতো কাইলৈ ৰাজ্যিক 'লোক আদালত' অনুষ্ঠিত কৰাৰ সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তোলা হৈছিল যদিও সাম্প্ৰতিক ক'ভিডৰ তৃতীয় ছয় পৃষ্ঠাত চাওক

কৃতী শিক্ষক বঁটা প্ৰাপক অনাতাঁৰ শিল্পী টীয়কৰ ৰুণু বৰগোহাঁই বৰা

## নীৰৱে সংগীত চৰ্চাত ব্যস্ত লোকসংস্কৃতিৰ সাধক



অগ্ৰদূত বাৰ্তা

**জাঁজী, ২১ জানুৱাৰী ঃ** যোৰহাট জিলাৰ টীয়ক জগদুৱাৰ নাৰেং পাচনী গাঁৱৰ এগৰাকী কৃতী শিক্ষক বঁটা প্ৰাপক তথা অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী নাম ৰুণু বৰগোহাঁই বৰা। দুটা সন্তানৰ মাতৃ ৰুণু বৰগোহাঁইৰ স্বামী ধনীৰাম বৰা এজন আৰক্ষী বিষয়া। শিক্ষকতাৰ দৰে গুৰু দায়িত্ব নিয়াৰিকৈ পালন কৰি কৰ্মসূত্ৰে স্বামী ঘৰত নথকাৰ পাছতো ঘৰুৱা ব্যস্ততাৰ মাজত বৰগোহাঁয়ে উচ্চ শিক্ষাৰে শিক্ষিত কৰিলে দুটাকৈ পুত্ৰ সন্তানক। তাৰ পাছতো সময়ৰ লগত খাপ খুৱাই বৰগোঁহায়ে অনঁতাৰ শিল্পী, নাট্যকাৰ, অভিনেত্ৰী, প্ৰৱন্ধকাৰৰূপে সমাজত প্ৰতিষ্ঠা লাভ কৰিছে। যুগ্ম জীৱনৰ আৰম্ভণিতেই শিল্পী ৰুণু বৰগোঁহায়ে স্থানীয় মইনাসকলক একত্ৰিত কৰি 'জ্ঞানদীপ' মইনা পাৰিজাত নামকৰণেৰে এখন মইনা পাৰিজাত গঠন কৰে। সমাজ হিতৈষী মনৰ মহিলাৰূপে শিশুসকলৰ লগতে সমান্তৰালভাৱে তেওঁ নিজেও সংগীত চৰ্চা কৰি আহিছে। এনে ক্ষেত্ৰত সাধাৰণতে এগৰাকী মহিলা বিবাহ পাশত আৱদ্ধ হোৱাৰ পাছত স্বামীৰ গৃহত বহু সুবিধাৰ পৰা বঞ্চিত হয়। সেই সন্দৰ্ভত তেওঁৰ পৰা জানিব বিচৰাত তেওঁ শহুৰ শাহুৰ লগতে স্বামীয়ে মোক দি অহা সুবিধা একেলেথাৰিয়ে কৈ শলাগ লয় পৰিয়ালটোক। লগতে তেওঁ কয় আজিৰ তাৰিখত শহুৰ শাহুৰ নিৰ্যাতনৰ বলি হোৱা বহু উদাহৰণ আছে যদিও কিছুমান ক্ষেত্ৰত প্ৰতিগৰাকী বোৱাৰীও কিছুমান ছয় পৃষ্ঠাত চাওক

## ৰংজুলিৰ কন্যাকুছিত বাহনসহ চোৰাং কাঠ জব্দ

অগ্ৰদূত বাৰ্তা

**দুধনৈ, ২১ জানুৱাৰী ঃ** আজি পুৱতি নিশা ৰংজুলি বনাঞ্চলিক কাৰ্যালয়ৰ আৰু ধূপধৰা খণ্ড বন বিষয়াৰ কাৰ্যালয়ৰ বনকৰ্মীয়ে চলোৱা অভিযানত কন্যাকুছিত এখন চোৰাং শাল গছৰ কুণ্ডাভৰ্তি বাহন জব্দ কৰে। পুৱতি নিশা তিনি বজাত বাহনখন জব্দ কৰে যদিও চোৰাং কাঠ সৰবৰাহকাৰীয়ে আন্ধাৰৰ সুযোগ লৈ পলায়ন কৰে। পাছত চোৰাং কাঠসহ টাটা ডিআই বাহনখন ধূপধৰা খণ্ড বন বিষয়াৰ কাৰ্যালয়লৈ অনা হয়।

## আঠখেলীয়া নামঘৰ চৌহদত অগ্নিকাণ্ড

অগ্ৰদূত বাৰ্তা

**আঠখেলীয়া, ২১ জানুৱাৰী ঃ** কালি আবেলি ৩-৩০ বজাত গোলাঘাট জিলাৰ আঠখেলীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত শ্ৰীশ্ৰী আঠখেলীয়া নামঘৰ চৌহদত সংঘটিত অগ্নিকাণ্ডত চাৰিখন ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হয়। অগ্নিকাণ্ডত নগদ ধনো জাহ যায়। প্ৰত্যক্ষদৰ্শীৰ মতে, বিয়লি নামঘৰৰ শৰাই প্ৰদানৰ ছয় পৃষ্ঠাত চাওক

## কনিষ্টবল নিযুক্তিৰ ক্ষেত্ৰত যোগ্য প্ৰাৰ্থীক বঞ্চনাৰ অভিযোগত মাকুমত পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ

তিনিচুকীয়াৰ সকলো আৰক্ষী থানাক সন্ত্ৰাস জৰ্জৰ অঞ্চল ঘোষণা কৰি টেষ্টত উত্তীৰ্ণ প্ৰাৰ্থীক লিখিত পৰীক্ষাত বহিবলৈ দিয়াৰ দাবী

অগ্ৰদূত বাৰ্তা


**তিনিচুকীয়া, ২১ জানুৱাৰী ঃ** ৰাজ্যৰ আন আন প্ৰান্তৰ সমান্তৰালকৈ ২০১৮ত তিনিচুকীয়া জিলাৰো বহু নিবনুৱা যুৱক-যুৱতীয়ে আৰক্ষী কনিষ্টবল পদৰ বাবে প্ৰ-পত্ৰ পুৰণ কৰিছিল। কিন্তু চলিত বৰ্ষৰ ১৯ জানুৱাৰীত তিনিচুকীয়া জিলাৰ একাংশ থানাৰ অধীনৰ প্ৰাৰ্থীক সন্ত্ৰাস জৰ্জৰ অঞ্চল বুলি বিবেচনা কৰি পৃথকে-পৃথকে কাট অফ মাৰ্কৰ জৰিয়তে কম নম্বৰ লাভ কৰা প্ৰাৰ্থীক লিখিত পৰীক্ষাত বহিবলৈ দি অধিক নম্বৰ লাভ কৰা প্ৰাৰ্থীক বঞ্চনা কৰাৰ অভিযোগ উত্থাপিত কৰিছে একাংশ বঞ্চিত প্ৰাৰ্থীয়ে, যাৰ প্ৰতিবাদত আজি জিলাখনৰ এনে বহু বঞ্চিত প্ৰাৰ্থীসকলে তিনিচুকীয়া জিলাৰ মাকুমত ৩৭ আৰু ৩৮ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। তিনিচুকীয়া জিলাখনৰ সকলো



(ইটি) উত্তীৰ্ণ প্ৰাৰ্থীক লিখিত আৰক্ষী কনিষ্টবল পদৰ পৰীক্ষা দিবলৈ চৰকাৰক আহ্বান জনোৱাৰ লগতে জিলাখনৰ সকলো থানাৰ অন্তৰ্গত অঞ্চলক সন্ত্ৰাস জৰ্জৰ অঞ্চলৰূপে ঘোষণা কৰি সকলোৰে ক্ষেত্ৰত একেটাই কাট অফ মাৰ্কৰ ব্যৱস্থা কৰিবলৈ দাবী জনাই বঞ্চিত প্ৰাৰ্থীসকলে এইদৰে পথ অৱৰোধ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰি অসমৰ মূখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰিছে।

■ ভাৰপ্ৰাপ্ত বিষয়াসহ ১০ গৰাকী আৰক্ষীৰে চলিছে ভৈৰৱকুণ্ড আৰক্ষী চকী

## অসম-অৰুণাচল প্ৰদেশ-ভূটানৰ সীমান্তৱৰ্তী আৰক্ষী চকীত নাই পৰ্যাপ্ত আৰক্ষী জোৱান



অগ্ৰদূত বাৰ্তা

**ওদালগুৰি, ২১ জানুৱাৰী ঃ** অসম-অৰুণাচল প্ৰদেশ আৰু ভূটানৰ অতি স্পৰ্শকাতৰ অঞ্চলৰূপে বিবেচিত হোৱা ভৈৰৱকুণ্ডত দেখা গৈছে পৰ্যাপ্ত আৰক্ষীৰ অভাৱ। এখন চুবুৰীয়া দেশ আৰু দুখন ৰাজ্যৰ সীমান্তৱৰ্তী এক স্পৰ্শকাতৰ স্থান হৈছে ওদালগুৰি জিলা সদৰৰ পৰা প্ৰায় ১৮ কিলমিটাৰ উত্তৰত অৱস্থিত ভৈৰৱকুণ্ড। এই ভৈৰৱকুণ্ড অঞ্চলতে ইতিপূৰ্বে বহু বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ ইতিহাস আছে। কিন্তু ইয়াৰ পাছতো নিৰাপত্তাৰ নামত যেন আছিও হেমাহি হৈ আহিছে এই স্পৰ্শকাতৰ অঞ্চলটো। এই গুৰুত্বপূৰ্ণ অঞ্চলটোৰ নিৰাপত্তাৰ দিশটো পৰ্যৱেক্ষণৰ বাবে সীমান্তৱৰ্তী অঞ্চলটোত স্থাপন কৰা হৈছিল এখন আৰক্ষী চকী। কিন্তু বৰ্তমান জোৱা টাপলি মাৰি চলিবলগীয়া হৈছে এই গুৰুত্বপূৰ্ণ আৰক্ষী চকীখন। কিয়নো ছয় পৃষ্ঠাত চাওক

## বিকল দুই নম্বৰ বাহাৰঘাট কেন্দ্ৰ জলসিঞ্চন আঁচনি ঃ কৃষকৰ হাহাকাৰ



অগ্ৰদূত বাৰ্তা

বাহাৰঘাট, ২১ জানুৱাৰী ঃ কামৰূপ আৰু নলবাৰী জিলাৰ সীমামূৰীয়া ঠাইৰ বৰলীয়া নৈৰ পাৰত স্থাপিত এখন জলসিঞ্চন আঁচনি দীৰ্ঘদিনৰ পৰা বিকল হৈ থকাত অঞ্চলটোৰ কৃষকসকল সমস্যাৰ সন্মুখীন হৈ আছে। উল্লেখ্য যে বিগত ২০০৯-১০ তে ৰঙিয়া সংমণ্ডলৰ অধীনত প্ৰতিষ্ঠা কৰিছিল উক্ত কেন্দ্ৰটো। কেন্দ্ৰটো সম্পূৰ্ণ হোৱাৰ পাছতে দুটা বছৰ খেতিয়কে পথাৰত বিচৰা ধৰণে পানী লাভ কৰিছিল, অঞ্চলটোৰ কৃষকে শালি আৰু বড়োধানৰ খেতি কৰাৰ লগতে সৰিয়হ, ৰঙালাও আদিৰ খেতি কৰি যথেষ্ট লাভান্বিত হৈছিল। কিন্তু ২০১৪ৰে পৰা সম্পূৰ্ণ বিকল হৈ আছে কেন্দ্ৰটো, আনকি নৈৰ সোঁত সলনি হৈ জল উত্তোলনৰ ঠাই পুতি পেলাইছে বৰলীয়াৰ ছয় পৃষ্ঠাত চাওক

## গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ সমস্যা সমাধানৰ দাবী

অগ্ৰদূত বাৰ্তা

**মাহমৰা, ২১ জানুৱাৰী ঃ** সদৌ অসম গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ চৰাইদেউ জিলা সমিতিয়ে যোৱা ২০ জানুৱাৰীত চৰাইদেউ জিলা উপায়ুক্তৰ জৰিয়তে সন্থাৰ চাৰিদফীয়া দাবী সম্বলিত এখন স্মাৰকপত্ৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰে। গ্ৰাম্য ঔষধ ব্যৱসায়ী সন্থাৰ চৰাইদেউ জিলা সমিতিৰ সভাপতি সূৰুজ গগৈ, যুটীয়া সম্পাদক সুভাষ বড়া আৰু উৎপল গগৈয়ে স্বাক্ষৰ কৰা স্মাৰকপত্ৰখনত ঔষধ ব্যৱসায়ীসকলে উল্লেখ কৰা অনুসৰি ১৯৪০ৰ আইন অনুসৰি আৰপিএলৰ বিধি ব্যৱস্থা শেষবাৰৰ বাবে ১৯৯৫ত সংশোধনী হৈছিল যদিও বিগত ২৫ বছৰে ইয়াৰ সংশোধন হোৱা নাই। সেয়েহে আৰপি অনুজ্ঞাপত্ৰলৈ গ্ৰামাঞ্চলত দিনে-নিশাই স্বাস্থ্য সেৱা আগবঢ়োৱা শিক্ষিত নিবনুৱাসকলক স্বাস্থ্য বিভাগৰ জৰিয়তে প্ৰশিক্ষণ প্ৰদান কৰি হ'লেও ঔষধৰ ওপৰত থকা চৰ্তাৱলী বাতিল কৰি আধুনিকীকৰণৰ জৰিয়তে শিক্ষিত নিবনুৱাসকলক উপযুক্ত মৰ্যাদা প্ৰদান, বৰ্তমান অনলাইনযোগে ঔষধ যোগান ধৰি থকাৰ সময়ত অসম চৰকাৰে তাৎক্ষণিকভাৱে বলৱৎ হোৱাকৈ দিনে-নিশাই গ্ৰামাঞ্চলত চিকিৎসা সেৱা আগবঢ়োৱা আৰপি অনুজ্ঞা পত্ৰধাৰী ব্যৱসায়ীসকলক চিকিৎসকৰ নিদানপত্ৰ লৈ সকলো ঔষধ যোগান ধৰাৰ অনুমতি প্ৰদানৰ নিৰ্দেশনা জাৰি, আৰপি অনুজ্ঞাপত্ৰলৈ ঔষধৰ দোকান চলাই থকা লোকজনৰ মৃত্যু হ'লে ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শনিবাৰ ৮ মাঘ ১৪২৮ ভাস্কৰাব্দ ২২ জানুৱাৰী ২০২২

# শিক্ষাৰ্থীৰ ক্ষতি

কৰ'নাৰ শেহতীয়া সংক্ৰমণ বৃদ্ধিৰ ঘটনাই আকৌ এবাৰ দেশবাসীক ত্ৰাসিত কৰি তুলিছে। অসমতো পুনৰ এই আপদীয়া ভাইৰাছৰ সংক্ৰমণ বাঢ়িবলৈ ধৰিছে। ক'ভিডৰ এই অবিৰত সংক্ৰমণৰ ফলত সবাতোকৈ ক্ষতিগ্ৰস্ত হৈছে ছাত্ৰ-ছাত্ৰীসকল। ইতিমধ্যে অসমত কৰ'নাৰ কাৰণতে পঞ্চম শ্ৰেণীলৈকে বিদ্যালয়সমূহ পুনৰ বন্ধ ৰখাৰ নিৰ্দেশ দিয়া হৈছে। তদুপৰি বহু বিদ্যালয়ত একাংশ শিক্ষাৰ্থী আৰু শিক্ষক-কৰ্মচাৰী ক'ভিডত আক্ৰান্ত হোৱাৰ ফলতো সম্প্ৰতি বন্ধ হৈ আছে। এইদৰে কৰ'নাৰ পুনৰ আগমনত হঠাতে বিদ্যালয়সমূহ বন্ধ হোৱাত স্বাভাৱিকতে শিক্ষাৰ্থীসকলৰ ক্ষতি হৈছে। বিগত দুবছৰে সৰহভাগ সময়ে শিক্ষানুষ্ঠানসমূহ এইদৰে বন্ধ হৈ থকাত ছাত্ৰ-ছাত্ৰীসকল শ্ৰেণীকোঠাত উপস্থিত থাকি শিক্ষা আহৰণৰ পৰা বঞ্চিত হোৱাই নহয়, শাৰীৰিক আৰু মানসিকভাৱেও সমস্যাগ্ৰস্ত হৈছে। বিদ্যালয় বন্ধ থকাৰ বিপৰীতে অনলাইন অধ্যয়নৰ ব্যৱস্থা কৰা হৈছে যদিও এই অনলাইন শিক্ষা সকলোৰে বাবে সহজলভ্য নোহোৱাৰ অভিযোগ উত্থাপিত হৈ আহিছে। বিশেষকৈ গ্ৰামাঞ্চলৰ বহু শিক্ষাৰ্থীয়ে স্মাৰ্টফোন আৰু ইণ্টাৰনেটৰ অভাৱত অনলাইন শিক্ষা গ্ৰহণ কৰিবলৈ বাধাগ্ৰস্ত হৈছে। তদুপৰি অনলাইনত শিক্ষা আহৰণ কৰিবলৈ গৈ একাংশ ছাত্ৰ-ছাত্ৰী ইণ্টাৰনেট আসক্ত হোৱাৰ অভিযোগো উঠিছে। শিক্ষা আহৰণৰ বাবে অভিভাৱকে সন্তানৰ হাতত ইণ্টাৰনেট সংযোগসহ ম'বাইল ফোন তুলি দিবলৈ বাধ্য হৈছে আৰু একাংশ সন্তানে অধ্যয়নৰ পৰিৱৰ্তে স্মাৰ্টফোনত বিভিন্ন সামাজিক মাধ্যম ব্যৱহাৰ কৰি, অনলাইন গে'ম খেলি অথবা ভিডিঅ' উপভোগ কৰি সময় অপচয় কৰিছে। কৰ'নাৰ পুনৰ আগমনত শিক্ষানুষ্ঠানৰ দুৱাৰ আকৌ বন্ধ হোৱাত সেয়েহে সচেতন অভিভাৱকসকলে সন্তানৰ শৈক্ষিক ভৱিষ্যতক লৈ চিন্তিত হৈছে।

বিশ্ব স্বাস্থ্য সংস্থা (হু)ই প্ৰকাশ কৰা অনুসৰি, কৰ'নাই সোনকালে বিশ্বৰ পৰা বিদায় লোৱাৰ সম্ভাৱনা নাই। আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৰ গৱেষকে এই কথাও কৈছে যে অ'মিক্ৰনেই ক'ভিডৰ অন্তিম প্ৰজাতি নহয় আৰু ভৱিষ্যতে আন প্ৰজাতিৰ কৰ'না ভাইৰাছৰ আগমনৰ যথেষ্ট শংকা আছে। 'হু'ৰ এনে সকীয়নিৰ পাছতো ইউৰোপৰ বিভিন্ন দেশে ক'ভিড বিধি শিথিল কৰাটো প্ৰত্যক্ষ হৈছে। ব্ৰিটেইনত ইতিমধ্যে মাস্ক পৰিধানৰ বাধ্য-বাধকতা পৰিহাৰ কৰা হৈছে আৰু ৰাজহুৱা স্থানত ক'ভিড প্ৰতিষেধক গ্ৰহণৰ প্ৰমাণ-পত্ৰ প্ৰদৰ্শন ব্যৱস্থাও প্ৰত্যাহাৰ কৰা হ'ল। ফ্ৰান্সতো চৰকাৰে দৈনিক এক লাখকৈ লোক কৰ'নাত আক্ৰান্ত হোৱাৰ পাছতো বিদ্যালয়সমূহ খোলা ৰাখিছে। শিক্ষকে বিদ্যালয় বন্ধ ৰখাৰ দাবী জনোৱাৰ পাছতো ফ্ৰান্স চৰকাৰে এনে পদক্ষেপ লোৱা নহ'ব বুলি স্পষ্ট কৰি দিছে। স্পেইনতো কৰ'নাৰ ব্যাপক সংক্ৰমণৰ পাছতো বজাৰ-সমাৰ, শিক্ষানুষ্ঠান, কাৰ্যালয় আদি খোলা ৰখা হৈছে। পৰ্তুগালত দৈনিক ২১ হেজাৰ লোক কৰ'নাত আক্ৰান্ত হৈছে, কিন্তু দেশখনত শিক্ষানুষ্ঠান বন্ধ কৰা নাই। হ'লেণ্ড, স্কটলেণ্ড চৰকাৰেও ইতিমধ্যে পূৰ্বে আৰোপ কৰা ক'ভিড নিষেধাজ্ঞা প্ৰত্যাহাৰৰ সিদ্ধান্ত লৈছে। ইফালে, দেশৰ মহাৰাষ্ট্ৰতো চৰকাৰে অহা সোমবাৰৰ পৰা সকলো শিক্ষানুষ্ঠান পুনৰ মুকলি কৰাৰ সিদ্ধান্ত লৈছে। দৈনিক ৪৩ হেজাৰৰো অধিক লোক ক'ভিড সংক্ৰমিত হোৱাৰ পাছতো মহাৰাষ্ট্ৰ চৰকাৰে প্ৰাক্-প্ৰাথমিকৰ পৰা সকলো শ্ৰেণীত পাঠদান পুনৰ আৰম্ভ কৰাৰ নিৰ্দেশ দিছে। মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই কৈছে যে কৰ'নাৰ স'তে সহাৱস্থান কৰাৰ বিকল্প নাই আৰু সেয়েহে সকলোৰে ক'ভিড বিধি পালন কৰি শিক্ষানুষ্ঠানসমূহক স্বাভাৱিক ৰূপত পৰিচালনা কৰা উচিত।

ক'ভিড পৰিস্থিতিত শিক্ষানুষ্ঠান বন্ধ অথবা খোলা ৰখাক লৈ বিতৰ্কৰ সৃষ্টি হোৱাটো স্বাভাৱিক। এফালে শিক্ষানুষ্ঠান বন্ধ থকাৰ ফলত শিক্ষাৰ্থীৰ অধ্যয়নৰ ক্ষতি হৈছে আৰু আনহাতে বিদ্যালয় খোলা ৰাখিলে মহামাৰীত আক্ৰান্ত হোৱাৰ শংকা। ইউৰোপে আজি ক'ভিড বিধি শিথিল কৰাৰ পদক্ষেপ এই কাৰণতে গ্ৰহণ কৰিব পাৰিলে কিয়নো ইউৰোপৰ প্ৰায়বোৰ দেশতে শিশুৰো টিকাকৰণ সম্পন্ন হৈছে; কিন্তু আমাৰ দেশত বৰ্তমানলৈকে ১৫ বছৰ বয়সৰ নাগৰিকলৈহে প্ৰতিষেধক প্ৰদান কৰা হৈছে। শিশুসকলৰ টিকাকৰণ নোহোৱাৰ ফলত বিদ্যালয়ৰ দুৱাৰ বন্ধ ৰাখিবলৈ চৰকাৰ বাধ্য হৈছে। সেয়েহে পৰিস্থিতি স্বাভাৱিক হ'বলৈ হ'লে প্ৰথমে দেশত শিশুৰ ক'ভিড টিকাকৰণত অগ্ৰাধিকাৰ দিব লাগিব। পশ্চিম বিশ্বই শিশুৰ টিকাকৰণত গুৰুত্ব দিয়াৰ পৰিণতিতে আজি ক'ভিডৰ ব্যাপক সংক্ৰমণৰ মাজতো শিক্ষানুষ্ঠান খোলা ৰাখিব পাৰিছে। দেশৰ শিক্ষানুষ্ঠানলৈ স্বাভাৱিক পৰিৱেশ উভতাই আনিবলৈ হ'লে শীঘ্ৰে শিশুৰ ক'ভিড টিকাকৰণত চৰকাৰে গুৰুত্ব দিয়া উচিত।

## খো লা ম ঞ্চ

# অসমীয়া ভাষাৰ অস্তিত্বৰ সংকট এতিয়াও আছেনে ?

**এটা** জাতিৰ ভাষা এটা কথিত বা লিখিত দুয়োটা ৰূপতে জীয়াই থাকে। কথিত ভাষা এটা যদিও ভাষা জীয়াই ৰখাৰ সম্বল তথাপি লিখিত ভাষাটো হ'ল জীয়াই থাকে সাহিত্যৰ মাধ্যমেৰে। আমাৰ সকলোৰে জ্ঞাত যে ভাষা পৰিৱৰ্তনশীল আৰু গতিশীলতাই ভাষা এটাক প্ৰাণ দিয়ে, স্থিতিশীল ভাষা এটা প্ৰাণ পাই কেতিয়াও নুঠে। অসমীয়া ভাষা হ'ল ইন্দো-ইউৰোপীয় ভাষা গোষ্ঠীৰ মাগধা অপভ্ৰংশৰ এটা ভাষা। সময়ৰ সোঁতত যুগৰ পৰিৱৰ্তনৰ লগত আমাৰ এই সুৱদি-সুৱীয়া ভাষাটোৰ যেন সংকট আহি পৰিছে। অসমীয়া ভাষাৰ অস্তিত্বলৈ সংকট যে নামি আহিছে তাৰ তথ্য লোকপিয়লে স্পষ্ট কৰি দিয়ে। বৰ্তমান বহুত ল'ৰা-ছোৱালীয়ে বহু শব্দৰ অৰ্থ নাজানে আৰু তাতকৈ ডাঙৰ কথা জ্যেষ্ঠসকলৰ বহুতে সেই অসমীয়া নজনাটো গৌৰৱ বুলি ভাৱে আৰু গৌৰৱেৰে কয় বুজি নাপায় বা নাজানে; কিন্তু ই কোনো গৌৰৱৰ কথা নহয়। ই এক লজ্জাৰহে কথা। ইংৰাজী মাধ্যম হ'লেও ল'ৰা-ছোৱালীক ঘৰত অসমীয়া শিকাব নোৱাৰাৰ কোনো কাৰণ নাই। আমি আইৰ মুখৰ ভাষাটো ধৰি ৰাখিব পাৰিলেহে নিজে ভাষাৰ চহকী হ'ব পাৰিম। নিজৰ ভাষাক সন্মান কৰিব শিকিলেহে আনৰ ভাষাক সন্মান কৰিব পাৰিম। অসমৰ মানুহ হৈও বৰাক উপত্যকাত অসমীয়া বেনাৰত কলা ৰং সনা এক ডাঙৰ অপমান। হিংসা-খেয়াল-বিদ্বেষ নোহোৱাকৈ ভাষাক আন্তৰিকতাৰে সন্মান কৰা উচিত। ভাষা হ'ল মেৰুদণ্ড। অনুপ্ৰৱেশৰ ফলত জনগাঁথনি সলনি হোৱা পৰিলক্ষিত হয় আৰু ই সমানে অসমীয়া ভাষাৰ সংকট হৈও থিয় দিছে। হিন্দু বাংলাদেশীক নাগৰিকত্ব দিয়াৰ ফলতো ভাষাৰ ক্ষেত্ৰত সংকটৰ সৃষ্টি হ'ব পাৰে ভৱিষ্যতলৈ। ইংৰাজ শাসকৰ সময়ত তীব্ৰ ভাষাৰ সংকটৰ সন্মুখীন হৈ অসমীয়া ভাষা অৰুণোদয় যুগত ঠন লৈছিল। অসমীয়া ৰাইজ আৰু মিছনেৰীসকলৰ প্ৰচেষ্টাত অসমীয়া ভাষা প্ৰতিষ্ঠিত হৈছিল; কিন্তু তাৰ আগত বঙালী ভাষা চৰকাৰী ভাষা হিচাপে ব্যৱহাৰ হৈছিল। ই এক ডাঙৰ সংকট আছিল কিন্তু সেই সংকট যেন আজিও বহুত ক্ষেত্ৰত মষিমূৰ হোৱা নাই। সময়ে সময়ে অসমীয়া ভাষাটোক লৈ সংকট আহি পৰা দেখা যায় আৰু যাৰ কাৰণে আন্দোলন কৰিব লগা পৰ্যন্ত হয়। আমি আমাৰ মাতৃভাষাৰ সংকট মোচন কৰিবলৈ হ'লে ভাষাটো শুদ্ধকৈ শিকিব লাগিব। উপজিয়ে আমি শুনা ভাষাটো আমাৰ, আমি লাহে লাহে ক'বলৈ লওঁ আৰু আমি হাড়ে-হিমজুৰে ভালপাওঁ, শ্ৰদ্ধা কৰো; কিন্তু বৰ্তমান সময়ৰ প্ৰভাৱত আমি নানা সংকটৰ সন্মুখীন হৈ থকা দেখা পাওঁ আমাৰ ভাষাটো। নিজৰ সংশোধনেৰে আমি আমাৰ ভাষাৰ অস্তিত্বৰ সংকট দূৰ কৰিব পাৰিম। নৱ প্ৰজন্মক যদি আমি ভাষা-সাহিত্যৰ জ্ঞান প্ৰতি উৎসাহী কৰি তোলো। যদি ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালীয়ে নাজানো-নোৱাৰো বুলি নকয় অসমীয়া সুৱদি শব্দবোৰ। সম্পৰ্কৰ ক্ষেত্ৰখনত যদি সম্বন্ধৰ এনাজৰীৰে মাতযাৰ দিয়ে তেন্তে নিশ্চয়কৈ ভাল হ'ব। ভাষাৰ সংকট কেতিয়াও মাধ্যম হ'ব নোৱাৰে বুলি মোৰ ভাব হয়। অকল বিদ্যালয়ত নহয় আমি ঘৰৰ পৰাই আৰম্ভ কৰিব পাৰো অসমীয়া ভাষাৰ প্ৰকৃত শিক্ষা। বিদ্ৰোহ ভাব নাৰাখি একতাৰ এনাজৰীৰে আমি ভাষাৰ সংকটৰ ক্ষেত্ৰত থিয় দিব পাৰো। বহুক্ষেত্ৰতে দেখা যায় নৱপ্ৰজন্মৰ অসমীয়া ভাষাৰ প্ৰতি অনীহা কিন্তু মোৰ ধাৰণা ই সম্পূৰ্ণ সত্য নহয়। কিয়নো বহু ক্ষেত্ৰত নৱ প্ৰজন্মৰ মাজতো দেখা যায় অসমীয়া ভাষাৰ প্ৰতি শ্ৰদ্ধা-ভালপোৱা। আমি ইজনে-সিজনক দোষাৰোপ কৰি থাকিলে নহ'ব। মাতৃভাষাৰ প্ৰতি শ্ৰদ্ধা- ভালপোৱা আমি ঘৰখনৰ পৰাই আৰম্ভ কৰিব লাগিব। সৰু ল'ৰা-ছোৱালী বা ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীক আমি ডাঙৰে বা অভিভাৱকে নোৱাৰো বা নাজানো বুলি কোৱা কথাটো ভালদৰে বুজাই দিব লাগে আৰু যদি গৌৰৱবোধ নকৰো যে মোৰ ল'ৰা বা ছোৱালীয়ে অসমীয়া নাজানে তেতিয়া নিশ্চয় পৰিশুদ্ধি হ'ব আৰু ভাষাৰ ক্ষেত্ৰত সংকট মোচন হ'ব বুলি মোৰ ধাৰণা। বিভিন্ন ক্ষেত্ৰৰ বিভিন্ন অৰাজকতা, আঁৰিয়াআঁৰি সংকীৰ্ণতাইহে ভাষাৰ ক্ষেত্ৰত ভাষাৰ অস্তিত্বৰ ক্ষেত্ৰত সংকট আনিছে বুলি মোৰ ধাৰণা হয়।


**জুৰি গোস্বামী শৰ্মা,** *লেখিকা*

*ফোন ঃ ৬৯০১৩৪৭৪৩৮*

## নুগুনো নলওঁ গম

# আন্দোলনজীৱী জাতীয়তাবাদীৰ আত্মপ্ৰতাৰণা





## অৱলোকন
**ড° জয়কান্ত শৰ্মা**

**এক**

অলপতে আমেৰিকাৰ এটা শল্য চিকিৎসকৰ দলে গাহৰিৰ হৃদপিণ্ড মানুহৰ শৰীৰত সফলতাৰে সংৰোপণ কৰি বিশ্বজোৰা চাঞ্চল্যৰ সৃষ্টি কৰিছিল। 'University of Maryland School of medicine'ৰ ডাঃ বাৰ্টলি গ্ৰিফিথে দাবী কৰিছে, বিগত ছয়সপ্তাহতকৈও অধিক কাল ধৰি হৃৎপিণ্ড-হাওঁফাওঁ-বাইপাছ-মেচিনৰ বলত উশাহ লৈ থকা মৃত্যুমুখী ৰোগী ডেভিড বেনেটৰ শৰীৰত সাত জানুৱাৰী তাৰিখে আঠ ঘণ্টাজোৰা অস্ত্ৰোপচাৰৰ জৰিয়তে গাহৰিৰ হৃৎপিণ্ডৰ সংৰোপণ কৰা হৈছিল; ৭২ ঘণ্টাতকৈও অধিক সময় ৰোগীজনে স্বাভাৱিক ৰক্তচাপত উশাহ-নিশাহ লৈ থকাটোৱে এই সংৰোপণৰ সাৰ্থকতা সাব্যস্ত কৰিছে। হয়তো অচিৰে মানৱ-অংগ সংৰোপণৰ চাহিদা গাহৰিৰ অংগেৰে পূৰণ কৰিব পৰা হ'ব।

পিছে ডাঃ বাৰ্টলিৰ অস্ত্ৰোপচাৰটোক এটা নতুন অভিলেখ বুলি দাবী কৰা হ'লেও তেনে এটা যুগান্তকাৰী অস্ত্ৰোপচাৰ প্ৰথমবাৰৰ বাবে সম্পন্ন কৰিছিল অসমৰ ডাঃ ধনীৰাম বৰুৱাইহে তাকো ১৯৯৫ তে। মৃত্যুমুখী ৰোগী ৩২ বছৰীয়া পূৰ্ণ শইকীয়াৰ দেহত গাহৰিৰ হৃৎপিণ্ড সংৰোপণ কৰি তেওঁক সাতদিন পৰ্যন্ত জীয়াই ৰাখিব পৰা গৈছিল। ডাঃ বৰুৱাৰ সহযোগী আছিল হংকঙৰ ডাঃ জনাথন হো। পিছে তদানীন্তন প্ৰফুল্ল কুমাৰ মহন্তৰ চৰকাৰে তেওঁলোকৰ বিৰুদ্ধে আইন ভংগ কৰাৰ অভিযোগ তুলি দুয়োজনকে কাৰাবন্দী কৰি ৰাখিছিল। সুদীৰ্ঘ ৪০ দিন পাছত জামিন লৈ গুৱাহাটী কাৰাগাৰৰ পৰা মুক্ত হৈ ডাঃ বৰুৱাই দেখিলে, ইতিমধ্যে সোণাপুৰস্থিত তেওঁৰ 'Dr. Dhaniram Barua Heart Institute and Research Centre' প্ৰতিষ্ঠানটো দুৰ্বৃত্তই জুঁই দি ভস্মীভূত কৰি থৈছে।

সেই সময়ত আঞ্চলিকতাবাদী অগপ চৰকাৰৰ এনে জঘন্য কাণ্ড-কাৰখানাৰ বিৰুদ্ধে মাত মাতোতাৰ সংখ্যা নিচেই নগণ্য আছিল। অৱশ্যে বৰেণ্য সাংবাদিক কনকসেন ডেকাৰ 'দৈনিক অগ্ৰদূত'ৰ ভূমিকা আছিল যথাৰ্থতে সক্ৰিয় আৰু প্ৰশংসনীয়। মই নিজেও ডাঃ বৰুৱাৰ কৃতিত্ব আৰু মহন্ত চৰকাৰৰ মূৰ্খামিৰ বিষয়ে একাধিক প্ৰৱন্ধ লিখিছিলো। সেইবোৰ 'নীতি-অনীতিৰ প্ৰশ্ন' গ্ৰন্থত সন্নিৱিষ্ট হৈ আছে।

এতিয়া ডাঃ ধনীৰাম বৰুৱা মগজুৰ ৰক্তক্ষৰণৰ ফলত বাক্‌ৰুদ্ধ হৈ আছে; কিন্তু তেওঁৰ সহযোগী ডাঃ গীতাই কৈছে, খবৰটোৱে যে তেওঁক আনন্দিত কৰি তুলিছে আৰু ২৫ বছৰ পূৰ্বে তেওঁ নিজে সম্পন্ন কৰা অস্ত্ৰোপচাৰটোৰ বিষয়ে সকলো কথা মনত আছে, সেই বাৰ্তা ডাঃ বৰুৱাই দিব পাৰিছে। অৱশ্যে তেওঁ মুখ ফুটাই ক'ব পৰা নাই, বান্দৰে নাৰিকলৰ মোল কি বুজে?

**দুই**

আঠ জানুৱাৰীত গুৱাহাটীত ভাৰতীয় সাহিত্য পৰিষদ, অসমৰ উদ্যোগত পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ডেৰশ বছৰীয়া জন্মজয়ন্তী উদ্‌যাপন কৰা হ'ল। অসমীয়া ভাষাৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাৰ দিশত পণ্ডিতগৰাকীৰ অৱদান অতুলনীয় আছিল। ৫৬ বছৰীয়া জীৱন কালৰ ভিতৰতে তেওঁ আঠটা খণ্ডৰ 'অসমীয়া ভাষাৰ চানেকি', 'পুৰণি অসম বুৰঞ্জী' আদি মূল্যৱান গ্ৰন্থ ৰচনা কৰাৰ উপৰি 'কথা ভাগৱত'ৰ সম্পাদনা আৰু হেমচন্দ্ৰ বৰুৱা ৰচিত 'হেমকোষ'ৰ প্ৰকাশনতো জড়িত আছিল। অসম বুৰঞ্জী লিখাত তেওঁ উইলিয়াম গেটলৈ সহযোগিতা আগবঢ়াইছিল। ড° মালিনী গোস্বামীয়ে কৈছে- 'যথাসম্ভৱ সূক্ষ্মদৰ্শী বিভাজনেৰে অসমীয়া সাহিত্যৰ ইতিহাস ৰচনা কৰা প্ৰথমগৰাকী ব্যক্তি আছিল পণ্ডিত হেমচন্দ্ৰ গোস্বামী।'

'ৰবীন্দ্ৰ ভৱন'ত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট সাহিত্যিক কনকসেন ডেকাই সভাপতিৰ আসনৰ পৰা মন্তব্য কৰে যে সাম্প্ৰতিক কালত একাংশ লোকে অসমীয়া ভাষা সংকটত বা ভাষাটো হেৰাই যাব বুলি কৰা আশংকাৰ কোনো ভিত্তি নাই। তেওঁ আঙুলিয়াই দিয়ে যে বিশ্বৰ আটাইতকৈ বেছি প্ৰচলিত ২৫ টা ভাষাৰ অন্যতম অসমীয়া; আমি যদি ভাষাটোত অঞ্চলটোৰ জনজাতীয় ভাষাসমূহৰ উপযুক্ত শব্দবোৰ উদাৰচিত্তে সুমুৱাই ল'লোহেঁতেন, তেতিয়াহ'লে অসমীয়া ভাষা আৰু অধিক সমৃদ্ধ হ'লহেঁতেন। অসমৰ প্ৰায়বোৰ অঞ্চলতে বিভিন্ন ভাষা-ভাষীৰ লোকে অসমীয়াক সংযোগী ভাষাৰূপে গ্ৰহণ কৰালৈ চাই গোষ্ঠী সংঘাত দূৰ কৰাৰ মাজতে অসমীয়া ভাষাৰ উত্তৰণৰ পথ নিহিত আছে।

পিছে এনে বিজ্ঞানসন্মত দৃষ্টিভংগীলৈ আন্দোলনজীৱী জাতীয়তাবাদীসকলে ভ্ৰূক্ষেপ নকৰে; হয়তো তেওঁলোকৰ বহুতে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ নামকে শুনা নাই, 'হেমকোষ'খনো দেখা নাই। তেওঁলোকক লাগে মাথোন শ্ল'গান; সৃষ্টিশীল আৰু গঠনমূলক সমালোচনাৰ সলনি তেওঁলোকে বিচাৰে নতুন নতুন পৰিৱেশ।

**তিনি**

সিদিনা পঢ়িবলৈ পালো, এগৰাকী বাওঁপন্থী জাতীয়তাবাদী বুদ্ধিজীৱীয়ে তেওঁৰ লেখাটোত 'ভাষা হেৰুওৱাৰ বেদনা'ত ইনাই-বিনাই কান্দিছে। পিছে তেওঁ দাঙি ধৰিছে জাৰ্মানসকলে ফ্ৰান্সৰ সীমান্তৱৰ্তী অঞ্চল দখল কৰি স্কুল সমূহত ফৰাচী ভাষাৰ পৰিৱৰ্তে জাৰ্মান ভাষা প্ৰচলন কৰিবলৈ নিৰ্দেশ দিয়াৰ ঐতিহাসিক দৃষ্টান্ত। দেখিলেনে পাণ্ডিত্যৰ চমক! অৱশ্যে তেওঁ হেনো সপোনত অসমী আইক দেখে; অসমী আয়ে ভাষাটো ধৰি ৰাখিব নোৱৰা বাবে বাৰুকৈয়ে ককৰ্থনা কৰিছে তেওঁক;- ঘৰে-পৰে মিলি যে আইৰ মুখৰ মাতষাৰ ডকা-হকা দি কাঢ়ি নি মোক চিৰকালৰ বাবে বোবা কৰাৰ পাং পাতিছে, ধিক্কাৰ তোক।

বাঃ, কি যে ভাষিক জাতীয়তাবাদৰ আবেগ; মন যায় তেওঁৰ সন্তানক কোন মাধ্যমৰ বিদ্যালয়ত পঢ়ালে জানিবলৈ। অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰ এখনৰ পাছত আনখন যে বন্ধ হৈ গৈছে, ছাত্ৰৰ অভাৱত নে শিক্ষকৰ অভাৱত? পিছে মজাৰ কথাটো হ'ল, যিখন দৈনিক বাতৰিকাকতে বুদ্ধিজীৱীগৰাকীৰ বেদনা বৰ বৰ হৰফেৰে প্ৰকাশ কৰিলে তেওঁলোকে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ ডেৰশবছৰীয়া জন্মজয়ন্তী উদ্‌যাপনৰ বাতৰিটোকে প্ৰকাশ কৰা নাই। এইবোৰ অনুষ্ঠানৰ মাজত জাতীয়তাবাদৰ আবেগ উথলি নুঠে বুলিয়েই হ'বলা!

**চাৰি**

সঞ্জীৱ সভাপণ্ডিতে 'স্বিজ'ফ্ৰেনিয়া' প্ৰবন্ধটোত সুন্দৰকৈ উপস্থাপন কৰিছে আন্দোলনজীৱী জাতীয়তাবাদীৰ 'খালে ঔ, নিলে ঔ, দিল্লীয়ে শুহি শেষ কৰিলে ঔ' আদি চিঞৰ-বাখৰৰ স্বৰূপ। এয়া হেনো এক প্ৰকাৰৰ মানসিক ৰোগ; 'অসমীয়া জাতিৰ অস্তিত্ব ঘোৰ সংকটত', 'অসমীয়া ভাষা মৃত্যুৰ দুৱাৰ ডলিত' আদি শ্ল'গানৰ উদ্দেশ্য হ'ল ভয়াৰ্ত মানুহৰ সৃষ্টি। আন্দোলনজীৱী জাতীয়তাবাদীৰ মূলধনেই হ'ল ভয়াৰ্ত মানুহ। পিছে কোনটো অসমীয়া জাতিৰ কথা কয় তেওঁলোকে? তাত কোন কোন আছে, কোন কোন নাই?

'স্বিজ'ফ্ৰেনিয়া'ত কেতবোৰ প্ৰাসংগিক প্ৰশ্ন উত্থাপন কৰা হৈছে। অসমত কোনোবাই কাৰোবাক অসমীয়া কথা কোৱাত বা অসমীয়া ভাষা শিকাত বা অসমীয়া নাটক-চিনেমা চোৱাত বা অসমীয়া কিতাপ-আলোচনী পঢ়াত বা অসমীয়াত লেখা-মেলা কৰাত বাধা দিছে নেকি? যদি দিয়া নাই, তেনেহ'লে সংকটটো ক'ত। অসমীয়াৰ কৰ্ম-সংস্কৃতি অসমীয়াই গঢ়ি নুতুলিলে আনে গঢ়ি দিবহি নেকি? প্ৰকৃততে অসমীয়া মানুহে বিশ্বৰ গতি-প্ৰকৃতি অনুধাৱন কৰিবলৈ অক্ষম, ইতিহাসৰ জ্ঞানশূন্য আৰু বাস্তৱ জ্ঞান বিবৰ্জিত হোৱা বাবে তেওঁলোক 'স্বিজ'ফ্ৰেনিয়া'ত আক্ৰান্ত হৈ ভয়াতুৰ মানুহ ৰূপে চিহ্নিত হৈছে। সেইবাবে সঘনাই কৈ থাকে, —অসমীয়া জাতিটো মৰিবই।

**ৰাজপথত চিঞৰ-বাখৰ কৰি অসমীয়া ভাষা সুপ্ৰতিষ্ঠিত কৰিব নোৱাৰিব। এই ক্ষেত্ৰত আমি সততে মিছনেৰীসকলক কৃতজ্ঞতাৰে সোঁৱৰণ কৰিলেও মনত ৰাখিব লাগিব, তেওঁলোকৰ মূল উদ্দেশ্য আছিল খ্ৰীষ্টধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ। অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অসমীয়া জাতীয়তাবাদীসকলেও তেনে কৰ্মপদ্ধতিহে ল'ব লাগিব**

**পাঁচ**

'চৰ-চাপৰি অঞ্চলত শিক্ষা বিস্তাৰৰ ৰূপৰেখা' উপস্থাপন কৰি খবিৰ আহমেদে এটা জাতীয় দায়িত্ব পালন কৰিছে। চৰ-চাপৰি অঞ্চলত যিবোৰ সামাজিক বিসংগতি বিশেষভাৱে পৰিলক্ষিত হয়, তাৰ মূল কাৰণ হ'ল শিক্ষাৰ অভাৱ। সকলো সমস্যাৰ সমাধান এটাই, মাথোন শিক্ষা, শিক্ষা আৰু শিক্ষা। সেইবুলি মান্ধাতা যুগীয় ধৰ্মীয় শিক্ষা বা সাম্প্ৰদায়িকতাবাদৰ শিক্ষা মূলসুঁতিৰ শিক্ষাৰ বিকল্প হ'ব নোৱাৰে, সিও সঁচা। ঐতিহাসিক দৃষ্টিকোণেৰে সেইটো বাৰ্তা সমাজলৈ প্ৰেৰণ কৰাৰ ইংগিত প্ৰবন্ধটোত আছে।

আহমেদে আঙুলিয়াই দিছে, অসমীয়া মিঞা অঞ্চলত ১৮৯৯ খ্ৰীষ্টাব্দতে অসমীয়া মাধ্যমৰ প্ৰথমখন প্ৰাথমিক বিদ্যালয় স্থাপিত হৈছিল, মৈৰাবাৰী বালক প্ৰাথমিক বিদ্যালয়। তাৰে পাছৰে পৰা বিভিন্ন মিঞাপ্ৰধান অঞ্চলত অসমীয়া মাধ্যমৰ বিদ্যালয় গঢ় লৈ উঠিবলৈ ধৰে। এই বিস্তাৰণ সহজসাধ্য নাছিল। স্থায়ী ঘৰৰ অভাৱত শিক্ষাপ্ৰেমী লোকৰ চ'ৰাঘৰতে বিদ্যালয় স্থাপন কৰা হৈছিল, শিক্ষকৰ অভাৱত আন ঠাইৰ পৰা অভিজ্ঞ শিক্ষকক বিশেষভাৱে মাতি নিয়া হৈছিল ইত্যাদি। এনেদৰে প্ৰাক্ স্বাধীনতা কালতেই চৰ-চাপৰি অঞ্চলত শতাধিক বিদ্যালয় স্থাপিত হোৱাৰ ফলতে মিঞাপ্ৰধান অঞ্চলত এচাম উচ্চ শিক্ষিত লোকৰ সৃষ্টি হৈছিল, পৰৱৰ্তী কালত তাৰে কিছু সংখ্যকে সামাজিক প্ৰতিষ্ঠা লাভ কৰাই নহয়, বৌদ্ধিক নেতৃত্বও দিব পাৰিছে। আহমেদৰ এই বিশ্লেষণ প্ৰশংসনীয়। নতুন শিক্ষানীতিৰ স'তে সংগতি ৰাখি কেন্দ্ৰীয় চৰকাৰে দেশজোৰা কিতাপ পঢ়াৰ অভিযান আৰম্ভ কৰিছে। এক জানুৱাৰীৰ পৰা ১০ এপ্ৰিললৈ চলিবলগীয়া 'পঢ়ে ভাৰত' অভিযানৰ উদ্দেশ্য হ'ল- ছাত্ৰ-ছাত্ৰীৰ মাজত কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তোলা। এইটো এক প্ৰকাৰৰ বৌদ্ধিক আন্দোলন, যিটোত শিশুৰ পিতৃ-মাতৃ তথা শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে সমাজৰ বিভিন্ন শ্ৰেণীৰ লোক সহযোগী হোৱাটো বাঞ্ছনীয়। কাৰণ সত্যটো হ'ল স্বৰাজোত্তৰ কালত ৰাষ্ট্ৰমাতা আৰু অন্যান্য আঞ্চলিক ভাষাৰ উত্তৰণ ঘটাবলৈ প্ৰয়াস চলাই থকা হ'লেও ইংৰাজী ভাষাৰ আধিপত্যই সেই উদ্যম স্তিমিত কৰি ৰাখিছে। এতিয়া 'পঢ়ে ভাৰত' কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে আন্দোলনজীৱী জাতীয়তাবাদীসকলে কেনে ভূমিকা গ্ৰহণ কৰে, সেইটো লক্ষ্যণীয় হ'ব। কাৰণ 'কথাৰে নহয় বন্ধু, কামত পৰিচয়'।

হওঁতে অসমৰ ছেগা-চোৰোকাকৈ কিতাপ পঢ়াৰ আন্দোলন চলি থাকে, কিন্তু সেইবোৰ আন্দোলনৰ আগ-গুৰি পাবলৈ নাই। আশা কৰা হৈছে, ৪০ দিনীয়া 'কিতাপ পঢ়ে' আন্দোলনৰ ৰূপৰেখা বিভিন্ন পক্ষক জড়িত কৰি প্ৰস্তুত কৰা হ'ব। তাৰ বাবে কৰ্মশালা আৰু প্ৰশিক্ষণ শিবিৰো আৱশ্যক হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীক মাতৃভাষাত ৰচিত বিভিন্ন স্বাদৰ পুথি পঢ়িবলৈ প্ৰেৰণা যোগোৱাটো এটা বৃহৎ প্ৰত্যাহ্বান। চৰকাৰে বিভিন্ন জিলাত মুঠতে এশখন ইংৰাজী মাধ্যমৰ বিদ্যালয় স্থাপন কৰিব, তাকে লৈ এচাম জাতীয়তাবাদী সংগঠন জাঙুৰ খাই উঠিছে। পিছে ইয়াৰ আঁৰত এটা বাস্তৱসন্মত যুক্তি নথকা নহয়। এতিয়ালৈ আৰ্থিকভাৱে স্বচ্ছল পৰিয়ালৰ শিশুৱেহে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত ইংৰাজী মাধ্যমৰ শিক্ষা ল'ব পাৰিছিল; সেইটোৱে সমাজত দুটা শ্ৰেণীৰ সৃষ্টি কৰিছে, সিও সঁচা। এতেকে নিম্ন মধ্যবিত্ত তথা দৰিদ্ৰ পৰিয়ালৰ শিশুৱেও ইংৰাজী মাধ্যমৰ শিক্ষা গ্ৰহণ কৰিবলৈ সুযোগ পোৱাটো দোষণীয় হ'ব নোৱাৰে। তদুপৰি যেনেকৈ মাতৃভাষা মাধ্যমৰ বিদ্যালয়ত ইংৰাজী ভাষাৰ ভাল শিক্ষা হ'ব পাৰে, তেনেকৈ ইংৰাজী মাধ্যমৰ বিদ্যালয়তো উন্নত মানৰ মাতৃভাষাৰ শিক্ষা নিশ্চয় হ'ব পাৰে।

গুজৰাট আৰু কৰ্ণাটকত (সম্ভৱতঃ দুই-এক আন ৰাজ্যতো) এনে পৰীক্ষা-নিৰীক্ষা ইতিমধ্যে আৰম্ভ হৈছে। নিঃসন্দেহে অসমৰ বাবে এইটো এটা জাতীয় প্ৰত্যাহ্বান; পিছে প্ৰত্যাহ্বান অবিহনে জাতীয় উত্তৰণো সম্ভৱ নহয়।

এই বিশ্লেষণৰ মাজেৰে উপলব্ধি কৰিবলগীয়া বিন্দুটো হ'ল, অসমীয়া ভাষা সু-প্ৰতিষ্ঠিত হ'ব লাগিলে বিদ্যালয়ত ভাষাটো পঢ়ুওৱাৰ ভাল ব্যৱস্থা থাকিব লাগে। তেনে পৰিৱেশ এসময়ত অৰুণাচল (তেতিয়াৰ নেফা) প্ৰদেশ, গাৰো পাহাৰ আৰু নগা পাহাৰত আছিল; কিন্তু অসমীয়া শিক্ষকৰ অভাৱতে সামাজিক সমন্বয়ৰ বাৰ্তা বৌদ্ধিক সমাজে দিব নোৱাৰিলে। ৰাজপথৰ আন্দোলনৰ সুফল ৰূপে অসমীয়া ভাষা ৰাজ্যভাষা ৰূপে ঘোষিতহে হ'ল, প্ৰয়োগ কৰা নহ'ল। আনকি সেই কাৰণতে অসমখন খণ্ড-বিখণ্ড হ'ল।

আজিও অসমৰ ভালেমান জনগোষ্ঠীয় অঞ্চলত সমস্যাটো একে ধৰণৰ। ৰাজপথত চিঞৰ-বাখৰ কৰি অসমীয়া ভাষা সুপ্ৰতিষ্ঠিত কৰিব নোৱাৰিব। এই ক্ষেত্ৰত আমি সততে মিছনেৰীসকলক কৃতজ্ঞতাৰে সোঁৱৰণ কৰিলেও মনত ৰাখিব লাগিব, তেওঁলোকৰ মূল উদ্দেশ্য আছিল খ্ৰীষ্টধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ। অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অসমীয়া জাতীয়তাবাদীসকলেও তেনে কৰ্মপদ্ধতিহে ল'ব লাগিব। এতিয়া নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি অনুসৰি সকলো বিদ্যালয়তে প্ৰাথমিক পৰ্যায়ৰ শিক্ষা স্বীকৃত মাতৃভাষাৰ মাধ্যমত প্ৰদান কৰাটো বাধ্যতামূলক হ'ল। এই শিক্ষানীতিৰ প্ৰয়োগে ভাষাভিত্তিক ৰাজ্য গঠনৰ ফলত সৃষ্টি হোৱা বিসংগতি দূৰ কৰিব বুলি আশা কৰা হৈছে।

*ফোন ঃ ৯৪৩৫৫-৫৪২০৫*

# হিন্দু ধৰ্ম সংকটত ?

**যোৱা** ১৭ জানুৱাৰীৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত 'হিন্দু ধৰ্ম সংকটত?' শীৰ্ষক নিৱন্ধটোৰ নিৱন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই এটা স্পৰ্শকাতৰ বিষয় নিৰপেক্ষভাৱে বিশ্লেষণ কৰি যি মত উপস্থাপন কৰিছে, সেয়া সঁচাকৈ প্ৰশংসনীয়।

হিন্দু ধৰ্ম! হিন্দু ধৰ্মৰ সংক্ৰান্তত বিভিন্ন সময়ত বিভিন্নজনে বিতৰ্কৰ সূচনা কৰি আহিছে। কিছুমানে কয় 'হিন্দু ধৰ্ম বুলি কোনো ধৰ্ম নাই।' আন কিছুমানে ক'ব খোজে 'হিন্দু এটা সংস্কৃতি, ধৰ্ম নহয়।' আৰু আন কিছুমানে, ক'ব খোজে 'হিন্দুস্থানত বসবাস কৰা লোকসকলে আচৰণ কৰা ধৰ্মৰ নাম হিন্দু ধৰ্ম।' ইয়াৰ ঐতিহাসিক বিশ্লেষণ কৰিলে দেখা যায় যে সিন্ধু উপত্যকাৰ বাসিন্দাসকলে বেদৰ আধাৰত 'সনাতন ধৰ্ম' আচৰণ কৰি উপাসনা কৰিছিল। বহিৰাগত লোকসকলে সিন্ধু উপত্যকাৰ লোকসকলক 'হিন্দু' বুলি সম্বোধন কৰিছিল। তেওঁলোকে আচৰণ কৰা ধৰ্মক 'হিন্দু সনাতন ধৰ্ম হিচাপে অভিহিত কৰিছিল। কালক্ৰমত হিন্দু সনাতন ধৰ্মই প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিছিল।

সনাতন ধৰ্ম বুলিলে যিকোনো ধৰ্মৰ বিশেষ সম্প্ৰদায়ক নুবুজায়। সনাতন পৰমেশ্বৰৰ লগত সনাতন সম্বন্ধৰে থাকি জীৱসমূহে কৰি থকা চিৰন্তন কৰ্মৰাজিকহে বুজায়। সনাতন ধৰ্মই জীৱসমূহৰ চিৰন্তন যি বৃত্তি তাকহে বুজায়। ৰামানুজাচাৰ্যই সনাতন ব্যাখ্যা এইদৰে আগবঢ়াইছে, 'যাৰ কোনো আৰম্ভণি নাই, আৰু শেষো নাই, তাকে সনাতন বোলা হয়। সনাতন ধৰ্মৰ বাহিৰে বাকী ধৰ্মবিশ্বাসসমূহৰ মানৱ ইতিহাসৰ কোনো এটা সময়ত আৰম্ভণি হোৱাটো সম্ভৱপৰ; কিন্তু সনাতন ধৰ্মৰ ইতিহাসৰ কোনো আৰম্ভণি নাই, কাৰণ জীৱসমূহৰ লগত ই চিৰন্তনভাৱেই থাকে।

সংস্কৃত ভাষাত ধৰ্ম শব্দৰ ধাতুগত অৰ্থ হ'ল— কোনো এটা বিশেষ বস্তুৰ লগত যি গুণটো সদায় থাকে, তাকে তাৰ ধৰ্ম বোলে। জীৱসমূহৰ সাৰ বস্তুটো হ'ল জীৱৰ চিৰন্তন গুণ আৰু সেই চিৰন্তন গুণটোৱেই হ'ল জীৱৰ সনাতন ধৰ্ম। পৰমেশ্বৰেই হ'ল পৰম ভোগ কৰোতা আৰু জীৱবিলাক তেওঁৰ ভৃত্য। তেওঁৰ উপভোগৰ বাবে জীৱৰ সৃষ্টি হৈছে আৰু যদি নিত্য উপভোগ বা সনাতন লীলাৰ লগত সেৱকৰূপে জীৱই নিজকে জড়িত কৰিব পাৰে, তেতিয়া জীৱই সুখ অনুভৱ কৰিব পাৰে। সনাতন ধৰ্মৰ সংকট কেতিয়াও আহিব নোৱাৰে। কাৰণ সনাতন চিৰন্তন সত্য। সত্যৰ বিনাশ নাই। সত্যক অসত্যৰে ঢাকি ৰাখিলেও সত্যৰ প্ৰকাশ হ'বই।

ঈশ্বৰৰ সৃষ্টিত মানুহক জীৱসমূহৰ ভিতৰত জীৱশ্ৰেষ্ঠ হিচাপে চিহ্নিত কৰিছে। জীৱশ্ৰেষ্ঠ মানুহক ঈশ্বৰ চিন্তা কৰিব পৰা ক্ষমতা প্ৰদান কৰিছে। গতিকে মানুহে সনাতন ধৰ্মৰ প্ৰকৃত অৰ্থ বুজি সেৱাৰ মনোভাৱেৰে সাত্তিক কৰ্ম কৰা উচিত। কাৰণ মানুহ প্ৰকৃতিগতভাৱে চিন্তাপৰায়ণ, মানুহ প্ৰকৃতিগতভাৱে হিংসা পৰায়ণ নহয়।



সকলো ধৰ্মৰে তত্ত্বদৰ্শন একে। সকলো ধৰ্মৰ মানুহে এক সৰ্বশক্তিমান শক্তিক বিশ্বাস কৰে। সেই শক্তিক বিভিন্ন ৰূপ দি ভিন ভিন গুণ আৰু নামেৰে বিভূষিত কৰি প্ৰাৰ্থনা জনায়। ঈশ্বৰ-উপাসনাৰ ভিন্নতাৰ বাবে বৈষম্যতাৰ সৃষ্টি হয়। নিজৰ নিজৰ ধৰ্ম আৰু আচৰণ সৰ্বশ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিবলৈ গৈ আন ধৰ্মৰ প্ৰতি সহজ হ'ব নোৱাৰে। সেয়ে বিভেদৰ মূল কাৰণ। নিজৰ ধৰ্ম আৰু আচৰণৰ প্ৰতি মানুহক আকৰ্ষণ কৰিবলৈ নানা কৌশল অৱলম্বন কৰি সত্যক অসত্য সাজি, অধৰ্মক ধৰ্ম মানি, জড়ক চৈতন্য সাজি মানুহক প্ৰলোভিত কৰে। পাহৰি যায় ধৰ্মৰ দৰ্শন। শ্ৰীমদ্ভাগৱত গীতাত কৈছে—

'অধৰ্মং ধৰ্মম্ ইতি যা মন্যতে তমসাবৃতা।
সৰ্বান অৰ্থান বিপৰীতান্ চ বুদ্ধিঃ সা পাৰ্থ তামসী। অৰ্থাৎ

যি মানুহৰ বুদ্ধি অজ্ঞান-আন্ধাৰে ঢাকি ৰাখে, জ্ঞানৰ পোহৰ নাপায়, তেওঁ অধৰ্মকে ধৰ্ম বুলি ভাৱে আৰু এইদৰে সকলো বস্তুকে বিপৰীতভাৱে দেখে।

**সময়ৰ লগত খোজ মিলাই সত্য অসত্যৰ যুক্তিবাদেৰে বিচাৰ কৰি নতুন প্ৰজন্মই ধৰ্ম প্ৰতিষ্ঠা কৰিব, য'ত নাথাকিব জাতপাতৰ প্ৰভেদ, য'ত নাথাকিব ধনী-দুখীয়াৰ শ্ৰেণী-বিভাজন, মাত্ৰ থাকিব আধ্যাত্মিক চিন্তাৰে মনৰ উৎকৰ্ষ সাধন কৰি শান্তিৰে নিজেও জীয়াই থাকিব আৰু আনকো শান্তিৰে জীয়াই থকাৰ নিয়ম**

সময়ৰ লগত খোজ মিলাই সত্য অসত্যৰ যুক্তিবাদেৰে বিচাৰ কৰি নতুন প্ৰজন্মই ধৰ্ম প্ৰতিষ্ঠা কৰিব, য'ত নাথাকিব জাতপাতৰ প্ৰভেদ, য'ত নাথাকিব ধনী-দুখীয়াৰ শ্ৰেণী-বিভাজন, মাত্ৰ থাকিব আধ্যাত্মিক চিন্তাৰে মনৰ উৎকৰ্ষ সাধন কৰি শান্তিৰে নিজেও জীয়াই থাকিব আৰু আনকো শান্তিৰে জীয়াই থকাৰ নিয়ম।

**জ্যোতিষ চন্দ্ৰ দত্ত**
হাতীগাঁও গুৱাহাটী
ফোন ঃ ৯৮৫৪০৪১৮১৫

# শিক্ষামন্ত্ৰীলৈ মুকলি চিঠি

## অভিমত

**পৰীক্ষা** অনুষ্ঠিত কৰাত বিলম্ব, ফলাফলৰ বিসংগতি ইত্যাদি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ মহাবিদ্যালয়সমূহত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ কোনো নতুন কথা নহয়। যি সময়ত অন্যান্য বিশ্ববিদ্যালয়সমূহে অনলাইন অথবা অফলাইন মাধ্যমত পৰীক্ষাসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত অনুষ্ঠিত কৰিছে তাৰ বিপৰীতে গুৱাহাটী বিশ্ববিদ্যালয়ে অনাহকতে বাৰে বাৰে পৰীক্ষা বাতিল কৰি আহিছে। উক্ত ষাণ্মাসিকসমূহৰ ফলাফল ঘোষণা নকৰাকৈয়ে ছাত্ৰ-ছাত্ৰী সকলক পৰৱৰ্তী ষাণ্মাসিকলৈ উন্নীত কৰি দিয়া হ'ল। ইয়াৰ ফলত শিক্ষাৰ্থীসকল শ্ৰেণী হিচাপত আগুৱাই গ'ল যদিও নিজৰ ফলাফল উন্নত কৰাৰ কোনো সুযোগ আমি নাপালো।

অৱশেষত সকলোকে অবাক কৰি ১৬ জানুৱাৰীৰ ৰাতি প্ৰায় ১১.৩০ বজাত ২০২০-২১ শিক্ষাবৰ্ষৰ স্নাতক তৃতীয় ষাণ্মাসিক (CBCS) ৰ ফলাফল সমূহ উপলব্ধ হ'ল; কিন্তু এই ফলাফলত এক ভয়ংকৰ বিসংগতি পৰিলক্ষিত হৈছে। উদ্বিগ্নতাৰ বিষয়টো হ'ল- পূৰ্বৰ ছেমিষ্টাৰসমূহত উন্নত ফল লাভ কৰা অধিকাংশ ছাত্ৰ-ছাত্ৰীৰেই নম্বৰসমূহ বৃহৎ ব্যৱধানত কমাই দিয়া হ'ল। পৰীক্ষা অনুষ্ঠিত নকৰাকৈ অনাহকতে নম্বৰ কমাই দিয়াৰ অবিবেচক সিদ্ধান্তত আমি ছাত্ৰ সমাজ বাৰুকৈয়ে ক্ষুণ্ণ। বিশ্ববিদ্যালয়ৰ এনে কাৰ্যই ছাত্ৰ-ছাত্ৰীৰ ফলাফল দুৰ্বল কৰাৰ লগতে ভৱিষ্যত জীৱনৰ প্ৰতি এক বিশেষ ভাবুকি কঢ়িয়াই আনিব। দেখা গৈছে একাংশ ছাত্ৰ-ছাত্ৰীৰ ফলাফল অৱনমিত কৰি দিয়াৰ বিপৰীতে, পূৰ্বৰ ছেমিষ্টাৰত অতি নিম্ন পৰ্যায়ৰ ফলাফল প্ৰদৰ্শন কৰা এচাম ছাত্ৰ ছাত্ৰীৰ ফলাফল উন্নত কৰি দিয়া হৈছে। পৰীক্ষা অনুষ্ঠিত নকৰাকৈ কৰা এনে ফলাফলৰ হেৰফেৰ কোনোপধ্যেই গ্ৰহণযোগ্য হ'ব নোৱাৰে।

এইখিনিতে উল্লেখ্য যে তৃতীয় ষাণ্মাসিকৰ পৰীক্ষা অনুষ্ঠিত কৰিম বুলি শেষত বাতিল কৰাৰ সময়ত এখন জাননীত স্পষ্টভাৱে বিশ্ববিদ্যালয়ে উল্লেখ কৰিছিল যে উক্ত ছেমিষ্টাৰত ছাত্ৰ-ছাত্ৰীৰ নম্বৰ প্ৰদানৰ ফৰ্মূলা হ'ব এনে ধৰণৰ- পূৰ্বৰ ছেমিষ্টাৰৰ ফলাফলৰ পৰা ৩০, আভ্যন্তৰীণ মূল্যায়ন (internal assessment)ৰ পৰা ২০ আৰু গৃহকাৰ্য (Home Assignment)ৰ পৰা ৫০; কিন্তু ফলাফল প্ৰস্তুতৰ সময়ত এই ফৰ্মূলাৰ সফল প্ৰয়োগ কৰা দেখা নগ'ল। অন্যথা ইমান অভাৱনীয় হাৰত নম্বৰ হ্ৰাস নাপায়, সেয়া মহাবিদ্যালয়সমূহে প্ৰেৰণ কৰা নম্বৰ সম্পৰ্কে অনুসন্ধান কৰি অৱগত হৈছে। আনহাতে, পূৰ্বৰ ছেমিষ্টাৰত নিম্ন পৰ্যায়ৰ ফলাফল প্ৰদৰ্শন কৰা ছাত্ৰ-ছাত্ৰীৰ ফলাফল পৰীক্ষা অবিহনে যাদুকৰীভাৱে কিদৰে উন্নত হ'ল সেয়াও ৰহস্যৰ আৱৰ্তত।

মুঠৰ ওপৰত এই ফলাফল প্ৰদানৰ গোটেই ব্যৱস্থাটোত এটা ভয়ংকৰ খেলিমেলিৰ সৃষ্টি হৈছে। ইয়াৰ কুফল ভোগ কৰিব লাগিব ছাত্ৰ-ছাত্ৰীসকলে। সদ্যঘোষিত এই ফলাফল কোনোপধ্যেই মানি ল'ব পৰা ধৰণৰ নহয়। যিহেতু উচ্চশিক্ষাৰ ক্ষেত্ৰত বিভিন্ন শিক্ষানুষ্ঠানত আসন লাভৰ বাবে তথা কৰ্মক্ষেত্ৰত নিয়োজিত হোৱাৰ ক্ষেত্ৰত আমি অন্যান্য বৰ্ষৰ ছাত্ৰ-ছাত্ৰীৰ লগতো প্ৰতিযোগিতাত অৱতীৰ্ণ, হ'ব লাগিব গতিকে অনাহকতে ফলাফল অৱনমিত কৰি দিয়া সিদ্ধান্ত ছাত্ৰ-ছাত্ৰীৰ জীৱনৰ বাবে হঠকাৰী এই মুকলি পত্ৰৰ জৰিয়তে উক্ত বিষয়টো অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ দৃষ্টিগোচৰ কৰোৱাৰ লগতে বিষয়টোত শীঘ্ৰে হস্তক্ষেপ কৰি সমাধানৰ আশা কৰিছো।


**লুইত কলিতা,** সৰভোগ
ফোন ঃ ৬৯০০৩৫৪০৩০


দৈনিক অগ্ৰদূত
গুৱাহাটী,২২ জানুৱাৰী, ২০২২ পৃষ্ঠা ৫

**সাঁচিপতীয়া অসমীয়া আখৰে মিছনেৰীসকলৰ হাতত চপা ৰূপ পালে। আত্মাৰাম শৰ্মাৰ অসমীয়া বাইবেলখন (ধৰ্মপুস্তক) প্ৰথম অসমীয়া ছপা পুথি (১৮১৩ খ্ৰীঃ) এইখন প্ৰথবাৰ ছপা কৰোতে সাঁচিপতীয়া আখৰৰ গঢ়তে শ্ৰীৰামপুৰত ছপা কৰা হৈছিল। প্ৰথম অসমীয়া ছপাগ্ৰন্থ 'ধৰ্মপুস্তক' আখৰৰ গঢ় আৰু সেই সময়ত ছপা হোৱা বাংলা গ্ৰন্থৰ আখৰৰ আখৰৰ গঢ় একে নহয়। ১৮৩৯ত শ্ৰীৰামপুৰত ৰবিনচন চাহাবৰ অসমীয়া ব্যাকৰণখন ছপা হয়। ইয়াত ৰবিনচনে 'ৱ' আখৰটো ব্যৱহাৰ কৰিছে। মিছনাৰীসকলে 'অৰুণোদয়' ছপা কৰোতে প্ৰথমতে শ্ৰীৰামপুৰৰ আখৰৰ আৰ্হিত আখৰ কটাই আনিছিল। পাছতহে শিৱসাগৰৰ ছপাকল বহুৱাই 'অৰুণোদয়' ছপা কৰিবলৈ লয়।**

# অসমীয়া লিপিৰ উদ্ভৱ আৰু বিস্তাৰৰ কাহিনী

**অৱলোকন**
**তৰণী পাঠক**





**অসমীয়া** লিপিৰ বিষয়ে আলোচনা কৰাৰ আগতে সৰ্বভাৰতীয় চিন্তা এটা মনত সুমুৱাই ল'ব লাগিব। কিয়নো ভৌগোলিকভাৱে অতীজতে অসম ভাৰতৰ অংগ নাছিল যদিও সাহিত্য আৰু সাংস্কৃতিকভাৱে অসম ভাৰতৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। ৰামায়ণ আৰু মহাভাৰতৰ কালৰে পৰা কামৰূপৰ লগত বিশেষকৈ উত্তৰ ভাৰত আৰু মধ্য ভাৰত আৰু মধ্য ভাৰতৰ কিছু অংশৰ লগত এই সম্পৰ্কৰ গভীৰতাৰ কথা মহাকাব্য দুখনে দি গৈছে। ইয়াৰ পাছত ইতিহাসে ঢুকি পোৱা অৱস্থাতো কামৰূপ তেতিয়াৰ ভাৰতীয় সংস্কৃতিৰ লগত বিশেষকৈ গুপ্ত ৰজাসকলৰ লগত সম্পৰ্কীয় হৈ পৰিছিল ভাৰতীয় লিপিৰ জনাত 'ব্ৰাহ্মী' লিপিটো অসমীয়া লিপিৰো মূল বুলি দেখুওৱা হৈছে।

মানৱ ক্ৰমবিকাশৰ লগত লিপিৰ সম্পৰ্ক অতি তাৎপৰ্যপূৰ্ণ। মানুহৰ ভাৱনা বা ঘটনা প্ৰবাহক ভৱিষ্যতৰ কাৰণে স্মৃতিত ধৰি ৰাখিবলৈ কৰা প্ৰচেষ্টাই আছিল লিপিৰ উদ্ভাৱনৰ কাৰণ। আদিম যুগত পাহাৰ-পৰ্বত শিল আৰু গুহাত মানুহে চকুৰে দেখা পোৱা জীৱ-জন্তু চিত্ৰাংকন কৰা বা কিবা অস্ত্ৰৰে কাটি কাটি চিত্ৰ অঁকা কামেই লিপিৰ জন্মৰ প্ৰথম কাহিনী বুলি ধাৰণা কৰা হৈছে। এনে ধৰণৰ অংকনে লাহে লাহে বিকাশ লাভ কৰিবলৈ ধৰিলে আৰু ইয়াৰ কালাৰম্ভ হ'বলৈ ধৰিলে আৰু ইয়াৰ কালাৰম্ভ খ্ৰীষ্টপূৰ্ব ১০ হেজাৰ বছৰ হ'ব বুলি পণ্ডিতসকলে ভাবে। বিকাশৰ ক্ৰম আৰম্ভ হৈ নিৰ্দিষ্ট এটা স্তৰ পাবলৈ অন্ততঃ চাৰি হেজাৰ বছৰ লাগিছিল অৰ্থাৎ খ্ৰীষ্টপূৰ্ব ছহেজাৰ বছৰৰ অৱস্থাটিকে প্ৰাথমিক অৱস্থা বুলি ধাৰণা কৰা হৈছে। সেই সময়ত ৰাজন্যবৰ্গ আৰু পুৰোহিতসকলে নিজৰ নিজৰ সা-সম্পত্তিৰ হিচাপ আৰু ৰাজাজ্ঞা প্ৰদানৰ কাৰণে অংকিত ৰূপত উদ্ভাৱন কৰিলে আৰু লিপিৰ ইতিহাসত ইয়াকে আৰম্ভণি কাল বুলি ক'ব পৰা যায়। এই আৰম্ভণি তাম্ৰ যুগৰ বুলি পণ্ডিতসকলে অনুমান কৰে।

ক্ৰমবিকাশৰ ফলস্বৰূপে সময়ত দুই প্ৰকাৰৰ লিপিৰ জন্ম হৈছে। যেনে চিত্ৰকৰ আৰু বৰ্ণাক্ষৰ। ওপৰত কোৱা পাহাৰ-পৰ্বত অঁকা চিত্ৰাংকনেই চিত্ৰাক্ষৰৰ উদাহৰণ। এই চিত্ৰাক্ষৰৰ পৰম্পৰা প্ৰাচীন কালৰ পৰা বৰ্তমান সময়লৈ চলি আছে। বৰ্তমান কালতো ভৌগোলিক মানচিত্ৰ, পৰ্বত-পাহাৰ, নৈ-নলা আৰু পঞ্জিকা আদিত গ্ৰহবোৰক চিত্ৰৰ দ্বাৰা বুজোৱা হয়। লিপি বিভাগত অন্য ভাগটোৰে বৰ্ণাক্ষৰৰ ৰূপ লৈ ধাবিত হ'ল। এই ভাগতে পৰিছে বৰ্তমানৰ অসমীয়া, বাঙালী দেৱননাগৰী আখৰৰ লিপিবোৰ। লিপিপূৰ্ণ বিকশিত ৰূপ হ'ল ধ্বনিমূলক লিপি। ধ্বনিমূলক লিপিক দুটা ভাগত ভাগ কৰা হয়— অক্ষৰাত্মক আৰু বৰ্ণাত্মক। অক্ষৰাত্মক লিপিত কোনো এটা চিহ্নই কোনো এটা অক্ষৰক বুজায়, বৰ্ণ বা ধ্বনিটোক নুবুজায়। দেৱনাগৰী লিপি বা অসমীয়া লিপি অক্ষৰাত্মক। ইয়াত ব্যৱহৃত 'ক' চিহ্নটোৰ দ্বাৰা ক+অ এই দুটা বৰ্ণ বা ধ্বনিক বুজাইছে। 'কনক' শব্দটো লেখিবলৈ হ'লে অসমীয়াত তিনিটা চিহ্নৰে (ক-ন-ক) বুজাব পাৰি। কিন্তু ৰোমান লিপিত তাক বুজাবলৈ হ'লে KANAK পাঁচোটা চিহ্ন ব্যৱহাৰ কৰিবলগীয়া হয়।

খ্ৰীঃপূঃ ১২০০ বছৰৰ কালছোৱাত অক্ষৰাত্মক বা বৰ্ণমালাত্মক লিপিয়ে গল্প লাভ কৰিলে। খ্ৰীঃপূঃ এহেজাৰ বছৰ কালতে লিপিয়ে ব্যঞ্জনমালাৰ অস্তিত্ব লাভ কৰে বুলিও কোৱা হৈছে।

**ব্ৰাহ্মী লিপি ঃ** খ্ৰীঃ পূৰ্ব ১৫০০ শতিকামানত সিন্ধু সভ্যতাৰ পতন ঘটে। সিন্ধু সভ্যতা লিপিৰ আধাৰতে আৰ্যসকলে ইয়াৰ বিকাশত যত্নপৰ হ'ল আৰু খৃঃপূঃ ১২০০ শতিকামানত ঋকবেদৰ সুক্তবোৰ লিপিবদ্ধ কৰাত লাগিল। আধুনিক ভাৰতৰ বিভিন্ন ভাষাৰ লিপিয়ে স্বতন্তৰীয় ৰূপ ধাৰণ কৰাৰ প্ৰক্ৰিয়াৰ ইতিহাসলৈ বিশিষ্ট সমল আগবঢ়াইছে 'ব্ৰাহ্মী'বুলি জনাজাত লিপিটোৱে। ভাৰতীয় বিভিন্ন লিপিৰ মূল বুলি কোৱা 'ব্ৰাহ্মী' লিপিৰ ব্ৰাহ্মী শব্দটো কেনেকৈ হ'ল সেই সম্পৰ্কে ভিন ভিন মত প্ৰদৰ্শিত হৈছে। প্ৰফেছৰ ৰাজবংশী পাণ্ডেৰ মতে 'ব্ৰাহ্মী' শব্দটোৱে' বেদ' বা ব্ৰহ্ম শব্দৰ লগত সম্পৰ্কীয়। তেওঁ কয় এইবিধ লিপিৰে উদ্ভাৱক আছিল ভাৰতীয় আৰ্যসকল। ব্ৰাহ্মী বা বেদৰ ধাৰণাক স্থায়ীভাৱে প্ৰতিস্থা কৰিবৰ যত্ন কৰা হৈছিল আৰু ব্ৰাহ্মণসকলে তেওঁলোকৰ ৰচনা ব্যৱহাৰ কৰা লিপিটোৰ নাম ব্ৰাহ্মী বুলি কোৱা হৈছিল।

আদিতে ঋক্‌বেদৰ সুক্তবোৰ লিপিবদ্ধ হোৱা নাছিল। গুৰু শিষ্য পৰম্পৰা অনুসৰি সুক্তবোৰ মুখে মুখে চলি আহিছিল আৰু সেই কাৰণতে সেইবোৰক 'শ্ৰুতি' বুলিহে জনা যায়। ঋক্‌বেদৰ ৰচনাকাল ১২০০ৰ পৰা ১৫০০ বছৰ বুলি পণ্ডিতসকলে অনুমান কৰিছে।

খৃঃপূঃ তৃতীয় শতিকাৰ সম্ৰাট অশোকে সাম্ৰাজ্যৰ চাৰিওফালে শিলৰ ওপৰত লিখি বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰিছিল। আৰু সেইবোৰৰ ভাষা আছিল প্ৰাকৃত। অশোকে শিলত লিখা আখৰৰ লিপিৰ নাম 'ধৰ্মলিপি' বুলি উল্লেখ কৰিছে। কিন্তু আমাৰ দেশত তাৰো কে'বাশতিকা পাছত ৰচিত পুৰণি সাহিত্যত এই লিপিৰ নাম ব্ৰাহ্মীলিপি বুলি পোৱা গতিকে অশোকৰ 'ধৰ্ম লিপিয়েই যে ব্ৰাহ্মী লিপি এই কথা সহজে বুজা যায়। ৩৫০ খ্ৰীষ্টাব্দত ব্ৰাহ্মী লিপি দুটা ভাগত বিভক্ত হয়। এই ভাগ দুটা হ'ল উত্তৰ ভাৰতত উত্তৰ ব্ৰাহ্মী আৰু দক্ষিণ ভাৰতত দক্ষিণ ব্ৰাহ্মী। ইয়াৰে উত্তৰ ব্ৰাহ্মীৰ পৰা গুপ্ত লিপি আৰু গুপ্ত লিপিৰ পৰা কামৰূপী আৰু কুটিল লিপি উদ্ভৱ হৈছে বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। গুপ্ত লিপিয়ে খৃঃ চতুৰ্থ-পঞ্চম শতিকাত গুপ্ত ৰজাসকলৰ সময়তে প্ৰসাৰ লাভ কৰিছে। কুটিল লিপিৰ পৰাই পাৰ্চী, নাগৰি আৰু শাৰদা লিপিৰ জন্ম হৈছে বুলি কোৱা হৈছে। উত্তৰ ব্ৰাহ্মীৰ লগত সম্পৰ্কিত হৈ পৰা পূৰ্ব ভাৰতৰ ভাষাবোৰ হ'ল অসমীয়া, বাঙালী, উৰিয়া, মৈথেলী আদি।

**কুশান লিপি ঃ** ব্ৰাহ্মী লিপিৰ পৰা বিকশিত এটা নতুন ৰূপৰ লিপি কুশান লিপি বুলি জনাজাত হ'ল। ইতিহাসৰ কুশান বংশৰ ৰাজত্ব কালত এই লিপিৰ প্ৰসাৰতা কেৱল সেই ৰাজত্বাধীন অঞ্চলৰ নহয়— ইয়াৰ বিস্তৃতি কিছু পৰিমাণে মধ্য এছিয়ালৈ হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

**খৰোষ্ঠী লিপি ঃ** সম্ৰাট অশোকৰ ধৰ্ম লিপিবোৰত চাৰি প্ৰকাৰৰ লিপিৰ ব্যৱহাৰ দেখা যায়। আৰবীয়, গ্ৰীক, খৰোষ্ঠী আৰু ব্ৰাহ্মী। দেখা যায় যে অশোকৰ কিছুমান অনুশাসনৰ আখৰ খৰোষ্ঠী লিপিতো লিখা হৈছিল। উদাহৰণ স্বৰূপে বৰ্তমানৰ পাকিস্তানৰ তক্ষশীলাৰ ওচৰত তেওঁৰ মানসেৰা আৰু শ্বাহৰাজগড় অনুশাসন। গাধৰ পিঠিত চিহ্নৰূপ কিছুমান নিৰ্দিষ্ট দাগ দি দি লিখাৰ কাৰণে এইবিধ লিপিৰ নাম খৰোষ্ঠী হ'ল বুলি বহুতে ক'ব খোজে। তেওঁলোকৰ মতে খৰপৃষ্ঠী শব্দৰ পৰাই খৰোষ্ঠী হৈছে।

**শাৰদা লিপি ঃ** গুৰুমুখী, ডোগ্ৰী আদি কেতবোৰ ভাষাৰ লিপিক শাৰদা লিপি বুলি কোৱা হয়। উত্তৰ ভাৰতৰ কাশ্মীৰ অঞ্চলত শাৰদা দেৱীক অধিষ্ঠাত্ৰী দেৱী হিচাপে আৰাধনা কৰা হয়। এই বহুল অঞ্চলটোৰ নামো শাৰদা মণ্ডল।

**গুপ্ত লিপি ঃ** গুপ্ত নৃপতিসকলৰ ৰাজত্বকালত ভাৰতভূমিত প্ৰচলিত লিপিক গুপ্ত লিপি ৰূপে জনা যায়। সেই অনুসৰি ৩৫০ৰ পৰা ৫৫০ৰ অন্তৰ্গত কালৰ অভিলেখবোৰক গুপ্ত লিপি বুলি আখ্যা দিয়া হৈছে। সেই কালছোৱাত গুপ্ত লিপিয়ে স্বকীয়তা লাভ কৰে। গুপ্তকালীন অভিলেখবোৰৰ ভাষা আছিল সংস্কৃত।

**কুটিল লিপি ঃ** ৩৫০ খ্ৰীষ্টাব্দৰ পাছত ব্ৰাহ্মী লিপিয়ে স্পষ্ট দুটা ভাগত বিভক্ত হয়। উত্তৰ ব্ৰাহ্মী আৰু দক্ষিণ ব্ৰাহ্মী। উত্তৰ ব্ৰাহ্মীৰ প্ৰসাৰ মুখ্যত ঃ উত্তৰ ভাৰত আৰু দক্ষিণ ব্ৰাহ্মীৰ প্ৰসাৰ মুখ্যতঃ দক্ষিণ ভাৰতত হয়। এই লিপি দুটাৰ এটা গুপ্ত লিপি আনটো কুটিল লিপিৰ বিকাশ ঘটে। স্বৰৰ মাত্ৰাবোৰৰ আকাৰ কুটিল বা বেঁকা হোৱাৰ বাবে ইয়াক কুটিল লিপি বুলি কোৱা হৈছে।

**কামৰূপী লিপি ঃ** গুপ্ত সম্ৰাট সমুদ্ৰগুপ্তৰ (ৰাজত্ব কাল ৩২০ৰ পৰা ৩৮০ খ্ৰীঃ) শিলাস্তম্ভত পোৱা লিপিতেই পোনপ্ৰথমে 'কামৰূপ' নামটো উল্লেখ পোৱা গৈছে। বৰ্তমানৰ অৰ্থাৎ ঊনবিংশ শতিকাৰ শেষাৰ্ধলৈ নিজস্বভাৱে গঢ় লোৱা লিপিটোকে কামৰূপী লিপি বুলি কোৱা হয়।

অসমীয়া লিপিৰ ক্ৰমবিকাশ

অসমীয়া লিপিৰ প্ৰথম ১৫শ ১৬শ বছৰত দীঘলীয়া ইতিহাসক মোটামুটিভাৱে তিনিটা ভাগত ভাগ কৰা হৈছে—

১। আদিকাল-চতুৰ্থ পঞ্চম শতিকাৰ পৰা ১৩শ শতিকালৈ। ২। মধ্যকাল, ১৪শৰ পৰা ১৯ শতিকাৰ মাজভাগলৈ। ৩। বৰ্তমান কাল, ১৯ শতিকাৰ মাজভাগত অৰুণোদয়' প্ৰকাশ (১৮৪৬ খ্ৰীঃৰ পৰা বৰ্তমানলৈ)।

**আদিকাল ঃ** গোলাঘাটৰ সৰুপথাৰৰ ওচৰৰ নগাজৰী খনিকৰ গাঁৱত উদ্ধাৰ হোৱা চতুৰ্থ শতিকাৰ শেষ ভগৰ প্ৰস্তৰ লিপি আৰু পঞ্চম শতিকাৰ সুৰেন্দ্ৰ বৰ্মাৰ উমাচল লিপিতেই অসমীয়া আখৰৰ চানেকি পোৱা যায়। এই দুইখন শিলালিপিত থকা ই, ক, জ, থ, ত,ৰ আৰু ৰৰ আখৰকেইটা গুপ্তলিপিৰ লগত মিল থকা। বাকীবোৰ আখৰ প্ৰাক-গুপ্তকালীন লিপিৰ বুলি কোৱা হৈছে।

ষষ্ঠ শতিকাৰ ভূটি বৰ্মন (খ্ৰীঃ ৫১০-৫৫৫ খ্ৰীঃ লৈ)ৰ বৰগংগা শিলা লিপিত চাৰি শাৰীত লিখা আখৰ নগাজৰী উমাচল লিপিতকৈ বেছি বিকশিত ৰূপত দেখা নাযায়।

খ্ৰীষ্টিয় সপ্তম শতিকাৰ আদিছোৱাৰ ভাস্কৰ বৰ্মাৰ তাম্ৰলিপি এখন ডুবিত উদ্ধাৰ হয়। ডুবিৰ তামৰ ফলিৰ লিপি উমাচল লিপিতকৈ বেছি বিকশিত নহয়। এইখন তামৰ ফলিৰ লিপিত ব আৰু ৰ আৰু শ আৰু সৰ মাজত প্ৰভেদ দেখা নাযায়। খ্ৰীষ্টিয় অষ্টম শতিকাৰ হৰ্জৰ বৰ্মনৰ (খ্ৰীঃ ৮১৫ৰ পৰা ৮৩৫ লৈ) হায়ুংথাল তাম্ৰলিপি আৰু বনমাল বৰ্মনদেৱৰ (খ্ৰীঃ ৪৩৫ৰ পৰা ৮৬৫) লৈ পৰ্বতীয়া তাম্ৰফলিৰ লিপিয়ে আখৰ লিপিতকৈ বহুখিনি ৰূপ পোৱা দেখা যায়। গুপ্ত লিপিৰ লগত পোনপটীয়া সম্পৰ্ক আৰু পৰম্পৰা ৰক্ষাৰ চিনস্বৰূপে অকল লিপিৰ ক্ষেত্ৰতে নহয় বৰ্ষ নিৰ্ণয়ৰ ক্ষেত্ৰতো ৰজাসকলে গুপ্ত সংস্কৃতিৰ লগত সম্পৰ্ক ৰক্ষা কৰি চলিছিল। তাৰ উদাহৰণ স্বৰূপে হৰ্জৰ বৰ্মনে গুপ্তাব্দ (৫১৩ গুপ্তাব্দ) বুলিহে খোদিত কৰাই লৈছিল। খ্ৰীষ্টীয় নৱম শতিকাত ৰ আৰু ৱৰ মাজত প্ৰভেদ দেখা নাযায়। বনমালদেৱৰ আন এখন তাম্ৰ শাসন দীঘলী গাঁৱৰ পৰা উদ্ধাৰ হৈছে। এইখন লিপি হৰ্জৰ বৰ্মাৰ লিপিতকৈ বেছি কৌণিক। সম্ভৱতঃ ইয়াতো অলংকৰণৰ এটা প্ৰচেষ্টা চলোৱা হৈছিল।

খ্ৰীষ্টিয় দ্বাদশ শতিকাৰ ধৰ্মপালৰ খনামুখী আৰু বৈদ্যদেৱৰ 'কমৌলি' তাম্ৰফলি এই দুখনত আধুনিক আখৰৰ স্বৰবৰ্ণৰ 'ঋ' আখৰটো পোৱা গৈছে। এই শতিকাৰ তামৰ আৰু শিলৰ ফলিসমূহে এনে ধৰণে অসমীয়া লিপিৰ পূৰ্ণ বিকশিত ৰূপটো প্ৰদৰ্শন কৰি আছে। খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাৰ লিপিৰ প্ৰথম আৰ্হি উত্তৰ গুৱাহাটীৰ কানাই বৰশী বোৱা শিলত আৱিষ্কাৰ হৈছে ১৯১৮ত। ইয়াৰ লিপি সম্পূৰ্ণ আধুনিক অসমীয়া আখৰৰ দৰে সলসলীয়াকৈ পঢ়িলেই যিকোনো লোকে আধুনিক অসমীয়া আখৰৰ দৰে বিকশিত। ফলিখন পঢ়িলেই যিকোনো লোকে আধুনিক অসমীয়া পঢ়াৰ দৰে সলসলীয়াকৈ পঢ়ি যাব পাৰে। কানাই বৰশী বোৱা শিলালিপিত তুৰস্ক সেনা ধ্বংস হোৱাৰ বতৰাৰ এক ঐতিহাসিক দলিলেই নহয়, এইখন ত্ৰয়োদশ শতিকাৰ অসমীয়া লিপি বিকাশৰ এক প্ৰত্যক্ষ নমুনা। এই শতিকাৰ অসমীয়া লিপিৰ সাক্ষ্যদান কৰা আন এটা নমুনা হ'ল গুৱাহাটীৰ আমবাৰীত পোৱা সমূদ্ৰ পালৰ আমবাৰী শিলালিপি।

**মধ্যকাল ঃ অসমীয়া লিপিৰ বিভাগ ঃ**

মধ্যযুগীয়া কালছোৱা অসমীয়া লিপিয়ে বিশেষকৈ তিনিটা শৈলীৰ লিপিৰ বিভাগ দেখুৱায় আৰু এই ভাগকেইটা হ'ল—

১। গড়গঞা, ২। কাইথেলি আৰু ৩। বামুনীয়া লিপি।

**গড়গঞা লিপি ঃ**

আহোম স্বৰ্গদেউসকলৰ ৰাজধানী গড়গাঁৱক কেন্দ্ৰ কৰি যি সংস্কৃতি গঢ়ি উঠিছিল সেই সংস্কৃতিত ভাষাৰ লিপিয়েও এটি সুকীয়া শৈলী গ্ৰহণ কৰিছিল। উপযুক্ত লিপিকাৰসকলৰ হতুৱাই লিখোৱাৰ কাৰণে অসমীয়া লিপিত এইটো নতুন শৈলী বুলি পৰিগণিত হৈছে। গড়গঞা লিপিৰ আখৰৰ কোনো অলংকাৰ নাই। আধুনিক অসমীয়া আখৰৰ অবিকল গঢ়ও ইয়াৰ কেইটামান আখৰৰ (অ, আ, ই, ঈ) উপৰি ন, ল, আদি বৰ্ণকেইটামানত বাহিৰে বাকীবোৰ বৰ্ণৰ গঢ়ৰ মিল থকা। গড়গঞা লিপিৰ আখৰেৰে বেছিভাগ বুৰঞ্জী লেখা হৈছিল। অৱশ্যে পদপুথিতো এই লিপিৰে আখৰ লিখা বুলি পণ্ডিতসকলে সিদ্ধান্ত কৰিছে। গড়গঞা লিপিৰ আখৰৰ পোনপটীয়া গুণ থকাৰ কাৰণে এই গঢ়ৰ আখৰেৰে ৰাজকীয় ক্ষেত্ৰত কাম কৰাসকলক বেছি আকৰ্ষিত কৰি তুলিছিল। সুস্পষ্ট আৰু সৰলতা গুণৰ কাৰণেও গড়গঞা লিপি সৰবৰহী হৈ পৰিছিল। গড়গঞা আখৰ ভৌগোলিক নামকৰণ।

স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ দ্বাৰা ৰচিত সাঁচিপতীয়া শিৱপূৰাণৰ কথা এইখিনিতে উল্লেখ কৰিব পাৰি।

**কাইথেলি লিপি ঃ** অসমৰ কায়স্থসকলে পৰিপাটিকৈ লিখা আখৰৰ লিপিয়েই কাইথেলি লিপি বুলি জনাজাত। হিচাপ-পত্ৰ গণিত আদিত কায়স্থসকলে অতি সযতনে পৰিপাটিকৈ লিখিবৰ আৱশ্যক হৈছিল আৰু সেই কাৰণে এই লিপিটোৰ গঢ়টোৱে কিছু নতুনত্ব গ্ৰহণ কৰিলে। কাইথেলি লিপিৰ প্ৰচলন এটা সময়ত সমগ্ৰ অসমৰ পুথি বিলাকত মন কৰা যায়। ইয়াৰ কাৰণ এনেও হ'ব পাৰে যে ৰজা আৰু ডা-ডাঙৰীয়াসকলে অসমৰ উজনি-নামনিসকলতে একে ধৰণৰ লিখা বিচৰাৰ কাৰণে এই লিপিতেই আখৰ লিখা হৈছিল। লহকৰী লিপি কাইথেলি লিপিৰ নামমাত্ৰ। নামনি অসমৰ কায়স্থ বংশৰ লোকসকল লহকৰ নামেৰে খ্যাত হৈছিল। সেই কাৰণে কাইথেলি লিপিৰ শৈলীত লহকৰী নামৰ লিপিৰ স'তে একে। অংকশাস্ত্ৰৰ কিতাপ 'শুভংকৰী' কিতাপত খঞ্জৰী' আৰু সুকুমাৰ বৰকায়স্থ 'হস্তী বিদ্যাৰ্ণৱ। কাইথেলি লিপিৰ উদাহৰণ। কাইথেলি এটা সাম্প্ৰদায়িক নাম।

বামুনীয়া লিপি ঃ সংস্কৃত সাহিত্যৰ চৰ্চা চলা টোলবোৰক কেন্দ্ৰ কৰি পুথি-পাঁজি ৰচনা আৰু নকল কৰা পৰম্পৰাত প্ৰয়োগ আখৰেই বামুনীয়া লিপি। এই লিপিৰ গঢ়ত দেৱনাগৰী লিপিৰ গঢ়ৰ কিছু প্ৰভাৱ পৰিলক্ষিত হয়। ভালকৈ মন কৰি চালে কিছুমান বামনীয়া লিপি আৰু কাইথেলি লিপিৰ গঢ়ৰ আখৰৰ মাজত বহুত মিল দেখা যায়। সেইদৰে গড়গঞা লিপিৰ আখৰৰ লগতো বামুনীয়া লিপিৰ গঢ়ৰ কিছু মিল দেখা যায়। বামুনীয়া লিপিৰ শৈলীত লিখা কিতাপৰ ভিতৰত শ্ৰীধৰ স্বামীৰ ভাগৱতগীতাৰ 'সুবোধিনী টিকা', মাধৱদেৱৰ ভক্তি ৰত্নাৱলী নকল কৰি উলিওৱা আদি পুথিত সংৰক্ষিত হৈ আছে। বামুনীয়া এটা সাম্প্ৰদায়িক নাম।

বৰ্তমান কাল ঃ সাঁচিপতীয়া অসমীয়া আখৰে মিছনেৰীসকলৰ হাতত চপা ৰূপ পালে। আত্মাৰাম শৰ্মাৰ অসমীয়া বাইবেলখন (ধৰ্মপুস্তক) প্ৰথম অসমীয়া ছপা পুথি (১৮১৩ খ্ৰীঃ) এইখন প্ৰথবাৰ ছপা কৰোতে সাঁচিপতীয়া আখৰৰ গঢ়তে শ্ৰীৰামপুৰত ছপা কৰা হৈছিল। প্ৰথম অসমীয়া ছপাগ্ৰন্থ 'ধৰ্মপুস্তক' আখৰৰ গঢ় আৰু সেই সময়ত ছপা হোৱা বাংলা গ্ৰন্থৰ আখৰৰ আখৰৰ গঢ় একে নহয়। ১৮৩৯ত শ্ৰীৰামপুৰত ৰবিনচন চাহাবৰ অসমীয়া ব্যাকৰণখন ছপা হয়। ইয়াত ৰবিনচনে 'ৱ' আখৰটো ব্যৱহাৰ কৰিছে। মিছনাৰীসকলে 'অৰুণোদয়' ছপা কৰোতে প্ৰথমতে শ্ৰীৰামপুৰৰ আখৰৰ আৰ্হিত আখৰ কটাই আনিছিল। পাছতহে শিৱসাগৰৰ ছপাকল বহুৱাই 'অৰুণোদয়' ছপা কৰিবলৈ লয়। এইখিনিতে এটা কথা মনত পেলোৱা ভাল যে পূৰ্বতে বাংলা লিপিতো পেটকটা 'ৰ'ৰ হে ব্যৱহাৰ আছিল। ছপা আখৰৰ প্ৰচলন হোৱাৰ লগে লগে পূৰ্বৰ অসমীয়া আখৰৰ ভিন ভিন গঢ়। একে হৈ পৰিল।

সৰ্বশেষত ক'ব পাৰি যে কামৰূপীয়া লিপিয়ে বিকাশ লাভ কৰি মধ্যযুগীয়া অসমীয়া লিপি আৰু অৱশেষত আধুনিক অসমীয়া লিপিৰ ৰূপ পাইছে। প্ৰকৃতপক্ষে 'শতাব্দীৰ পাছত শতাব্দী ধৰি সেই অসমীয়া আখৰেৰেই নতুন ৰূপ'।

*ফোন ঃ ৯৪৩৫০১২৪০৮*

# ভাল মানুহ আৰু কামৰ মানুহ

**কৈলাশ চন্দ্ৰ শৰ্মা**

**মানুহৰ** মন বুজা আটাইতকৈ কঠিন কাম কিয়নো এইটো জনাৰ যন্ত্ৰ আৱিষ্কাৰ হোৱা নাই। মনৰ বহিৰ্প্ৰকাশ হৈছে স্বভাৱ। স্বভাৱ পৰ্যবেক্ষণ তথা পৰ্যালোচনা কৰি মানুহৰ মনটো বুজা সম্ভৱ যদিও অনুমানৰ ওপৰত প্ৰতিষ্ঠিত হোৱা বাবে পূৰ্বানুমান সকলো সময়তে সঠিক হ'ব বুলি কোৱা অসুবিধা। বিশুদ্ধ বিজ্ঞানৰ বাহিৰে যন্ত্ৰই ঢুকি নোপোৱা বিষয়সমূহ পৰ্যবেক্ষণকেন্দ্ৰিক পৰ্যালোচনাৰে সম্ভাৱ্য ফলাফলৰ ওচৰ চপাৰ গত্যন্তৰ নাই। পৰ্যবেক্ষণকেন্দ্ৰিক পৰ্যালোচনাৰ এই প্ৰক্ৰিয়াটোৰ জৰিয়তে স্বভাৱ অনুযায়ী মানুহক চাৰিভাগত ভগাব পাৰি। সেইবোৰ হৈছে—ভাল মানুহ, বেয়া মানুহ, কামৰ মানুহ আৰু কাম নোহোৱা মানুহ। কাম নোহোৱা মানুহ মানে কাম নথকা বা কাম নোপোৱা মানুহক বুজোৱা হোৱা নাই। সদায় বিভিন্ন কামত ব্যস্ত থকা দায়িত্বশীল মানুহেও সময়ত কি কৰিব লাগে সেয়া নিজে ভাবি উলিয়াব নোৱাৰা লোকক কাম নোহোৱা মানুহ বুলি কোৱা হৈছে। এইবিধ প্ৰজাতিৰ লোকে আনক দিহা-পৰমাৰ্শ দিয়া দূৰৰ কথা নিজৰ ল'ৰা-ছোৱালীকো কথা ক'বলৈ ভয় কৰে অথচ একোটা বিয়াগোম চৰকাৰী বিভাগ চলাই আছে। টকাৰ বলত তেওঁলোকে এনে বৃহৎ পৰিকল্পনা কৰে যে সময়ত ইয়েই ডিঙিৰ কাঁইট হৈ পৰে। ল'ৰা-ছোৱালীক ক'ত কি পঢ়ুৱাব, বেমাৰ-আজাৰ হ'লে আগ-পিছ নাভাবি যিদৰে দৌৰা দৌৰি কৰে বেমাৰেও উপযুক্ত স্থানত থিতাপি লোৱা বুলি গৌৰৱবোধ কৰে! এই শ্ৰেণীটোৰ কোনো অভাৱ নাই যদিও সমস্যাৰ অন্ত নোহোৱা কাৰণে এওঁলোকক কাম নোহোৱাৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হৈছে। এই শ্ৰেণীৰ লোকসকলে ভাল ভাবি কাম কৰে যদিও বেছি ভাগ কামৰেই শেষ পৰিণতি বেয়া হোৱা কাৰণে এওঁলোকক কিছুমানে বেয়া মানুহৰ শাৰীত ৰাখিব খোজে। তদুপৰি এক শ্ৰেণী মানুহ আছে যিয়ে প্ৰত্যক্ষভাৱে বেয়া কামত জড়িত হোৱা বাবে সমাজে এওঁলোকক বেয়া মানুহ বুলি চিহ্নিত কৰিছে।

এই দুই প্ৰকৃতিৰ মানুহৰ উপৰি আন দুবিধ মানুহ হৈছে ভাল মানুহ আৰু কামৰ মানুহ। ভাল মানুহ হোৱাটো যিমান সহজ, কামৰ মানুহ হোৱাটো সিমান সহজ নহয়। বেয়া কাম নকৰা মানুহক ভাল মানুহ বোলা হয় আৰু কাম কৰা বা কৰাব পৰা মানুহজনক কামৰ মানুহ বোলা হয়, সেয়েহে কাম নকৰাকৈও কোনোবা কেতিয়াবা ভাল মানুহ বুলি স্বীকৃতি পোৱাত বাধা নাই। ভাল বা বেয়া এটা আপেক্ষিক ধাৰণা। সমাজ, ব্যক্তি, সময় তথা পৰিস্থিতি সাপেক্ষে কামৰ ভাল বা বেয়া নিৰূপিত হয়। ভাল মানুহবোৰ অকলশৰীয়া হোৱা কাৰণে সময়ত বিবাদৰ সন্মুখীন হ'বলৈ সাহসৰ অভাৱৰ বাবে কামৰ মানুহ বুলি স্বীকৃতি লাভত ব্যৰ্থ হোৱা দেখা গৈছে। ইয়াৰ বিপৰীতে কামৰ মানুহবোৰ সংঘবদ্ধ অৱস্থাত থাকে ফলত বিবাদৰ সন্মুখীন হ'বলৈ সাহস পোৱাৰ উপৰি বিবাদ জয় কৰি কামৰ মানুহ বুলি স্বীকৃতি পাবলৈ সক্ষম হয়। ভাল মানুহৰ কষ্ট সহিষ্ণুতা কম। ইয়াৰ উপৰি ভাল মানুহে সময় তথা পৰিস্থিতি

**ভাল মানুহৰ কষ্ট সহিষ্ণুতা কম। ইয়াৰ উপৰি ভাল মানুহে সময় তথা পৰিস্থিতি সাপেক্ষে নিজৰ ৰূপ সলোৱাত অপাৰগ হোৱাত কামৰ মানুহ হ'বলৈ ব্যৰ্থ হয়। কামৰ মানুহবোৰ উচ্চাকাংক্ষী হোৱা বাবে কষ্ট-সহিষ্ণুৰ পৰা প্ৰয়োজন সাপেক্ষে বহুৰূপী হিচাপে নিজকে প্ৰক্ষেপ কৰিবলৈ সংকোচ নকৰে। ভাল মানুহে কামৰ পাছত দৌৰি নুফুৰে বাবে শত্ৰু কম হোৱাৰ বিপৰীতে কামৰ মানুহৰ শত্ৰু বেছি**

সাপেক্ষে নিজৰ ৰূপ সলোৱাত অপাৰাগ হোৱাত কামৰ মানুহ হ'বলৈ ব্যৰ্থ হয়। কামৰ মানুহবোৰ উচ্চাকাংক্ষী হোৱা বাবে কষ্ট-সহিষ্ণুৰ পৰা প্ৰয়োজন সাপেক্ষে বহুৰূপী হিচাপে নিজকে প্ৰক্ষেপ কৰিবলৈ সংকোচ নকৰে। ভাল মানুহে কামৰ পাছত দৌৰি নুফুৰে বাবে শত্ৰু কম হোৱাৰ বিপৰীতে কামৰ মানুহৰ শত্ৰু বেছি। ভাল মানুহে শাৰীৰিক শক্তিতকৈ মস্তিস্কক বেছি ব্যৱহাৰ কৰাৰ বিপৰীতে কামৰ মানুহে শাৰীৰিক শক্তিক প্ৰাধান্য দি কাম-কাজ কৰা দেখা যায়। ভাল মানুহে শত্ৰুৰ জন্ম হ'ব বুলি সংস্কাৰধৰ্মী কাম-কাজৰ পৰা নিজকে আঁতৰাই ৰখাৰ বিপৰীতে কামৰ মানুহে অগতানুগতিক কামৰ জৰিয়তে চমক সৃষ্টি কৰি কৰা কামত ৰহণ সানিব খোজে। ভাল মানুহে স্বভাৱজাতভাৱে ভদ্ৰ আৰু মিঠামুখীয়া। এওঁলোকৰ ওচৰলৈ সমস্যাৰ সমাধান বিচাৰি গ'লে সমস্যাটো শুনিবলৈ আগ্ৰহ দেখুওৱাৰ উপৰি চাহ-পানী খুৱাই সান্ত্বনাসূচক বক্তব্য আঁতৰাই সমাধান দিয়া দূৰৰ কথা ৰাস্তা দেখুৱাবলৈও অপাৰগতা প্ৰকাশ কৰি বিদায় দিয়ে। ইয়াৰ বিপৰীতে কামৰ মানুহৰ ওচৰলৈ সমস্যা লৈ গ'লে প্ৰথমে ধমকিসূচক ব্যৱহাৰ কৰে যদিও পাৰিলে সমস্যাৰ সমাধান কৰি দিয়ে বা নোৱাৰিলে অন্ততঃ ৰাস্তা দেখুৱাই দিবলৈ কাৰ্পণ্য নকৰে। ভাল মানুহ, কামৰ মানুহ সকলো পদৰ বাবে লালায়িত কিয়নো সমাজ পদৰীধাৰীৰ অধীনস্থ। পদে কামৰ গতি ত্বৰান্বিত কৰে কাৰণে কামৰ মানুহে পদ-প্ৰাপ্তিৰ সপক্ষে অৱস্থান কৰাৰ বিপৰীতে ভাল মানুহে পদৰ জৰিয়তে নিজে কিমান ভাল বা নিৰপেক্ষ সেইটো দেখুৱাবলৈ চেষ্টা কৰে। সেই কাৰণেই কাম নকৰি ভাল মানুহ হ'ব খোজাতকৈ কাম কৰা মানুহ সদায় শ্ৰেষ্ঠ। প্ৰাক্তন প্ৰধানমন্ত্ৰী ড° মনমোহন সিং ভাল মানুহ বুলি সকলোৱে স্বীকাৰ কৰে যদিও কামৰ মানুহ বুলি কোনেও নাভাবে। ইয়াৰ বিপৰীতে নৰেন্দ্ৰ মোদীক সকলোৱে বেয়া পায় যদিও তেওঁ যে কাম কৰিছে বা কামৰ মানুহ সেইটো কোনেও অস্বীকাৰ নকৰে।


ৰাজ্যৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী কামৰ মানুহ বা যোৱা আঠমাহে যথেষ্ট কাম কৰিছে বুলি শত্ৰুৱেও স্বীকাৰ কৰাৰ পাছতো তেওঁকো বেয়া পোৱা মানুহৰ সংখ্যা কাম নহয়। ভুল কাম কৰিলে আপত্তি কৰাটো গণতান্ত্ৰিক প্ৰক্ৰিয়া, কিন্তু কাম কৰা কাৰণে বেয়া পোৱাটো গণতন্ত্ৰৰ পৰিপন্থী। ইয়াৰ বিপৰীতে বিগত পাঁচ বছৰ শাসনত অধিষ্ঠিতজনক কোনেও কামৰ বুলি নাভাবিলে যদিও তেওঁক বেয়া পোৱা মানুহৰ সংখ্যাও যথেষ্ট কম। গতিকে দেখা গ'ল যে কাম কৰিলে বেয়া হ'ব লাগে আৰু একো নকৰিলে কোনেও বেয়া নাপায়। ফলত একশ্ৰেণী শাসকৰ মূলমন্ত্ৰ হৈছে যেনেকৈ চলি আছে চলি থাকিব দিয়া, কেৱল নিজে পাই থাকিব লগাটো পাই থাকিলে হ'ল। এনে ধৰণৰ চিন্তাৰ মূল কাৰণটো হৈছে, আমাৰ সমাজ ব্যক্তিৰ অধীনস্থ। সমাজে ব্যক্তিক পৰিচালনা কৰাৰ পৰিৱৰ্তে ব্যক্তিয়ে সমাজ পৰিচালনা কৰে। ফলত ব্যক্তিস্বাৰ্থ সামাজিক স্বাৰ্থতকৈ ঊৰ্ধ্বত। সেই কাৰণে ব্যক্তি স্বাৰ্থক সুৰক্ষা দি সামাজিক স্বাৰ্থক জলাঞ্জলি দি কাম কৰিলে কোনোৱে আপত্তি নকৰে আৰু দুৰ্ভাগ্যজনকভাৱে শাসকেও এই পথ অনুসৰণ কৰিবলৈ ধৰিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া আৰু তৰুণ গগৈ কামৰ মানুহ আছিল বুলি সন্দেহ নাই। আন দুজন প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্ত আৰু সৰ্বানন্দ সোণোৱাল কামৰ মানুহ নাছিল যদিও বাকী দুটা ভাগৰ কোনটোত স্থানভুক্ত কৰা যায় সেই সম্পৰ্কত সঠিক মতামত আগবঢ়াবলৈ অপাৰগতা প্ৰকাশ কৰিছো।

*ফোন ঃ ৬০০১৬৭৫২২৩*

# কটন গৌৰৱ নে অসম গৌৰৱ? বিৰল প্ৰতিভাৰ গৰাকী ড° হিৰণ্য চন্দ্ৰ ভূঞা

**ড° অৰূপ কুমাৰ হাজৰিকা**





**অতীত** প্ৰীতিয়ে জীৱন্তে জাতিক সিঠিক পথ দেখুওৱাৰ ক্ষেত্ৰত সহায় কৰে। অতীতৰ নিৰ্মোহ অথচ নিৰপেক্ষ বিশ্লেষণে জাতি এটাৰ সমৃদ্ধিতো উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। একো একোজন ব্যক্তিৰ কৰ্মময় জীৱনৰ লগত সেই সময়ৰ বুৰঞ্জী বহু সময়ত সাঙোৰ খাই থাকে। সেই তেনে ধৰণৰ এজন ব্যক্তি আছিল ড° হিৰণ্য চন্দ্ৰ ভূঞা। এইজন ব্যক্তিৰ পৰিয়ালৰ লগত মোৰ সান্নিধ্য শ্বিলঙত পঢ়া কালৰে পৰা। তেওঁৰ নাতি ল'ৰা ফুলু মোৰ সহপাঠী আছিল। তেওঁ ককাদেউতাকৰ কথা অনবৰতে কৈছিল আৰু কেতিয়াবা তেওঁলোকৰ শ্বিলঙৰ ঘৰলৈ গৈ ডাঙৰ ডাঙৰ কিছুমান কিতাপ দেখুৱাইছিল। সেইবোৰ দেখি মই বৰ মুগ্ধ হৈছিলো।

যিয়েই নহওঁক এতিয়া আচল কথালৈ আহো। কুৰি শতিকাৰ বিজ্ঞানী ৰমনৰ প্ৰতিভা আৰু স্বাৱলম্বী গৱেষণাৰ আদৰ্শই যিসকল ছাত্ৰৰ মনত গভীৰ সাঁচ বহুৱাইছিল, সেই সকলৰ ভিতৰত অসমৰ হিৰণ্য চন্দ্ৰ ভূঞাও এজন। ছাত্ৰাৱস্থাৰে পৰা তেওঁ বিজ্ঞানৰ গৱেষণা কৰাৰ হাবিয়াস কৰিছিল। তেওঁ ১৯২৫ৰ পৰা ১৯৩০ৰ সময়ছোৱাত স্নাতক আৰু স্নাতকোত্তৰ মহলৰ ছাত্ৰ হিচাপে কলিকতাত আছিল। কিন্তু কলিকতাৰ বৈজ্ঞানিক গৱেষণা তথা উন্নতিৰ ভৰপক সময়ত শিক্ষা লাভ কৰিও হিৰণ্য ভূঞাৰ বৈজ্ঞানিক গৱেষণাৰ ইচ্ছা আৰু পৰিকল্পনাৰে শিক্ষা জগতক গঢ় দিয়াৰ এটা সুবৰ্ণ সুযোগ পালে তেওঁ। তেওঁ কটন কলেজৰ অধ্যক্ষৰ পদত অধিষ্ঠিত হোৱাত অকল ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকাই নহয়, সকলো শিক্ষাপ্ৰেমীয়েই সন্তোষ পাইছিল। কৰ্মজীৱনত অধ্যাপক ভূঞাই কেতিয়াও উচ্চকাংক্ষাৰ পোষকতা কৰা নাছিল; কিন্তু পদোন্নতি তেওঁৰ পিছ এৰা নাছিল। কটন কলেজৰ শিক্ষকতা কৰাটোৱেই তেওঁৰ অভিলাষ আছিল। কিন্তু কটন কলেজৰ অধ্যক্ষ পদত থাকোতেই শিক্ষাধিকাৰ নিযুক্ত হোৱাত তেওঁ কলেজ এৰি যাবলগীয়া হয়। শিক্ষাধিকাৰ পদত থাকোতেই কিছুদিনৰ বাবে তেওঁ অসমৰ শিক্ষা সচিবৰ দায়িত্বও বহন কৰিছিল। ড° ভূঞাই শিক্ষাধিকাৰৰ দায়িত্ব লোৱাৰ পাছতেই অসমৰ মাধ্যমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থাৰ এটা পৰিৱৰ্তন সাধন কৰিব লগা হ'ল। 'মুদালিয়াৰ শিক্ষা আয়োগ'ৰ প্ৰতিবেদনত উল্লেখিত অনুমোদন ক্ৰমে ১৯৫৮ৰ পৰা অসমত উচ্চতৰ আৰু বহুমুখী বিদ্যালয় আৰম্ভ হ'ল। এই পদ্ধতি অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে অষ্টম শ্ৰেণীৰ পৰাই অভিৰুচি অনুযায়ী কলা, বিজ্ঞান নাইবা বাণিজ্য শাখাত শিক্ষা গ্ৰহণ কৰাৰ সুবিধা পায়। মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে তলৰ শ্ৰেণীৰে পৰাই নিজৰ প্ৰতিভা বিকাশ কৰাৰ সুবিধা পায়।

১৯৬০ৰ ২৩ ফেব্ৰুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ দায়িত্ব গ্ৰহণ কৰে। ড° ভূঞা আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ তৃতীয়জন উপাচাৰ্য। পণ্ডিত প্ৰবৰ কৃষ্ণকান্ত সন্দিকৈয়ে ১৯৫৭ লৈকে উপাচাৰ্য তিনিটা নিৰ্ধাৰিত কাৰ্যকাল সুখ্যাতিৰে চলোৱাৰ পাছত ড° সূৰ্য কুমাৰ ভূঞা উপাচাৰ্য নহ'ল।

নগাঁও জিলাৰ ৰহা অঞ্চলৰ কঁহাৰ গাঁৱত ১৯০৫ত হিৰণ্য চন্দ্ৰ ভূঞাৰ জন্ম হৈছিল। তেওঁৰ দেউতাক গোলাপ চন্দ্ৰ ভূঞা এগৰাকী কবি আছিল। ভূঞাই হেনো ল'ৰালি কালৰে পৰাই অত্যন্ত চোকা বুদ্ধি আৰু মেধাৰ পৰিচয় দিছিল। তেওঁ প্ৰতিটো পৰীক্ষাতে প্ৰথম স্থান অধিকাৰ কৰিছিল। তেওঁ প্ৰৱেশিকা পৰীক্ষাত অসম উপত্যকাৰ ভিতৰত প্ৰথম আৰু কটন কলেজৰ পৰা পদাৰ্থ বিজ্ঞানৰ প্ৰথম শ্ৰেণীৰ অনাৰ্ছসহ বিএছচি, পাছ কৰে। তেওঁ ১৯২৯ত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানলৈ এমএছচি ডিগ্ৰী লাভ কৰে।

১৯২৯ত হিৰণ্য চন্দ্ৰ ভূঞাই কটন কলেজৰ পদাৰ্থ বিজ্ঞান বিভাগত অধ্যাপনা কৰে। 'স্ফটিকৰ ত্ৰুটি'ৰ (Imperfection in crystals) বিষয়ে কৰা তাত্ত্বিক গৱেষণাৰ বাবে তেওঁ ১৯৪৯ত পি এইছ ডি উপাধি লাভ কৰে।

চাকৰি জীৱনত ড° হিৰণ্য ভূঞাই শিক্ষকতা, প্ৰশাসন আৰু শিক্ষা সংস্কাৰ আটাইকেইটা দিশতে অতুলনীয় পাৰদৰ্শিতা দেখুৱাই থৈ গৈছে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থ বিজ্ঞানত প্ৰথম শ্ৰেণীত স্নাতকোত্তৰ উপাধি লৈ আহি তেওঁ পোনতে কটন মহাবিদ্যালয়ৰ পদাৰ্থবিজ্ঞান বিভাগত অধ্যাপক হিচাপে যোগদান কৰে। ১৯৪৭ত তেওঁ ইংলণ্ডলৈ গৈ গৱেষণা কৰি ডক্টৰেট উপাধি লৈ আহি পুনৰ কটন কলেজত যোগদান কৰে। ১৯৫১ ত তেওঁ কটন কলেজত অধ্যক্ষ হয় আৰু ১৯৫৫-৫৬ত অসমৰ শিক্ষাধিকাৰ পদত অধিষ্ঠিত হয়। তাৰ পাছত তেওঁ ১৯৫০ লৈকে শিক্ষা সচিবৰ দায়িত্বত থাকে। তেওঁ ১৯৫০ ৰ পৰা ১৯৬২ চন পৰ্যন্ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হিচাপে কাৰ্যনিৰ্বাহ কৰি পাছত সেই পদ ইস্তফা দিয়ে। এয়েই আছিল ড° ভূঞাৰ চাকৰি জীৱন।

এবাৰ হেনো অসম বিজ্ঞান সমিতিৰ এখন সভাত ড° পৱন চন্দ্ৰ মহন্তই ভূ-পদাৰ্থ বিজ্ঞান সম্পৰ্কীয় এটা বক্তৃতা দিছিল। ভাষণ প্ৰসংগত তেওঁ 'লাভ ওৱেভ' (Love wave : ভূ-কম্পনৰ বিস্তাৰণৰ লগত জড়িত তৰল বিশেষ) সম্পৰ্কে কিবা তথ্য দাঙি ধাৰোতে অধ্যাপকে খুঁত ধৰিছিল। বক্তা আৰু প্ৰশ্নকৰ্তাৰ মাজত তৰ্কাতৰ্কি হৈ গৈ এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হৈছিল। পাছত দেখা গ'ল ড° ভূঞাই নিজেই ব'ৰ্ডলৈ গৈ বিষয়বস্তু সকলোৰে বোধগম্য হোৱাকৈ বুজাই দিলে। তেওঁৰ প্ৰাঞ্জল ব্যাখ্যাত সকলো সন্তুষ্ট হ'ল।

ড° ভূঞাৰ প্ৰতি প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ আছিল শ্ৰদ্ধা, মৰম আৰু ভয় মিশ্ৰিত এক আচৰিত অনুভূতি। প্ৰত্যেকেই তেওঁক এখন উচ্চ আসন দিছিল। ইয়াৰ কাৰণ আছিল ড° ভূঞাৰ গম্ভীৰ্যপূৰ্ণ অথচ মধুৰ ব্যক্তিত্ব, অতি কড়া শাসন অথচ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি বন্ধুত্বপূৰ্ণ আৰু সহানুভূতিশীল আচৰণ, ভাষাৰ ওপৰত নিখুঁত দখল, বিষয়ৰ ওপৰত গভীৰ জ্ঞান, শ্ৰেষ্ঠ শিক্ষণ কৌশল আৰু তীক্ষ্ম মেধাশক্তি।

কটন কলেজৰ অধ্যাপক পদৰ পৰা তেওঁ অধ্যক্ষ পদলৈ পদোন্নতি হৈছিল। এটা নতুন দায়িত্ববোধ আৰু ঐকান্তিকতাৰে তেওঁ গ্ৰহণ কৰিছিল।

বিশ্ববিদ্যালয়ৰ পৰা ওলাই আহিল, কিন্তু অসম চৰকাৰে তেওঁক অৱসৰ-বিনোদনৰ সুযোগ নিদিয়ে। তেওঁ পুনৰ অসম লোকসেৱা আয়োগত কাৰ্যনিৰ্বাহ কৰিবলগীয়া হ'ল— পোনতে সদস্য হিচাপে আৰু শেষত সভাপতি হিচাপে।

অধ্যাপক ভূঞাৰ অধ্যয়ন স্পৃহা আছিল অপৰিসীম, বিস্তৃত। ড০ হিৰণ্য ভূঞা আছিল অসম বিজ্ঞান সমিতিৰ প্ৰাণশক্তিস্বৰূপ; প্ৰধান উপদেষ্টা আৰু কৰ্মীসকলৰ প্ৰেৰণাৰ উৎস। ১৯৫৩ত 'গুৱাহাটী বিজ্ঞান সমিতি' প্ৰতিষ্ঠা কৰাৰ সময়ত ড° ভূঞা আছিল কটন কলেজৰ অধ্যক্ষ।

ড° হিৰণ্য চন্দ্ৰ ভূঞা যোৰহাট বিজ্ঞান মহাবিদ্যালয়ৰ এগৰাকী অন্যতম খনিকৰ। তেওঁ বিচাৰিছিল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অধ্যয়ন কেন্দ্ৰ হিচাপে এই অনুষ্ঠানটি আই আই টি পৰ্যায়লৈ উন্নীত হয় যেন। অসম লোকসেৱা আয়োগৰ পৰা অৱসৰ গ্ৰহণ কৰি তেওঁ কিছু দিনৰ বাবে অসম বিজ্ঞান সমিতিৰ উপদেষ্টা হয়। তেওঁ বিজ্ঞানৰ স্নাতক শ্ৰেণীৰ ছাত্ৰসকলক তাচপাতৰ সহায়েৰে Laplace Transformation হাতত লৈছিল। অৱশ্যে তেওঁৰ এই আঁচনি কাৰ্যত ৰূপায়িত নৌহওঁতেই এই সংসাৰ এৰি গুচি গ'ল; ১৯৭৩ৰ ২৩ ডিচেম্বৰ তাৰিখে।

*ফোন ঃ ৯৮৬৪০৪৪৪৫৩*

## দেশৰ বিজেপি বিৰোধী মৰ্চাৰ নেত্ৰী হিচাপে প্ৰথম পছন্দ মমতা ঃ সমীক্ষাৰ তথ্য



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জানুৱাৰী ঃ** দেশৰ বিজেপি বিৰোধী মুখ হিচাপে এই মুহূৰ্তত সবাতোকৈ জনপ্ৰিয় হৈছে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জী। এক সৰ্বভাৰতীয় সংবাদ মাধ্যমৰ সমীক্ষাত এই তথ্য প্ৰকাশ পালে। 'ইণ্ডিয়া টুডে'ৰ সদ্য প্ৰকাশিত 'মুড অব দ্য নেচন' সমীক্ষাৰ তথ্য অনুসৰি মমতাই হৈছে বৰ্তমানে দেশৰ বিজেপি বিৰোধী মৰ্চাৰ সবাতোকৈ জনপ্ৰিয় নেত্ৰী। এই তালিকাত দ্বিতীয় স্থানত আছে দিল্লীৰ মুখ্যমন্ত্ৰী তথা আপৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল। সমীক্ষাত অংশ লোৱা ১৭ শতাংশ লোকৰ মতে, এই মুহূৰ্তত নৰেন্দ্ৰ মোদীৰ চৰকাৰক প্ৰত্যাহ্বান জনাবলৈ যোগ্য নেত্ৰী হৈছে মমতা। তালিকাত দ্বিতীয় স্থানত আছে কেজৰিৱাল। আনহাতে, সমীক্ষাত অংশ লোৱা ১১ শতাংশ লোকে বিৰোধী মৰ্চাৰ নেতা হিচাপে কংগ্ৰেছৰ সাংসদ ৰাহুল গান্ধীক বিচাৰিলে।

## ইচ্ছাপত্ৰ তৈয়াৰৰ পূৰ্বে পিতৃৰ মৃত্যু হ'লে অৰ্জিত সম্পত্তি লাভ কৰিব কন্যাই ঃ ন্যায়ালয়ৰ ৰায়




**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জানুৱাৰী ঃ** উইল অৰ্থাৎ ইচ্ছাপত্ৰ প্ৰস্তুত কৰাৰ পূৰ্বে যদি কোনো পিতৃৰ মৃত্যু হয়, তেন্তে পিতৃৰ অৰ্জিত সম্পত্তি অধিকাৰ থাকিব কন্যা সন্তানৰ। পিতৃৰ অৰ্জিত সম্পত্তিৰ ভাগ লাভ কৰিব কন্যাই। এই ৰায় দিলে উচ্চতম ন্যায়ালয়ে। এই বিষয়ক এক গোচৰত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ৰায়ক প্ৰত্যাহ্বান জনাই সৰ্বোচ্চ ন্যায়ালয়ত দাখিল কৰা এক আবেদনৰ ৰায় দি উচ্চতম ন্যায়ালয়ে কালি এই ৰায় দিলে। ন্যায়াধীশ এছ আব্দুল নাজিৰ আৰু কৃষ্ণ মুৰাৰীৰ বিচাৰপীঠৰ ৫১ পৃষ্ঠাৰ ৰায়ত কয় যে ইচ্ছাপত্ৰ তৈয়াৰ কৰাৰ পূৰ্বে যদি কোনো হিন্দু পুৰুষৰ মৃত্যু হয়, তেন্তে তেওঁৰ সম্পত্তিৰ ভাগ সন্তানৰ মাজত সমানভাৱে বণ্টন হ'ব। হিন্দু পুৰুষৰ মৃত্যুৰ পাছত স্বউপাৰ্জিত অথবা পাৰিবাৰিক উত্তৰাধিকাৰ সূত্ৰে প্ৰাপ্ত সম্পত্তি উত্তৰাধিকাৰীৰ মাজত সমভাৱে বণ্টন হ'ব। মৃত হিন্দু পুৰুষৰ কন্যা সন্তান থাকিলে তেৰোঁ পিতৃৰ সম্পত্তিৰ সমান ভাগ লাভ কৰিব।

## ৬-জিৰ দিশত জিঅ', বুজাবুজিৰ চুক্তি সম্পন্ন



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জানুৱাৰী ঃ** ৰিলায়েন্স জিঅ'ই এইবাৰ ৬-জিৰ দিশত অগ্ৰসৰ হ'ল। জিঅ'ই ৬-জিৰ বিকাশৰ বাবে আজি ইউনিভাৰ্ছিটি অৱ অ'লুৰ স'তে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিলে। এই চুক্তিৰ জৰিয়তে জিঅ'ই বিশ্ববিদ্যালয়খনৰ স'তে আগন্তুক দিনত ৬-জিৰ বিকাশৰ পথ প্ৰশস্ত কৰিব। ভাৰতত এতিয়াও ৪-জি সেৱা অব্যাহত আছে আৰু দেশত ৫-জি সেৱা আৰম্ভ কৰাৰ পাছত দ্ৰুতগতিৰ ইণ্টাৰনেট সেৱাৰ লগতে ম'বাইলৰ নেটৱৰ্ক যথেষ্ট উন্নত আৰু শক্তিশালী হ'ব। বিশেষজ্ঞসকলৰ মতে ৬-জি সেৱা প্ৰৱৰ্তিত হ'লে কল ফ্ৰি মিম', ইণ্টেলিজেন্স ছাৰ্ফেচ আৰু টেৰা-হাৰ্টচ ফ্ৰিকুৱেন্সিৰ সুবিধা লাভ কৰিব গ্ৰাহকসকলে। উল্লেখ্য যে ভাৰতত সম্প্ৰতি জিঅ'ৰ ৪০০ নিযুতৰো অধিক গ্ৰাহক আছে। চলিত বৰ্ষতে দেশত ৫-জি ইণ্টাৰনেট সেৱা জিঅ'ই প্ৰৱৰ্তন কৰিব।

## ছিৰিয়াত ৰকেট আক্ৰমণত ছজনৰ মৃত্যু, আহত ১২ জন



**নিউজ ব্যুৰ', বেইৰুট, ২১ জানুৱাৰী ঃ** তুৰস্ক সমৰ্থিত বিৰোধী বিদ্ৰোহী নিয়ন্ত্ৰণাধীন উত্তৰ ছিৰিয়াৰ এখন চহৰত সংঘটিত হোৱা ৰকেট আক্ৰমণৰ ঘটনাত কমেও ছজন নাগৰিকৰ মৃত্যু হ'ল। এই ঘটনাত কমেও ১২ জন লোক আহত হৈছে। এই আক্ৰমণৰ বাবে ছিৰিয়াই আমেৰিকা সমৰ্থিত ছিৰিয়াৰ কুৰ্ড বাহিনীক জগৰীয়া কৰিছে। উল্লেখ্য যে ছিৰিয়াৰ আফৰিন চহৰখন ২০১৮ৰ পৰা তুৰস্ক আৰু ইয়াৰ সহযোগী ছিৰিয়াৰ কুৰ্ড বাহিনীৰ অধীনত আছে। তেতিয়াৰে পৰা আফৰিন আৰু ইয়াৰ আশে পাশে থকা গ্ৰামাঞ্চলত ৰকেট আক্ৰমণৰ ঘটনা সংঘটিত হৈ আহিছে।

### ক্ষেপণাস্ত্ৰ উৎপেক্ষণক লৈ উত্তৰ কোৰিয়াৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘত নিষেধাজ্ঞা আৰোপৰ আমেৰিকাৰ প্ৰস্তাৱৰ বিৰোধিতা

# ব্যৰ্থ আমেৰিকা ঃ ৰাষ্ট্ৰসংঘত উত্তৰ কোৰিয়াক সমৰ্থন চীন-ৰাছিয়াৰ




**নিউজ ব্যুৰ' ৰাষ্ট্ৰসংঘ, ২১ জানুৱাৰী ঃ** উত্তৰ কোৰিয়াৰ স্বেচ্ছাচাৰী শাসক কীম জং উনক নিয়ন্ত্ৰণ কৰিবলৈ গৈ আকৌ এবাৰ ৰাষ্ট্ৰসংঘত ব্যৰ্থ হ'ল আমেৰিকা। উত্তৰ কোৰিয়াৰ বিৰুদ্ধে আমেৰিকাই আৰ্থিক নিষেধাজ্ঞা আৰোপৰ লগতে অন্যান্য কঠোৰ পদক্ষেপ গ্ৰহণ কৰি আহিছে। কিন্তু ৰাষ্ট্ৰসংঘৰ মজিয়াত কীমৰ সমৰ্থনত থিয় দি আমেৰিকাৰ সকলো পৰিকল্পনা ব্যৰ্থ কৰিলে চীন আৰু ৰাছিয়াই। শেহতীয়াভাৱে ক্ষেপণাস্ত্ৰ উৎপেক্ষণক লৈ উত্তৰ কোৰিয়াৰ বিৰুদ্ধে ৰাষ্ট্ৰসংঘত আমেৰিকাই নিষেধাজ্ঞা আৰোপৰ প্ৰস্তাৱ দাখিল কৰিছিল। কিন্তু ৰাছিয়া আৰু চীনৰ আপত্তিত এই প্ৰস্তাৱ গৃহীত নহ'ল। উল্লেখ্য যে চলিত মাহতে এটাৰ পাছত আন এটাকৈ বেলিষ্টিক ক্ষেপণাস্ত্ৰ উৎপেক্ষণৰে উত্তৰ কোৰিয়াই সমগ্ৰ বিশ্বত উত্তেজনাৰ সৃষ্টি কৰিছিল। সেয়েহে আমেৰিকাই উত্তৰ কোৰিয়াৰ বিৰুদ্ধে নিষেধাজ্ঞা আৰোপৰ প্ৰস্তাৱ ৰাষ্ট্ৰসংঘত দাখিল কৰে। কিন্তু চীন আৰু ৰাছিয়াই সন্মতি নিদিয়াত আমেৰিকাই পদক্ষেপ সফল নহ'ল।

## বিজেপিৰ টিকটত কৰিব প্ৰতিদ্বন্দ্বিতা, অপৰ্ণাক আশীৰ্বাদ সমাজবাদী মুলায়মৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২১ জানুৱাৰী ঃ** বিজেপিত যোগদানৰ পাছত অপৰ্ণা যাদৱে শহুৰ মুলায়ম সিং যাদৱৰ আশীৰ্বাদ গ্ৰহণ কৰিলে। উল্লেখ্য যে সমাজবাদী পাৰ্টিৰ প্ৰতিষ্ঠাপক মুলায়মৰ কণিষ্ঠ বোৱাৰী অপৰ্ণাই অলপতে বিজেপিত যোগদান কৰাৰ পাছত সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে শুভেচ্ছা জনাই কৈছিল যে সমাজবাদী মতাদৰ্শ বিজেপিত প্ৰৱেশ কৰাৰ বাবে তেওঁ আনন্দিত হৈছে। বিজেপিত যোগদানৰ পাছত লক্ষ্ণৌলৈ উভতি অহা অপৰ্ণাই প্ৰথমে শহুৰ মুলায়মৰ চৰণ চুই আশীৰ্বাদ গ্ৰহণ কৰে। বিজেপিৰ সূত্ৰৰ খবৰ অনুসৰি অপৰ্ণাই লক্ষ্ণৌ কেণ্টন সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনা আছে।

## ছিৰিয়াত পুনৰ সক্ৰিয় আইছিছ, কাৰাগাৰ আক্ৰমণত মুক্ত একাধিক জেহাদী



**নিউজ ব্যুৰ' বেইৰুট, ২১ জানুৱাৰী ঃ** শেহতীয়াভাৱে ছিৰিয়াত আকৌ এবাৰ সক্ৰিয় হৈ উঠিছে ইছলামিক ষ্টেট (আইছিছ)। ইছলামিক সন্ত্ৰাসবাদী সংগঠনটোৰ একাংশ সদস্যই অলপতে ছিৰিয়াৰ এটা কাৰাগাৰত আক্ৰমণ চলাই কে'বাজনো কুখ্যাত জেহাদীক মুক্ত কৰিছিল। ব্ৰিটেইনস্থিত মানৱাধিকাৰ সংস্থা ছিৰিয়ান অবজাৰভেটৰি ফৰ হিউমেন ৰাইটছৰ তথ্য অনুসৰি, কালি ছিৰিয়াৰ উত্তৰ-পূবৰ হাছাখ প্ৰদেশত কুৰ্ড বিদ্ৰোহীৰ নিয়ন্ত্ৰণাধীন এখন কাৰাগাৰত আইছিছৰ সদস্যই আক্ৰমণ সংঘটিত কৰিছিল। বিস্ফোৰকবাহী ট্ৰাকেৰে আইছিছে উক্ত কাৰাগাৰত আত্মঘাতী আক্ৰমণ সংঘটিত কৰে আৰু ইয়াৰ পাছত কাৰাগাৰৰ নিৰাপত্তা বাহিনীৰ স'তে তুমুল সংঘৰ্ষৰ অন্তত কে'বাজনো কুখ্যাত সন্ত্ৰাসবাদীক জেহাদীয়ে মুকলি কৰি নিয়ে। এই সংঘৰ্ষত কে'বাজনো কুৰ্ড বিদ্ৰোহী আহত হ'ল।

## বিজেপি নহয়, উত্তৰাখণ্ডত পিতৃৰ হৈহে প্ৰচাৰ চলাব সংগীত শিল্পী জুবিন নৌটিয়ালে



**নিউজ ব্যুৰ', ডেৰাডুন, ২১ জানুৱাৰী ঃ** উত্তৰাখণ্ড বিধানসভাৰ নিৰ্বাচনত বিজেপিৰ হৈ প্ৰচাৰ চলোৱাৰ সন্দৰ্ভত নিজৰ স্থিতি স্পষ্ট কৰিলে জনপ্ৰিয় সংগীতশিল্পী জুবিন নৌটিয়ালে। শিল্পীগৰাকীয়ে কয় যে তেওঁ কেৱল পিতৃ ৰামচৰণ নৌটিয়ালৰ হৈহে নিৰ্বাচনৰ প্ৰচাৰত ব্যক্তিগতভাৱে অংশ ল'ব। উত্তৰাখণ্ডৰ অন্যান্য সমষ্টিত বিজেপিৰ হৈ প্ৰচাৰ চলোৱাৰ সিদ্ধান্ত লোৱা নাই বুলিও জুবিনে জানিবলৈ দিয়ে। উল্লেখ্য যে উত্তৰাখণ্ড বিধানসভা নিৰ্বাচনৰ বাবে বৃহস্পতিবাৰে বিজেপিয়ে প্ৰথমখন প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছিল। এই তালিকাত জুবিনৰ পিতৃ ৰামচৰণে ডেৰাডুনৰ চকৰাতা সমষ্টিৰ টিকট লাভ কৰিছিল। পিতৃয়ে বিজেপিৰ টিকট লাভ কৰাৰ পাছত জুবিনে কয় যে তেওঁ পিতৃৰ হৈ ব্যক্তিগতভাৱে নিৰ্বাচনৰ প্ৰচাৰত অংশ ল'ব।


## আন্তৰ্জাতিক প্ৰভাৱ অটুট ঃ বাইডেন-ট্ৰুডুক অতিক্ৰমি জনপ্ৰিয়তাৰ শিখৰত মোদী

**নিউজ ব্যুৰ' নতুন দিল্লী, ২১ জানুৱাৰী ঃ** একাধিক বিতৰ্কৰ স'তে সাঙোৰ খাই অহাৰ পাছতো আন্তৰ্জাতিক মঞ্চত নিজৰ জনপ্ৰিয়তা অটুট ৰাখিবলৈ সফল হ'ল ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। বিশ্বৰ সবাতোকৈ জনপ্ৰিয় ৰাষ্ট্ৰনেতাৰ তালিকাত আকৌ এবাৰ শীৰ্ষস্থান লাভ কৰিলে ভাৰতৰ প্ৰধানমন্ত্ৰীজনে। মৰ্ণিং কনচাল্ট পলিটিকেল ইণ্টেলিজেন্সৰ শেহতীয়া এক সমীক্ষাত প্ৰকাশ পোৱা অনুসৰি এই মুহূৰ্তত সবাতোকৈ জনপ্ৰিয় ৰাষ্ট্ৰীয় নেতা হৈছে ভাৰতৰ প্ৰধানমন্ত্ৰী মোদী। এপ্ৰুভেল ৰেটিং বা গ্ৰহণযোগ্যতাৰ হাৰৰ নিৰিখত মোদীয়ে পিছ পেলালে আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেন, ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন, কানাডাৰ ৰাষ্ট্ৰনেতা জাষ্টিন ট্ৰুডুৰ দৰে বিশিষ্ট বিশ্বনেতাক। ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পাছতে সবাতোকৈ অধিক গ্ৰহণযোগ্যতা আছে মেক্সিকোৰ ৰাষ্ট্ৰপতি ল'পেজ অ'ব্ৰাডাৰৰ। তালিকাখনত জনপ্ৰিয়তাৰ নিৰিখত



ষষ্ঠ স্থানত আছে মাৰ্কিন ৰাষ্ট্ৰপতি বাইডেন। সমীক্ষাটোত মোদীয়ে ৭১ শতাংশ লোকৰ সমৰ্থন লাভ কৰি বিশ্বৰ সবাতোকৈ জনপ্ৰিয় ৰাষ্ট্ৰনেতা হিচাপে স্বীকৃত হয়। মেক্সিকোৰ ৰাষ্ট্ৰপতিক ৬৬ শতাংশ লোকে আৰু ইটালীৰ প্ৰধানমন্ত্ৰী মাৰিঅ' ড্ৰাঘিক ৬০ শতাংশ লোকে জনপ্ৰিয় ৰাষ্ট্ৰনেতা আখ্যা দিছে। তালিকাত চতুৰ্থ স্থানত আছে জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিচিদা আৰু তেওঁৰ গ্ৰহণযোগ্যতা হৈছে ৪৮ শতাংশ। আনহাতে, কানাডাৰ ৰাষ্ট্ৰপতি ট্ৰুডুৰ গ্ৰহণযোগ্যতা হৈছে ৪৩ শতাংশ। অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী স্কট মৰিছনক ৪১ শতাংশ লোকে জনপ্ৰিয় ৰাষ্ট্ৰনেতা অভিহিত কৰে।

## বিধানসভাৰ নিৰ্বাচনত মহিলাক টিকট প্ৰদানৰ ক্ষেত্ৰত পুনৰ কাৰ্পণ্য বিজেপিৰ



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জানুৱাৰী ঃ** মহিলাক নিৰ্বাচনত প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত বিজেপিয়ে কাৰ্পণ্য আচৰণ প্ৰদৰ্শন কৰাৰ অভিযোগ নতুন নহয়। লোকসভাৰ লগতে বিধানসভাৰ নিৰ্বাচনতো বিজেপিয়ে খুব কম সংখ্যক মহিলাকহে দলীয় প্ৰাৰ্থিত্ব প্ৰদান কৰি আহিছে। ইতিমধ্যে বিজেপিয়ে গোৱা, উত্তৰাখণ্ড, উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিছে। গোৱা আৰু উত্তৰাখণ্ডত বিজেপিৰ মহিলা প্ৰাৰ্থীৰ সংখ্যা তেনেই নগণ্য। যোৱা বিধানসভাত ৪০ সমষ্টিত ৩৪ সমষ্টিৰ বাবে বিজেপিয়ে প্ৰাৰ্থিত্ব প্ৰদান কৰিলে আৰু ইয়াৰে মাত্ৰ দুটা সমষ্টিত মহিলাই প্ৰাৰ্থিত্ব লাভ কৰিছে। আনহাতে, উত্তৰাখণ্ডত ৭০ সমষ্টিৰ ৫৯ সমষ্টিৰ বাবে বিজেপিয়ে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিলে। উত্তৰাখণ্ডত বিজেপিয়ে মাত্ৰ ছগৰাকী মহিলাক দলৰ টিকট প্ৰদান কৰিলে। কিছুদিন পূৰ্বে উত্তৰ প্ৰদেশ বিধানসভাৰ প্ৰথম দুটা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বিজেপিয়ে প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰি ১১০ জনক দলৰ টিকট প্ৰদান কৰিছিল। সেই ১১০ প্ৰাৰ্থীৰ মাজত বিজেপিয়ে মহিলাক ১১ সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰিলে।

## পাকিস্তানত পুনৰ কৰ'নাৰ সংক্ৰমণ বৃদ্ধি, প্ৰথমবাৰলৈ সৰ্বাধিক সংখ্যক আক্ৰান্ত



**নিউজ ব্যুৰ' ইছলামাবাদ, ২১ জানুৱাৰী ঃ** পাকিস্তানৰ কৰ'নাৰ সংক্ৰমণ আকৌ বৃদ্ধি পাবলৈ ধৰিছে। যোৱা ২৪ ঘণ্টাত দেশখনত নতুনকৈ ক'ভিডত সংক্ৰমিত হ'ল ৭,৬৭৮ জন লোক। ২০২০ত ক'ভিড মহামাৰীৰ পুনৰ আগমনৰ পাছত পাকিস্তানত প্ৰথমবাৰলৈ ইমান বৃহৎ সংখ্যক লোক এদিনতে কৰ'নাত আক্ৰান্ত হ'ল। ইয়াৰ পূৰ্বে পাকিস্তানক ২০২০ৰ ১৩ জুনত সৰ্বাধিক ৬,৮২৫ জন ক'ভিড ৰোগী চিনাক্ত কৰা হৈছিল। যোৱা ২৪ ঘণ্টাত পাকিস্তানত ২৩ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। বৰ্তমানলৈকে দেশখনত ২৯,০৬৫ জন ক'ভিড ৰোগীৰ প্ৰাণহানি হৈছে। পাকিস্তানত ক'ভিডৰ সমগ্ৰ পৰ্বটোত ১.৩৫ নিযুতৰো অধিক লোক কৰ'নাত আক্ৰান্ত হ'ল। কৰ'নাৰ ব্যাপক সংক্ৰমণৰ পাছত ইমৰান খানৰ চৰকাৰে দেশখনত তলাবন্ধৰ সিদ্ধান্ত গ্ৰহণৰ পৰা বিৰত আছে।

## উত্তৰ প্ৰদেশত কংগ্ৰেছৰ মুখ্যমন্ত্ৰী কোন ঃ উত্তৰ দিলে প্ৰিয়ংকাই 'মোৰ বাহিৰে আৰু কোন?'

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ২১ জানুৱাৰী ঃ** উত্তৰ প্ৰদেশত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে আজি কংগ্ৰেছে নিৰ্বাচনী ঘোষণাপত্ৰ প্ৰকাশ কৰিলে। এই ঘোষণাপত্ৰত দলটোৱে ৰাজ্যখনত ২০ লাখ যুৱক-যুৱতীক সংস্থাপনৰ লগতে অন্যান্য প্ৰতিশ্ৰুতি দিছে। কংগ্ৰেছে নিৰ্বাচনী ঘোষণাপত্ৰ প্ৰকাশ কৰাৰ দিনাই দলৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰাই নিজকে উত্তৰ প্ৰদেশৰ কংগ্ৰেছৰ মুখ্যমন্ত্ৰীৰ পদপ্ৰাৰ্থী হিচাপে ঘোষণা কৰিলে। অৱশ্যে প্ৰিয়ংকাই প্ৰত্যক্ষভাৱে নিজকে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী পদপ্ৰাৰ্থী বুলি নকৈ ইয়াৰ এক কৌশলপূৰ্ণ ইংগিত দিলে। দলৰ নিৰ্বাচনী ঘোষণাপত্ৰ প্ৰকাশ কৰাৰ অনুষ্ঠানত সাংবাদিকে উত্তৰ প্ৰদেশত কংগ্ৰেছৰ মুখ্যমন্ত্ৰী পদপ্ৰাৰ্থী কোন বুলি প্ৰিয়ংকাক প্ৰশ্ন কৰাত কংগ্ৰেছৰ



সাধাৰণ সম্পাদকগৰাকীয়ে হাঁহি হাঁহি কয়, 'আপোনালোকে উত্তৰ প্ৰদেশত আন কোনোবা চেহেৰা প্ৰত্যক্ষ কৰিছে নেকি? আপোনালোকে কওকচোন উত্তৰ প্ৰদেশত কাক মুখ্যমন্ত্ৰী হিচাপে প্ৰত্যক্ষ কৰিছে?' উল্লেখ্য যে ৰাহুল গান্ধীৰ উপস্থিতিত আজি প্ৰিয়ংকাই দিল্লীতে উত্তৰ প্ৰদেশ বিধানসভাৰ নিৰ্বাচনৰ বাবে দলৰ এই ঘোষণাপত্ৰ জাৰি কৰে।

## সমাজবাদীৰ দুৰ্গৰ পৰাই প্ৰথমবাৰলৈ বিধানসভাত প্ৰতিদ্বন্দ্বিতা অখিলেশৰ



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২১ জানুৱাৰী ঃ** একাধিকবাৰ লোকসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিলেও কোনো দিনে বিধানসভাৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাপে থিয় দিয়া নাছিল সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেশ যাদৱে। কিন্তু অৱশেষত প্ৰচণ্ড ৰাজনৈতিক হেঁচাত প্ৰথমবাৰলৈ উত্তৰ প্ৰদেশত বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ সিদ্ধান্ত ল'লে অখিলেশে। সূত্ৰৰ খবৰ অনুসৰি সমাজবাদী পাৰ্টিৰ মুৰব্বীজনে উত্তৰ প্ৰদেশৰ কৰহল সমষ্টিত প্ৰাৰ্থী হিচাপে থিয় দিব। মইনপুৰী লোকসভাৰ অন্তৰ্গত এই সমষ্টিতো ১৯৯৩ বৰ্ষৰ পৰাই সমাজবাদী পাৰ্টিৰ দুৰ্গ হিচাপে পৰিচিত হৈ আহিছে। মাত্ৰ ২০০২ৰ বিধানসভাৰ নিৰ্বাচনত এবাৰ কৰহল সমষ্টিতো বিজেপিয়ে দখল কৰিছিল। অৱশ্যে বিজেপিৰ টিকটত জয়লাভ কৰিলেও সুবাৰন সিং যাদৱে পাছত সমাজবাদী পাৰ্টিত যোগদান কৰিছিল। সমাজবাদী পাৰ্টিৰ এনে এক দুৰ্গৰ পৰাই বিধানসভাৰ আগন্তুক নিৰ্বাচনত অভিষেক ঘটাবলৈ সাজু হৈছে মুলায়ম সিং যাদৱৰ পুত্ৰই। অৱশ্যে এই সন্দৰ্ভত বৰ্তমানলৈকে সমাজবাদী পাৰ্টিয়ে কোনো আনুষ্ঠানিক ঘোষণা কৰা নাই। ২০১২ত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হোৱাৰ সময়ত অখিলেশে বিধান পৰিষদৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। উল্লেখ্য যে ২০১৭ত যোগী আদিত্যনাথেও একে পথৰে অগ্ৰসৰ হৈ উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী হৈছিল আৰু এইবাৰ প্ৰথমবাৰৰ বাবে যোগীয়ে ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব।

## ২৪ ঘণ্টাত বিশ্বত পুনৰ কৰ'নাত সংক্ৰমিত ৩৫.৯৫ লাখ লোক




**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২১ জানুৱাৰী ঃ** যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত নতুনকৈ ৩৫.৯৫ লাখ লোক কৰ'নাত সংক্ৰমিত হ'ল। আনহাতে, বিগত এদিনত ক'ভিডত প্ৰাণ হেৰুৱালে বিশ্বৰ ৯,০৭০ জন লোকে। অৱশ্যে যোৱা ২৪ ঘণ্টাত বিশ্বৰ বিভিন্ন দেশত আৰোগ্য হৈ উঠিল ৩১.০৬ লাখ ক'ভিড ৰোগী। দৈনিক সংক্ৰমণৰ ক্ষেত্ৰত যোৱা ২৪ ঘণ্টাত ৭.২৭ লাখ নতুন আক্ৰান্তৰে শীৰ্ষ স্থানত আছে আমেৰিকা। দ্বিতীয় স্থানত থকা ফ্ৰান্সত বিগত এদিনত ৪.৩৬ লাখ লোক কৰ'নাত সংক্ৰমিত হ'ল। ইফালে, ভাৰততো যোৱা ২৪ ঘণ্টাত নতুনকৈ ৩.৪৪ লাখ লোক কৰ'নাত আক্ৰান্ত হ'ল। বিগত এদিনত আমেৰিকাত ২,৪৮৫ জন ক'ভিড ৰোগীৰ মৃত্যু হ'ল। ভাৰতত যোৱা ২৪ ঘণ্টাত প্ৰাণ হেৰুৱালে ৬৯৮ ক'ভিড ৰোগীয়ে। সমগ্ৰ বিশ্বত বৰ্তমানে ৬.০৯ কোটি সক্ৰিয় ক'ভিড ৰোগী আছে। কেৱল আমেৰিকাতে আছে ২.৫৫ কোটি ক'ভিড ৰোগী। বিশ্বত বৰ্তমানলৈকে ৩৪.২৭ কোটিৰো অধিক লোক ক'ভিডত সংক্ৰমিত হ'ল। আনহাতে, বৰ্তমানলৈকে বিশ্বৰ বিভিন্ন দেশত ৫৫.৯২ লাখ লোকে কৰ'নাত আক্ৰান্ত হৈ প্ৰাণ হেৰুৱালে। বৰ্তমানলৈকে ২৭.৬২ কোটি ক'ভিড ৰোগী সুস্থ হৈ উঠিছে।

## দিল্লীত বাহাল থাকিব সপ্তাহান্তিক সান্ধ্যআইন, খুলিব ব্যক্তিগত কাৰ্যালয়



**নিউজ ব্যুৰ', নতুন দিল্লী, ২১ জানুৱাৰী ঃ** দেশৰ ৰাজধানী দিল্লীত সপ্তাহান্তিকত সান্ধ্য আইন অব্যাহত থাকিব। তদুপৰি দিল্লীৰ সকলোবোৰ ব্যক্তিগত খণ্ডৰ কাৰ্যালয়ে ৫০ শতাংশ কৰ্মচাৰীৰে কাম-কাজ আৰম্ভ কৰিব পাৰিব। দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালে উপৰাজ্যপাল অনিল বৈজাললৈ পত্ৰ লিখি ৰাজধানী চহৰখনত সপ্তাহান্তিক সান্ধ্যআইন প্ৰত্যাহাৰ কৰিবলৈ প্ৰস্তাৱ দিছিল। বৈজালে ৫০ শতাংশ কৰ্মচাৰীৰে ব্যক্তিগত কাৰ্যালয় খোলাৰ প্ৰস্তাৱত অনুমোদন জনাই যদিও সপ্তাহান্তিকৰ সান্ধ্যআইন বাহাল ৰাখে। উপৰাজ্যপালে কয় যে পৰিস্থিতি উন্নত হ'লে সান্ধ্যআইন প্ৰত্যাহাৰ আৰু দোকান খোলাৰ সন্দৰ্ভত পৰৱৰ্তী সময়ত সিদ্ধান্ত লোৱা হ'ব।

## ইৰানত ভ্ৰষ্টাচাৰ বিৰোধিতাৰ শাস্তি মৃত্যুদণ্ড, বক্সিং চেম্পিয়নক ফাঁচিৰ নিৰ্দেশ



**নিউজ ব্যুৰ', তেহৰান, ২১ জানুৱাৰী ঃ** ইৰানত বক্সিং চেম্পিয়ন মহম্মদ জাবেদক মৃত্যুদণ্ডৰ ৰায় দিলে আদালতে। জাবেদে ২০১৯ বৰ্ষত ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে আন্দোলনত অংশ লৈছিল। ইজৰাইলৰ পৰা প্ৰকাশিত সংবাদপত্ৰ 'জেৰুজালেম প'ষ্ট'ৰ বাতৰি অনুসৰি বক্সিং চেম্পিয়ন জাবেদক ইৰানৰ এখন আদালতে ভ্ৰষ্টাচাৰ বিৰোধিতাৰ অভিযোগত মৃত্যুদণ্ডৰ ৰায় দিলে। সাংবাদিক তথা মানৱাধিকাৰ কৰ্মী মছিহ অলিনেজাদে এই কথা প্ৰকাশ কৰি টুইটাৰত কয়, 'ইৰানত পুনৰ এজন এথলিট খেলুৱৈক নৱেম্বৰ ২০১৯ত ভ্ৰষ্টাচাৰ বিৰোধী প্ৰতিবাদত অংশ লোৱাৰ কাৰণত মৃত্যুদণ্ডৰ নিৰ্দেশ দিয়া হ'ল। মহম্মদ জাবেদ এজন বক্সিং চেম্পিয়ন। তেওঁক ভ্ৰষ্টাচাৰৰ অভিযোগত আদালতে দোষী সাব্যস্ত কৰি এই শাস্তিৰ ৰায় দিলে।' উল্লেখ্য যে ২০১৮ত নাভিদ নামৰ আন এজন খেলুৱৈক ইৰানত গ্ৰেপ্তাৰ কৰা হৈছিল আৰু পাছত তেওঁক ২০২০ত ফাঁচি দিয়া হৈছিল। এক প্ৰতিবেদনৰ তথ্য অনুসৰি ইৰানত প্ৰতি বছৰে গড়ে ২৫০ জন লোকক ফাঁচি দিয়া হয়।

## অষ্ট্ৰিয়াত ফেব্ৰুৱাৰীৰ পৰা বাধ্যতামূলক ক'ভিড টিকাকৰণ



**নিউজ ব্যুৰ', ভিয়েনা, ২১ জানুৱাৰী ঃ** ক'ভিড প্ৰতিৰোধৰ বাবে টিকাকৰণৰ ক্ষেত্ৰত অধিক কঠোৰ হ'ল অষ্ট্ৰিয়া। দেশখনৰ সংসদে টিকাকৰণ বাধ্যতামূলক কৰাৰ বিধেয়কত অনুমোদন জনালে। অহা পহিলা ফেব্ৰুৱাৰীৰ পৰা অষ্ট্ৰিয়াত টিকাকৰণ বাধ্যতামূলক আইনখন প্ৰযোজ্য হ'ব। উল্লেখ্য যে টিকাকৰণ বাধ্যতামূলক কৰা অষ্ট্ৰিয়াই হৈছে ইউৰোপীয় সংঘৰ প্ৰথমখন দেশ। পশ্চিম ইউৰোপৰ এইখন দেশত বৰ্তমানলৈকে ৭৫ শতাংশ টিকাকৰণ সম্পন্ন হৈছে। ৯০ লাখ জনসংখ্যাৰ অষ্ট্ৰিয়াত দৈনিক গড়ে ১৭ হেজাৰ লোক সম্প্ৰতি কৰ'নাত সংক্ৰমিত হৈ আহিছে।

## বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলিলৈ কঢ়িয়াই আনিছে অংশনি সংকেত

# খুমটাইৰ ঠেঙাল গাঁৱত ধনশিৰি নৈৰ ভয়াবহ খহনীয়া



### বাৰিষাৰ পূৰ্বে মথাউৰি নিৰ্মাণৰ দাবী আটাছুৰ

**খুমটাই, ২১ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ খুমটাই ৰাজহ চক্ৰৰ অন্তৰ্গত ঠেঙাল গাঁৱৰ পাৰঘাটত ধনশিৰি নদীৰ প্ৰবল গৰাখহনীয়া অব্যাহত আছে। উল্লেখ্য যে এছিয়া মহাদেশৰ ভিতৰত এঁকা-বেঁকা নদী হিচাপে খ্যাত ধনশিৰি নৈৰ ভয়াবহ খহনীয়া ঠেঙাল গাঁৱৰ পাৰঘাটত বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলিলৈ অংশনি সংকেত কঢ়িয়াই আনিছে। নৈ খহনীয়াৰ ফলত বৰ্তমান সময়ত নদীৰ আৰু ধোদৰ আলিৰ মাজত দূৰত্ব প্ৰায় ৩০ মিটাৰ মানহে আছে। যদিহে শীঘ্ৰেই বিভাগীয় কৰ্তৃপক্ষই খহনীয়া ৰোধৰ ব্যৱস্থা নকৰে তেনেহ'লে বাৰিষাত খহনীয়াত জাহ যাব ঐতিহাসিক আলিটো।

ইফালে, নৈখনৰ খহনীয়াৰ ফলত কে'বাটাও পৰিয়ালৰ বাসগৃহ ইতিমধ্যে অন্য স্থানলৈ স্থানান্তৰ কৰিব লগা হোৱাৰ লগতে নৈখনৰ কাষৰ কে'বা ঘৰ বাসিন্দাই অনিদ্ৰাত নিশা কটাবলগীয়া পৰিস্থিতি সৃষ্টি হৈছে। ইফালে নৈখনে প্ৰায় ৫০ ফুটতকৈ অধিক বহলকৈ নৈৰ গৰা বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলিৰ ফালে খহনীয়াত জাহ যোৱাত তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলিলৈ। ইফালে, নৈখনৰ ভয়াবহ খহনীয়া স্থান শীঘ্ৰেই স্থানীয় প্ৰশাসনৰ লগতে বিভাগীয় কৰ্তৃপক্ষই পৰিদৰ্শন কৰি খহনীয়া প্ৰতিৰোধৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা শীঘ্ৰেই পালন নকৰিলে অনাগত কিছুদিনৰ ভিতৰতে বুৰঞ্জী প্ৰসিদ্ধ ধোদৰ আলিৰ লগতে নৈখনৰ কাষৰ প্ৰায় পাঁচটা পৰিয়ালৰ ভূমি নৈৰ বুকুত যাহ যাব এয়া প্ৰায় নিশ্চিত। উল্লেখ যে ঠেঙাল পাৰঘাটত অঞ্চলৰ ধনশিৰি নৈ খহনীয়াৰ সন্দৰ্ভত বিভিন্ন দল-সংগঠনে বিভাগীয় কৰ্তৃপক্ষক খহনীয়াৰ সন্দৰ্ভত অৱগত কৰিছে যদিও আজি পৰ্যন্ত কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ তুলিছে তাই আহোম ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিয়ে। সেয়েহে বাৰিষাৰ পূৰ্বে ঠেঙাল পাৰঘাটৰ খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে আটাছুৰ গোলাঘাট জিলা সমিতিয়ে।

## বিশ্বনাথ জিলা টে'ট উত্তীৰ্ণ শিক্ষক সমাজৰ দ্বি-বাৰ্ষিক অধিবেশন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২১ জানুৱাৰী ঃ** সদৌ অসম টেট' উত্তীৰ্ণ শিক্ষক সমাজৰ বিশ্বনাথ জিলাৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিবেশন কালি অনুষ্ঠিত হয়। অনুষ্ঠানত বিশ্বনাথ জিলাৰ পুৰণি সমিতিখন ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। নতুন সমিতিখনৰ সভাপতিৰূপে নিৰ্বাচিত হয় বিশ্বনাথ শিক্ষাখণ্ডৰ শিক্ষক প্ৰদীপ শইকীয়া। আনহাতে, সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত হয় বিহালী শিক্ষাখণ্ডৰ দীপাংকৰ বায়ন আৰু সহকাৰী সম্পাদকৰূপে ছয়দুৱাৰৰ মানস বৰুৱা আৰু নদুৱাৰৰ দুল কুমাৰ লাহন। সাংগঠনিক সম্পাদক নিৰ্বাচিত হয় ছয়দুৱাৰৰ প্ৰফুল্ল বৰা। তিনিজন ৰাজ্যিক সদস্য ক্ৰমে ছয়দুৱাৰ শিক্ষা খণ্ডৰ দিলীপ ছেত্ৰী, বিশ্বনাথ শিক্ষাখণ্ডৰ নুপুৰমণি হাজৰিকা, নদুৱাৰ শিক্ষাখণ্ডৰ অৰূপ বৰা। সমিতিখনৰ মুখপাত্ৰৰূপে নিৰ্বাচিত হয় বিহালী শিক্ষাখণ্ডৰ নৱজ্যোতি গোস্বামী, উপ-সভাপতিৰূপে নিৰ্বাচিত হয় বিহালী শিক্ষাখণ্ডৰ বিমল শৰ্মা।

## চিৰাং জিলাত ক'ভিড সংক্ৰমণ বৃদ্ধি বনভোজস্থলীত বনভোজ খোৱাত নিষেধাজ্ঞা

অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ২১ জানুৱাৰী ঃ** চিৰাং জিলাত ক'ভিড পৰিস্থিতি ক্ৰমাৎ বৃদ্ধি পোৱাত ইয়াৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে আগত ৰাখি চিৰাং জিলা প্ৰশাসনে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। চিৰাং জিলা দুৰ্যোগ প্ৰশসন কৰ্তৃপক্ষ তথা জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে এক নিৰ্দেশযোগে জিলাখনৰ সকলো বনভোজস্থলীত তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ বনভোজ খোৱাত বাধা আৰোপ কৰিছে। নিৰ্দেশনা অনুসৰি কাইলৈ পুৱা ছবজাৰ পা এই নিৰ্দেশ কাৰ্যকৰী হ'ব আৰু পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব। নিৰ্দেশনাত উল্লেখ কৰা মতে, অনাৱশ্যক কাৰণত ৰাজহুৱা ঠাইত সমাগম কৰা সামাজিক দূৰত্ব বজাই ৰখা বাবে হাত ধোৱা আৰু ছেনিটাইজাৰ ব্যৱহাৰৰ বাবে সকলোকে আহ্বান জনাইছে জিলা প্ৰশাসনে।

## হোজাইত নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্মজয়ন্তী উদ্‌যাপনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**হোজাই, ২১ জানুৱাৰী ঃ** নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৬ সংখ্যক জন্ম জয়ন্তী স্প'ৰ্টছ ফৰ য়ুথ, হোজাইৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে হোজাই চহৰত উদ্‌যাপন কৰা হয়। স্প'ৰ্টছ ফৰ য়ুথ, হোজাইৰ আহ্বায়ক স্বপন সৰকাৰে উল্লেখ কৰা মতে, অহা ২৩ জানুৱাৰীৰ পুৱা ন বজাত হোজাই চহৰৰ কালিবাড়িস্থিত কালীমন্দিৰ চৌহদত নেতাজীৰ প্ৰতিচ্ছবিত মাল্যদান, জাতীয় পতাকা উত্তোলন, আবেলি নেতাজীৰ প্ৰতিচ্ছবিসহ অন্যান্য কাৰ্যসূচীৰে হোজাই চহৰত সমদল উলিওৱা হ'ব। আনহাতে, অহা ২৪ জানুৱাৰীৰ সন্ধিয়া নেতাজীৰ জন্মজয়ন্তী উদ্‌যাপনৰ অংশ ৰূপে হোজাই চহৰৰ কাবেৰী হোটেলৰ সমীপতে মুকলি সভা অনুষ্ঠিত হ'ব। মুকলি সভাত মুখ্য অতিথি হিচাপে হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ, বিশিষ্ট অতিথি হিচাপে প্ৰাক্তন মন্ত্ৰী ডাঃ অৰ্ধেন্দু কুমাৰ দে আৰু সমাজ সেৱক দেৱশীষ সুৰ উপস্থিত থাকিব।

## চিৰাঙৰ উলুবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ২১ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনী মহকুমাৰ উলুবাৰীস্থিত উলুবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱ আজিৰে পৰা তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। ড্ৰাগছ মুক্ত সমাজ আৰু শৈক্ষিক উত্তোৰণৰ বিষয়বস্তু লৈ উদাযাপন কৰা হৈছে এই উৎসৱ। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত উলুবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন প্ৰধান শিক্ষক বাপিৰাম মুছাহাৰীয়ে ছহিদ বেদীত বন্তি প্ৰজ্বলন কৰি বিদ্যালয়খনৰ প্ৰতিষ্ঠাপকসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰি বিদ্যালয় খনৰ প্ৰাক্তন শিক্ষক সন্তোষ খাখলাৰীয়ে। ইয়াৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হয় চিত্ৰাংকন প্ৰতিযোগিতা। এই অনুষ্ঠানৰ পাছতে এবছুৰ প্ৰাক্তন সভাপতি তথা ফকিৰাগ্ৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ সন্তোলা বসুমতাৰীৰ সঞ্চালনাত অনুষ্ঠিত হয় প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সন্মিলন। অনুষ্ঠানত বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ বৰ্তমানৰ বিজনীৰ বিধায়ক অজয় কুমাৰ ৰয় সহ ভালেমান প্ৰাক্তন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি নিজৰ নিজৰ নষ্টালজিক সময়ৰ কথা স্মৰণ কৰে। এই অনুষ্ঠানতে শংকৰ খাক্লাৰীৰ সম্পাদনাত প্ৰকাশ কৰি উলিওৱা বিদ্যালয়খনৰ 'আয়না' দ্বিতীয় শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। বিজনীৰ প্ৰাক্তন বিধায়ক কমলসিং নাৰ্জাৰীয়ে স্মৃতিগ্ৰন্থখন উন্মোচন কৰি উলুবাৰী হাইস্কুলৰ ইতিহাস সম্পৰ্কে বক্তৃতা প্ৰদান কৰে। সন্তোলা বসুমতাৰীৰ সঞ্চালনাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সন্মিলন অনুষ্ঠিত কৰাৰ লগতে উলুবাৰী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্ধনা জনোৱা হয়। ইফালে, বিদ্যালয়খনে সোণালী জয়ন্তী উৎসৱ ড্ৰাগছমুক্ত সমাজ আৰু শৈক্ষিক উত্তোৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা লোৱা বুলি সংবাদমাধ্যমৰ সন্মুখত মন্তব্য কৰে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি সিদ্ধান্ত ৰায়ে। সোণালী জয়ন্তী উৎসৱ সমিতিৰ সভাপতি খৰ্গেশ্বৰ মুছাহাৰীয়ে এই উৎসৱ উপলক্ষে সকলো ৰাইজে সহযোগিতা কৰা বুলি মত পোষণ কৰে। ২৩ জানুৱাৰীত অনুষ্ঠিত হ'বলগা মুকলি সভাত সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়ো উপস্থিত থাকিব বুলি জানিবলৈ দিয়ে।

## অসম বৈদিক-বৈষ্ণৱ মহাসভাৰ শ্ৰীশ্ৰীজিলা বৰ নামঘৰত অবিৰত ভাগৱত পাঠ

অগ্ৰদূত বাৰ্তা

**ফৰকাটিং, ২১ জানুৱাৰী ঃ** গোলাঘাট জিলা ঘিলাধাৰী মৌজাৰ আদৰ্শ গমাৰি পঞ্চায়তৰ অন্তৰ্গত পুলিবাগান নৱজ্যোতিত অৱস্থিত অসম বৈদিক-বৈষ্ণৱ মহাসভাৰ শ্ৰীশ্ৰীজিলা বৰনামঘৰত দুই ফেব্ৰুৱাৰীৰ পৰা অবিৰত ভাগৱত পাঠ কাৰ্যসূচী ক'ভিড বিধিৰ আওঁতাত অনুষ্ঠিত হ'ব। কাৰ্যসূচী অনুসৰি দুই ফেব্ৰুৱাৰীত ঊষা কীৰ্তন, স্বচ্ছ অভিযান, ধৰ্মধ্বজা উত্তোলন, বৃক্ষৰোপণ, গংগাজল আনয়ন, নাম-প্ৰসংগ ধৰ্মালোচনী সভাৰ লগতে বিয়লি গুৰু আৰু মূল পাঠকীসকলক আদৰণি সন্ধ্যা বন্তি প্ৰজ্বলন, নাম-প্ৰসংগ আৰু ৰাতিলৈ অধিবাস, সংকল্প গ্ৰহণ আৰু হবিষ্যান্ন গ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। অহা তিনি ফেব্ৰুৱাৰীত পুৱা ঊষা কীৰ্তন, ভাগৱত ভ্ৰমণ আৰু প্ৰতিষ্ঠা, নাম প্ৰসংগ, ন বজাৰ পৰা মূল পাঠকীসকলৰ দ্বাৰা ভাগৱত পাঠ আৰম্ভ হ'ব। নিতৌ পুৱা মূল শৰাই অৰ্চনা আৰু বিসৰ্জন কাৰ্যসূচী অব্যাহত থাকিব। ১০ ফেব্ৰুৱাৰীত পুৱা ভাগৱত পাঠ সামৰণি, নাম- প্ৰসংগ, শৰাই আৰু ভাগৱত বেদী বিসৰ্জন, প্ৰসাদ বিতৰণ, মূল পাঠক আৰু ভকতসকলৰ ব্ৰত ভংগ, দুপৰীয়া গুৰু আৰু ভকতসকলৰ বিদায় সম্ভাষণ আৰু সন্ধিয়া সাত বজাৰ পৰা মেৰাপানী মণিকূট নাট্যগোষ্ঠীৰ দ্বাৰা 'গান্ধাৰীৰ কৃষ্ণ দৰ্শন' নাটৰ ভাওনা প্ৰদৰ্শন কৰা হ'ব।

# ভাৰতীয় খাদ্য নিগমে কৃষকৰ পৰা ১৯৪০ টকাত ক্ৰয় কৰিব ধান

## নাহৰকটীয়াৰ চাচনীত ধান ক্ৰয় কেন্দ্ৰ মুকলি বিধায়কৰ



অগ্ৰদূত বাৰ্তা

**নাহৰকটীয়া, ২১ জানুৱাৰী ঃ** নাহৰকটীয়াৰ বৃহত্তৰ কৃষিপ্ৰধান অঞ্চল চাচনীৰ ন-খটীয়া সোনোৱাল গাঁৱত আজি এটি ধান ক্ৰয় কেন্দ্ৰ মুকলি কৰে। খাৰীফ মাৰ্কেটিং ছিজন ২০২১-২০২২ অধীনত ভাৰতীয় খাদ্য নিগমৰ দ্বাৰা স্থাপন কৰা এই ধান ক্ৰয় কেন্দ্ৰটি আজি মুকলি কৰে নাহৰকটীয়াৰ বিধায়ক তৰংগ গগৈয়ে। উল্লেখ্য যে ৰাজ্যৰ খেতিয়কসকলে উৎপাদিত ধান যাতে উচিত মূল্যত বিক্ৰী কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্য চৰকাৰে প্ৰতিটো সমষ্টিতে ভাৰতীয় খাদ্য নিগমৰ অধীনত একোটাকৈ ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰিছে। উল্লেখ্য যে এতিয়াৰ পৰা কোনোধৰণৰ মধ্যভোগী আৰু দালাল নোহোৱাকৈ খেতিয়কে নিজে উৎপাদন কৰা ধান পোনপটীয়াকৈ চৰকাৰক বিক্ৰী কৰিব পাৰিব। এই ধান ক্ৰয় কেন্দ্ৰত খেতিয়কে প্ৰতি কুইন্টলত ১৯৪০ টকা দৰত বিক্ৰী কৰিব পাৰিব। ইফালে আজি এই ধান ক্ৰয় কেন্দ্ৰটি মুকলি কৰাৰ পাছত আজিৰ দিনটোত ১৩০ কুইন্টল ধান খেতিয়কৰ পৰা ক্ৰয় কৰে ভাৰতীয় খাদ্য নিগমে। আনহাতে এই ধান ক্ৰয় কেন্দ্ৰ জৰিয়তে ভাৰতীয় খাদ্য নিগমে নাহৰকটীয়া সমষ্টিৰ পৰা বছৰি ১০০০ মেট্ৰিকটন ধান ক্ৰয় কৰা লক্ষ্য স্থিৰ কৰা বুলি জানিবলৈ দিয়ে খাদ্য নিগমৰ বিষয়াসকলে। মনকৰিবলগীয়া যে উজনি অসমৰ বৃহৎ মৌজাৰূপে পৰিচিত চাচনীত প্ৰচুৰ পৰিমানে ধান উৎপাদন হয় এনে প্ৰেক্ষাপটত চাচনীৰ দীৰ্ঘদিনীয়া অভাৱ পূৰণ কৰি বিধায়ক তৰংগ গগৈৰ প্ৰচেষ্টাত চাচনীত এই ধান ক্ৰয় কেন্দ্ৰ স্থাপন হোৱাত বিধায়কজনক এতিয়া ভূয়সী প্ৰশংসা কৰিছে কৃষক ৰাইজে।

## গোৰেশ্বৰ-আন্ধেৰীঘাট সংযোগী 'বয়াগলা পথ'ৰ দুৰৱস্থা


অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২১ জানুৱাৰী ঃ** বাগ্‌সা জিলাৰ গুৰুত্বপূৰ্ণ গোৰেশ্বৰ চহৰৰ দীৰ্ঘদিনীয়া বাট-পথৰ সমস্যা কিছু লাঘৱ হৈছে যদিও আজিলৈ গোৰেশ্বৰ চহৰ সংযোগী কেবাটাও গড়কপ্তানী পথৰ অৱস্থা শোচনীয় হৈয়ে আছে। মুখ্যত বাইহাটা চাৰিআলি গোৰেশ্বৰ-বগামাটি পথটো বিগত সময়ছোৱাত নিৰ্মাণ কৰাত যাতায়তৰ ক্ষেত্ৰত থকা অঞ্চলটোৰ পূৰ্বৰ বদনাম কিছু হ্ৰাস পাইছে যদিও বহুকেইটা সংযোগী পথক এতিয়াও গড়কপ্তানী বিভাগটোৱে অৱহেলিত কৰি ৰাখিছে। বাগ্‌সা জিলাৰ গোৰেশ্বৰৰ পৰা দৰং জিলাৰ আন্ধেৰীঘাট সংযোগী মাত্ৰ সাত কিলোমিটাৰ দৈৰ্ঘৰ বয়াগলা পথটো জৰাজীৰ্ণ হৈয়ে আছে। বিজেপি মিত্ৰজোঁট চৰকাৰ অহাৰ পাছত ৰাইজে ভাবিছিল যে সম্পূৰ্ণ পথটো যাতায়তৰ সুগম হৈ উঠিব আৰু বাগ্‌সা আৰু দৰং দুয়োখন জিলাৰে এটি সুন্দৰ পথ ৰাইজে উপহাৰৰূপে পাব। অৱশ্যে চিন্তা কৰা ধৰণে পথটো মেৰামতি কৰাৰ ক্ষেত্ৰত বিধায়ক ভৱেশ কলিতাই গুৰুত্ব আৰোপ কৰি পদক্ষেপ গ্ৰহণ কৰিছিল যদিও পুনৰ পথটো জৰাজীৰ্ণ হৈ পৰিছে। কিন্তু আজি কেবামাহো ধৰি গোৰেশ্বৰৰ পৰা দৰং জিলাৰ আন্ধেৰীঘাটলৈ যোৱা পথ মেৰামতি কৰা নহ'ল। উল্লেখ্য যে যদিও বিজেপিৰ স'তে ইউপিপিএল মিত্ৰজোঁটৰ চৰকাৰৰ আছে তথাপি গোৰেশ্বৰ অঞ্চলৰ কেবাটাও পথৰ মেৰামতি তথা নিৰ্মাণৰ ক্ষেত্ৰত কলিতা আৰু বিটিআৰৰ গোৰেশ্বৰৰ সমষ্টিৰ এমচিএলএ পবিত্ৰ কুমাৰ বড়োই পথটোৰ মেৰামতিৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই। এতিয়া অতি গুৰুত্বপূৰ্ণ গোৰেশ্বৰ - আন্ধেৰীঘাট সংযোগী পথটোৰ জৰাজীৰ্ণ অৱস্থাৰ শতাধিক ছাত্ৰ-ছাত্ৰী , শিক্ষক -শিক্ষয়িত্ৰী , ব্যৱসায়ী সাধাৰণ ৰাইজে জৰাজীৰ্ণ খলাবমা পথৰে দুয়োখন ঠাইলৈ আহ- যাহ কৰিব লগা হৈছে। শীঘ্ৰে উক্ত পথছোৱাৰ মেৰামতি কৰি যাতায়তৰ সুচল কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

## মৰাণত ক'ভিড আক্ৰান্ত ১৭৭ এতিয়াও সজাগ নহয় একাংশ লোক

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২১ জানুৱাৰী ঃ** ৰাজ্যত ক'ভিডৰ তৃতীয় ঢৌত আক্ৰান্তৰ সংখ্যা পুনৰ বৃদ্ধি পাইছে। ডিব্ৰুগড় জিলাৰ মৰাণ ৰাজহ চক্ৰৰ অন্তৰ্গত তথা খোৱাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত বৃহত্তৰ মৰাণ অঞ্চলত কালিলৈকে ৩৪৭জনক ৰেড টেষ্ট কৰা হয়। ইয়াৰে ১৭৭জন ক'ভিডত আক্ৰান্ত হৈছে। আনহাতে, ৩৮জন ইতিমধ্যে সুস্থ হৈ উঠিছে। ১৩৫ সক্ৰিয় ক'ভিড আক্ৰান্ত হোৱা আইছ'লেছনত আছে। ইফালে, এবছৰৰ তলৰ চাৰি শিশুও চিকিৎসালয়ত ভৰ্তি হৈ আছে।



ক'ভিড নিয়ম ভংগ কৰি মুছলপুৰৰ বজাৰত ক্ৰেতাৰ ভিৰ।

## তেজপুৰত অনুষ্ঠিতব্য আছুৰ কেন্দ্ৰীয় সাধাৰণ সভা স্থগিত

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২১ জানুৱাৰী ঃ** সাম্প্ৰতিক কৰ'নাকালীন পৰিস্থিতিৰ বাবে তেজপুৰত অহা ফেব্ৰুৱাৰীত অনুষ্ঠিতব্য আছুৰ কেন্দ্ৰীয় সাধাৰণ সভাখন সাময়িকভাৱে স্থগিত ৰখা হৈছে। আজি এক সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে শোণিতপুৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ নাথে। উল্লেখ্য যে সুদীৰ্ঘ ২৮ বছৰৰ পাছত তেজপুৰত আছুৰ কেন্দ্ৰীয় সাধাৰণ সভাখন অহা ১০ৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় প্ৰস্তুতি চলোৱা হৈছিল। কিন্তু ইয়াৰ মাজতে কৰ'নাৰ প্ৰকোপ ৰাজ্যজুৰি বৃদ্ধি পোৱাত অনিৰ্দিষ্ট সময়লৈ এই কাৰ্যসূচী স্থগিত ৰখা হয়। আজি তেজপুৰ সাহিত্য সভা ভৱনৰ সভাকক্ষত আয়োজিত সংবাদমেলত আছুৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াসহ স্থানীয় আছু নেতৃত্বৰ উপস্থিতিত জিলা সভাপতি নাথে কয় যে সংগঠনটোৰ কেন্দ্ৰীয় সমিতি আৰু সাধাৰণ সভাৰ বাবে গঠিত অভ্যৰ্থনা সমিতিৰ আলোচনামৰ্মেই এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। কৰ'নাকালীন পৰিস্থিতি উন্নত হ'লেই পুনৰ এই সাধাৰণ সভাৰ তাৰিখ নিৰ্ধাৰণ কৰা হ'ব বুলিও সংবাদমেলত প্ৰকাশ কৰা হয়।

## তামুলপুৰত মাস্কবিহীন লোকৰ বিৰুদ্ধে ৰাজপথত নামিল চক্ৰ বিষয়া

### ক'ভিড বিধি উলংঘা কৰিলে জৰিমনাৰ সকীয়নি



অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২১ জানুৱাৰীঃ** সমগ্ৰ দেশ তথা ৰাজ্যজুৰি দ্ৰুত গতিত ক'ভিড সংক্ৰমন বৃদ্ধি পোৱাৰ পাছতো তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তত এচাম লোকে উদাসীন ভাৱে ক'ভিড বিধি অবজ্ঞা কৰি মাস্ক বিহীনভাৱে দোকান-বজাৰ আৰু ৰাজপথত ঘূৰি ফুৰা দেখা গৈছে। এনে লোকৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱাৰ সকীয়নি দি আজি তামুলপুৰৰ ৰাজহ চক্ৰ বিষয়া নিতীশা বৰাই নিজেই ৰাজপথত নামি বিভিন্ন পথাচাৰী আৰু যান বাহনত মাস্ক বিহীনভাৱে ভ্ৰমণ কৰা যাত্ৰীক মাস্ক পৰিধান কৰিবলৈ সকীয়নি দিয়াৰ উপৰি পৰৱৰ্তী পৰ্যায়ত জৰিমনা বিহাৰ কথা সকীয়াই দিয়ে। তামুলপুৰ আৰক্ষী থানাৰ আৰক্ষীৰ সহযোগত চক্ৰ বিষয়া গৰাকীয়ে তামুলপুৰ মহকুমাৰ বিভিন্ন ৰাজহুৱা স্থানত উপস্থিত হৈ মাস্ক পৰিধান নকৰা লোকৰ বিৰুদ্ধে অভিযান চলাই মাস্ক পৰিধান কৰিবলৈ বাধ্য কৰাৰ লগতে চাহ দোকান, হোটেলৰ লগতে অন্যান্য ব্যৱসায়ীক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰী তথা গ্ৰাহক সকল ৰাজ্য চৰকাৰে জাৰি কৰা এচওপি মানি চলিবলৈ আহ্বান জনাই। অন্যথা এছঅ'পি ভংগকাৰীসকলৰ ওপৰত আইনী ব্যৱস্থা গ্ৰহন কৰা হব বুলি সকীয়াই দিয়ে। চক্ৰ বিষয়া গৰাকীয়ে সাংবাদিকৰ আগত প্ৰকাশ কৰা মতে শেহতীয়াকৈ তামুলপুৰ মহকুমাৰ বিভিন্ন প্ৰান্তত ক'ভিডত আক্ৰান্তৰ সংখ্য বৃদ্ধি পোৱাৰ পাছতো একাংশ আঁকোৰগোজ লোকে মাস্ক পৰিধান নকৰাকৈ ৰাজহুৱা স্থান আদিত ঘুৰিফুৰা পৰিলক্ষিত হৈছে। তামুলপুৰ মহকুমা প্ৰশাসনৰ তৰফৰ পৰা ক'ভিড পৰিস্থিতি মোকাবিলা কৰিব পৰাকৈ সম্পূৰ্ণ সাজু হৈ আছে যদিও একাংশ আঁকোৰগোজ আৰু অচেতন লোকে ক'ভিড বিধি উলংঘা কৰাত নিজেই ৰাজপথত নামি সেইসকল লোকক সজাগ কৰাৰ বাবে ৰাজপথত নামি পৰিছে বুলি সদৰী কৰে চক্ৰ বিষয়া গৰাকীয়ে।

## আজি সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা

# বৰহোলা গ্ৰন্থমেলাৰ তৃতীয় দিনটোতো গ্ৰন্থপ্ৰেমীৰ আশানুৰূপ সঁহাৰি

বিশেষ সংবাদদাতা

**নগাবাট, ২১ জানুৱাৰী ঃ** যোৰহাট জিলাৰ অসম-নগালেণ্ড সীমান্তৱৰ্তী অঞ্চল বৰহোলাত ছদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ত্ৰয়োদশ বৰ্ষৰ বৰহোলা গ্ৰন্থমেলাৰ আজি তৃতীয় দিনটোত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী তথা গ্ৰন্থপ্ৰেমী ৰাইজৰ উপস্থিতি পৰিলক্ষিত হৈছে। যোৱা নিশা প্ৰতিকূল পৰিৱেশৰ বাবে বতৰ সেমেকি আছিল যদিও আজি পুৱাৰ ভাগত বতৰ ফৰকাল হৈ উঠাত চিন্তা আঁতৰে উদ্যোক্তাসকলৰ। তিনিওটা দিনত বিশেষকৈ গ্ৰন্থপ্ৰেমীৰ উপস্থিতিয়ে



উদ্যোক্তাসকলক উৎসাহিত কৰি তুলিছে বুলি জানিব পৰা গৈছে। আজি পুৱাৰ ভাগত বৰহোলা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ ব্যৱস্থাপনাত হাতৰ আখৰ, শ্ৰুতলিপি, ছবিত ৰং কৰা আৰু বিয়লি সদৌ অসম ভিত্তিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুটা শাখাত অনুষ্ঠিত সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাত অসমৰ বিভিন্ন জিলাৰ পৰা অহা প্ৰায় শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে ২০ জানুৱাৰীত অনুষ্ঠিত হৈছিল নেওঁতা গোৱা, সাধু কোৱা, বিয়ানাম প্ৰতিযোগিতা। কাইলৈ পুৱাৰে পৰা অনুষ্ঠিত হ'ব সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা। প্ৰণিধানযোগ্য যে গ্ৰন্থমেলাৰ লগত সংগতি ৰাখি অনুষ্ঠিত বিভিন্ন শৈক্ষিক প্ৰতিযোগিতাসমূহৰ জৰিয়তে আয়োজকসকলে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত গ্ৰহণ কৰি অহা পদক্ষেপ খুৱেই আদৰণীয় বুলি গ্ৰন্থমেলাত ভুমুকি মৰা কে'বাজনে আজি সংবাদ মাধ্যমৰ আগত মতপোষণ কৰিছে। ১৩ বছৰত ভৰি দিয়া এই গ্ৰন্থমেলাৰ যাত্ৰা কোনো পৰিস্থিতিতে যাতে ৰুদ্ধ নহয়, তাকো কামনা কৰিছে সচেতন মহলে।

## জামুগুৰিহাটৰ আগ্ৰীপামত চৰণ তেল ডিপ' উদ্বোধন বিধায়কৰ



অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২১ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ জামুগুৰিহাটৰ আগ্ৰীপামত যোৱা ১৭ জানুৱাৰীত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই 'চৰণ তেল ডিপ' নামৰ এটি অত্যাধুনিক তেল ডিপ'ৰ ৰঙা ফিটা কাটি উদ্বোধন কৰে। তেল ডিপ'টো উদ্বোধন কৰি বিধায়ক হাজৰিকাই কয় যে এতিয়াৰ পৰা এই অঞ্চলৰ ৰাইজৰ এক দীৰ্ঘদিনীয়া সমস্যা সমাধান হ'ল। বিশেষকৈ চতিয়া সমষ্টিৰ ভিতৰুৱা অঞ্চল ৰঙাচকুৱা, মৰিসুতি, বৰদিকৰাই, এজাৰগুৰি, মংগলবৰীয়া, বাটমাৰী আৰু বালিজুৰি আদি অঞ্চলসমূহৰ পৰা অত্যাধুনিক পথেৰে টুপীয়াৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথ সংযোগী আৰু অৰুণাচল প্ৰদেশলৈ সংযুক্ত হৈ অতিকৈ পাছপৰা অঞ্চলটোৰ ৰাইজে এই তেল ডিপ'ৰ জৰিয়তে যথেষ্ট সুবিধা গ্ৰহণ কৰিব। বিশেষকৈ ভিতৰুৱা অঞ্চলসমূহৰ কৃষক ৰাইজে কৃষি কাৰ্যৰ বাবে ট্ৰেক্টৰসমূহত ডিজেল ভৰাবলৈ বহুদূৰ যাবলগীয়া হৈছিল আৰু চাইকেল বা মটৰ চাইকেলত তেলৰ জেৰিকেন বান্ধি বহু দূৰৰ পৰা ডিজেল আনিবলগীয়া সমস্যা আছিল যদিও আজিৰ পৰা সেই সমস্যা নোহোৱা হ'ল। তেওঁ এছ আৰ কোম্পানী তথা চৰণ তেল ডিপ'ৰ স্বত্বাধিকাৰ গকুল ছেত্ৰীক বিশেষভাৱে উৎসাহিত কৰাৰ লগতে সমূহ কৰ্তৃপক্ষকো শুভেচ্ছা আৰু ধন্যবাদ জ্ঞাপন কৰে। বিধায়কজনে জানিবলৈ দিয়া মতে অহা ২২ জানুৱাৰীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই চতিয়া সমষ্টিত উপস্থিত হৈ অসমৰ বানপানী আৰু খহনীয়া ৰোধৰ স্বাৰ্থত প্ৰথম নদী খনন প্ৰক্ৰিয়াৰ উদ্বোধন কৰিব। এই খনন প্ৰক্ৰিয়া আৰম্ভ হয় জামুগুৰিহাটৰ জীয়াভৰলী নদীত। য'ত ইতিমধ্যে জলসম্পদ বিভাগটোৰ দ্বাৰা নদী খনন কাৰ্যৰ বাবে প্ৰয়োজনীয় সকলো অত্যাধুনিক মেচিনসহ সা-সৰঞ্জাম মজুত কৰি ৰখা হৈছে। জীয়ভৰালীৰ খনন কাৰ্যৰস্থলী জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কে'বাবাৰো পৰিদৰ্শন কৰি যোৱাৰ পাছত শোণিতপুৰ জিলাৰ উপায়ুক্তক লগত লৈ বিধায়কজনে সকলো প্ৰস্তুতিৰ তদাৰক কৰে।

# ৰাষ্ট্ৰীয় পথত পুখুৰী সদৃশ গাঁত

## নুমলীগড়ত ডিভাইডাৰত জাবৰৰ দ'ম, শংকৰ বৰুৱা সেতুত বৃহৎ ফাট

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ২১ জানুৱাৰী ঃ** নুমলীগড়- গোলাঘাট জিলাৰ বোকাখাত বিধানসভা সমষ্টিৰ অন্তৰ্গত আহোম আৰু কছাৰী ৰাজত্বৰ ঐতিহ্য বহন কৰা অন্যতম এক নাম। এই নামতে সংপৃক্ত হৈ আছে ৰাজকুঁৱৰী 'নুমলী'ৰ জীৱন গাঁথা। ঐতিহাসিক ইটাৰে নিৰ্মিত 'নুমলীগড়'ৰ আছে সুকীয়া পৰিচয়। আনহাতে, এই নুমলীগড়ৰ নামতে সৰুপথাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত মৰঙি মৌজাত স্থাপিত হৈছে ঐতিহাসিক অসম চুক্তিৰ ফচল 'নুমলীগড় শোধনাগাৰ লিমিটেড' চমুকৈ এন আৰ এল। তদুপৰি এই নুমলীগড়তেই সংযোজিত হৈছে ব্যস্ত ৩৭ আৰু ৩৯ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ। এই পথেৰেই দৈনিক হেজাৰ হেজাৰ বাহনে এই নুমলীগড়ৰ মাজেৰেই গতি কৰে। আনকি, নুমলীগড়ৰ 'দেওপাহাৰ', 'বাবাথান' আদি দৰ্শন কৰিবলৈকো আহে অগণন লোক। কিন্তু, সম্প্ৰতি নুমলীগড়ৰ কদৰ্যময়ৰূপে নুমলীগড়ৰ বাস্তৱিক গুণ-গৰিমা ম্লান কৰিছে বুলি মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। কিয়নো, বৰ্তমান নুমলীগড় তিনিআলিত ৰাষ্ট্ৰীয় পথৰ ওপৰত পুখুৰী সদৃশ গাঁতৰ সৃষ্টি হৈছে। ইয়াৰ ফলত বৰ্তমান দিনৰ দিনটো এক ধূলিময় পৰিৱেশে বিৰাজ কৰি থাকে নুমলীগড়ত। আজি কে'বাবছৰো ধৰি পথটোৰ মাজভাগত সৃষ্টি হোৱা এই পুখুৰী সদৃশ গাঁতৰ ফলশ্ৰুতিত যাতায়াত অসম্ভৱ প্ৰায় হৈ পৰিছে। ব্যস্ত পথটোত এই গাঁতৰ বাবেই দৈনিক তীব্ৰ যান- যঁটৰ সৃষ্টি হৈ আহিছে। তদুপৰি বহু সময়ত এই গাঁতসমূহৰ বাবেই ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হৈ আহিছে। কিন্তু, মন্ত্ৰী-বিধায়ক, চৰকাৰী বিষয়া-কৰ্মচাৰী অহৰহভাৱে অহা-যোৱা কৰা উক্ত পথটো মেৰামতিৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণত কাৰো সদিচ্ছা নাই বুলি ৰাইজে অভিযোগ কৰিছে।

ইপিনে, নুমলীগড় তিনিআলিত বহে এখন দৈনিক বজাৰ। এই বজাৰখনলৈ স্থানীয় চৰ-চাপৰি অঞ্চলৰ ক্ষুদ্ৰ কৃষকসকলে নিজেই উৎপাদন কৰা কৃষিজাত সামগ্ৰী, শাক-পাচলি আদি বিশেষভাৱে ক্ৰয়-বিক্ৰয় হয়। কিন্তু, এই বজাৰখনো ৩৯ নম্বৰ ৰাষ্ট্ৰীয়



ঘাইপথৰ ওপৰতে বহে বাবেও যান-জঁটৰ সৃষ্টি হয় বুলি একাংশ সচেতন লোকে ব্যক্ত কৰে। উল্লেখ্য যে এই বজাৰৰ প্ৰতিগৰাকী দোকানীৰ পৰা দৈনিক এজন লেছীয়ে কৰো সংগ্ৰহ কৰে। কিন্তু, ইয়াৰ বিপৰীতে বজাৰ অঞ্চলৰ চাফ-চিকুণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান নকৰাৰো অভিযোগ উঠিছে। যি সময়ত স্বচ্ছ ভাৰত অভিযানৰ নামত স্বচ্ছতাক গুৰুত্ব প্ৰদান কৰা হৈছে। ঠিক তেনে সময়তে নুমলীগড় তিনিআলিৰ এই বজাৰ অঞ্চলত পেলনীয়া প্লাষ্টিক আৰু পেলনীয়া সামগ্ৰীৰ দ'ম দেখিবলৈ পোৱা যায়। পথৰ ডিভাইডাৰ আৰু মূল তিনিআলিৰ পথৰ কাষত জাবৰ দ'মাই ৰাখি এক দুৰ্গন্ধযুক্ত-কদৰ্যময় পৰিৱেশৰ সৃষ্টি কৰাৰো অভিযোগ উঠিছে।

আনহাতে, নুমলীগড় তিনিআলিৰ ১০০ মিটাৰতকৈও কম আঁতৰৰ পৰা বৈ যোৱা ধনশিৰি নদীত আছে মুক্তিযোদ্ধা শংকৰ বৰুৱা সেতু। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত থকা উক্ত দলংখনৰো অৱস্থা সংকটজনক হৈ পৰিছে। ইয়াৰ পৰিণতি স্বৰূপে বিভিন্ন সময়ত দুৰ্ঘটনাও সংঘটিত হৈছে। দলংখনৰ মাজভাগত থকা বৃহৎ ফাটে অচিৰেই পথচাৰীৰ বাবে ভয়াৱহ বিপদ নমাই অনাৰ আশংকা ঘনীভূত কৰি তুলিছে। কিন্তু, নিৰ্মাণত গুৰুত্ব নাই বিভাগৰ।

এনেবোৰ কাৰণতে সম্প্ৰতি ঐতিহাসিক 'নুমলীগড়'ৰ গুণ-গৰিমা হ্ৰাস হোৱাৰ দিশে গতি কৰা বুলি বিভিন্ন মহলত চৰ্চা চলিছে। কৃষিমন্ত্ৰী অতুল বৰাৰ গৃহ সমষ্টিত অৱস্থিত 'নুমলীগড়'ৰ এনে অৱস্থাৰ উন্নীতকৰণৰ লগতে সুন্দৰকৈ সজাই তোলাৰ আঁচনি গ্ৰহণৰ বাবে ৰাইজে কৃষিমন্ত্ৰীজনে আহ্বান জনাইছে।

## সাত দিনত ভৰি দিলে চেপন চাহ বাগিচাৰ তলাবন্ধ

### তলাবন্ধ প্ৰত্যাহাৰৰ দাবীত মৰাণ ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত আটছাৰ দুঘণ্টীয়া অৱস্থান ধৰ্মঘট

অগ্ৰদূত বাৰ্তা

**মৰাণ, ২১ জানুৱাৰী ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত চেপন চাহ বাগিচাৰ তলাবন্ধ আজি সাতটা দিনত প্ৰৱেশ কৰিলে। উল্লেখ্য যে বাগিচাখনৰ পৰিচালক আৰু সহকাৰী পৰিচালকক যোৱা ১৪ জানুৱাৰীত এম্বুলেঞ্চক কেন্দ্ৰ কৰি একাংশ লোকে প্ৰহাৰ কৰা ঘটনাকলৈ বাগিচা কৰ্তৃপক্ষই ১৫ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ তলাবন্ধ ঘোষণা কৰাৰ পাছত আজি প্ৰায় এসপ্তাহে বাগিচাখন বন্ধ হৈ আছে। ফলত চিন্তিত হৈ পৰিছে বাগিচাখনৰ শ শ শ্ৰমিক। আজি মৰাণ ৰাজহ চক্ৰ কাৰ্যালয়ৰ সন্মুখত চেপন চাহ বাগিচাৰ তলাবন্ধ প্ৰত্যাহাৰৰ দাবীত মৰাণ চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ আটছা ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আৰু মৰাণ শাখাৰ সহযোগত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰে।

## মাজুলী মহাবিদ্যালয়ত 'বিপিন চন্দ্ৰ গোস্বামী সভাকক্ষ'ৰ আধাৰশিলা স্থাপন

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২১ জানুৱাৰী ঃ** এগৰাকী মহানুভৱ তথা উদাৰ প্ৰাক্তন অধ্যক্ষৰ পৰিয়ালবৰ্গই আগবঢ়োৱা আৰ্থিক অনুদানেৰে নিৰ্মাণ হ'বলগীয়া এটি বিশাল সভাকক্ষৰ কালি আধাৰশিলা স্থাপন কৰা হয় মাজুলী মহাবিদ্যালয়ৰ প্ৰয়াত জীৱেশ্বৰ বৰুৱা স্মৃতি ক্ষেত্ৰত। মহাবিদ্যালয়খনত তিনিটা দশক সুখ্যাতিৰে অধ্যাপনা কৰাৰ অন্তত অধ্যক্ষৰূপে তিনি বছৰ কাল কাৰ্যনিৰ্বাহ কৰি অৱসৰ গ্ৰহণ কৰা মহাবিদ্যালয় প্ৰতিষ্ঠাকালৰ অৰ্থনীতি বিভাগৰ কৃতী অধ্যাপক বিপিন চন্দ্ৰ গোস্বামীৰ পৰিয়ালবৰ্গই নিৰ্মাণ কৰিবলগীয়া এই আটকধুনীয়া সভা-কক্ষৰ আধাৰশিলা স্থাপন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই দাতা পৰিয়ালটোৰ মহানুভৱনতাক শলাগ লয়। কালি



পুৱা ১২ বজাৰ পৰা অনুষ্ঠিত আধাৰশিলা স্থাপন অনুষ্ঠানটো এগছি বন্তি প্ৰজ্বলনেৰে আৰম্ভ কৰে মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি নৰেন চন্দ্ৰ ঠাকুৰীয়াই। মহাবিদ্যালয়ৰ 'ৰুছা'ৰ সমন্বয়ক অধ্যাপক দেৱজ্যোতি খাটনিয়াৰে আঁত ধৰা অনুষ্ঠানত উপস্থিত থাকি মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ সৰ্বেশ্বৰ হাজৰিকা, অৱসৰপ্ৰাপ্ত শৈক্ষিক সমন্বয়ক ড° নাৰায়ণ চন্দ্ৰ শৰ্মা, প্ৰশাসনিক সমন্বয়ক হৰেন চন্দ্ৰ শইকীয়া, শিক্ষক গোটৰ সভাপতি তথা শৈক্ষিক সমন্বয়ক অৱনী কুমাৰ দত্ত, অৱসৰপ্ৰাপ্ত অধ্যাপক অমৃতেশ্বৰ চুতীয়া, শিক্ষক গোটৰ সম্পাদক তুলসী ৰাজখোৱা, অধ্যাপক ড° ৰাজেন বৰা, মায়াশ্ৰী ডেকা হাজৰিকা, অনিল চন্দ্ৰ হাজৰিকা, প্ৰশান্ত শইকীয়া, বিপুল ৰাজখোৱা, ড° ব্ৰজেন চন্দ্ৰ নেওগ, ড° ৰূপজ্যোতি বৰা প্ৰমুখ্যে অধ্যাপকসকলৰ লগতে কৰ্মচাৰী গোটৰ সভাপতি গোবিন বৰুৱা, সম্পাদক পদ্মধৰ বৰুৱা, দেৱজিত বৰুৱা আদিয়ে অৱসৰপ্ৰাপ্ত অধ্যক্ষজনৰ পৰিয়ালবৰ্গৰ বদান্যতাৰ শলাগ লয় আৰু এই বহুমূলীয়া অৱদানে সমাজত এক আদৰ্শ প্ৰতিষ্ঠা কৰিব বুলি ব্যক্ত কৰে। উল্লেখ্য যে মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক বিপিন চন্দ্ৰ গোস্বামীয়ে ৬০ দশকৰ আৰম্ভণিতেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতি বিষয়ত সুখ্যাতিৰে স্নাতকোত্তৰ উপাধি লাভ কৰাৰ পাছত উচ্চ পদস্থ চৰকাৰী চাকৰিৰ সুবিধা পায়ো হেলাৰঙে পৰিত্যাগ কৰি পিছপৰা মাজুলীত উচ্চ শিক্ষা বিস্তাৰৰ স্বাৰ্থত নৱপ্ৰতিষ্ঠিত মাজুলী মহাবিদ্যালয়ত অবৈতনিক অধ্যাপকৰূপে যোগদান কৰিছিল। এগৰাকী নৈষ্ঠিক শিক্ষাবিদ, যোৰহাটৰ হাতীগড় নিবাসী প্ৰায় ৯০ বছৰ বয়সীয়া বিপিন চন্দ্ৰ গোস্বামীয়ে বৰ্তমান ঐতিহাসিক পুনিয়া সত্ৰৰ সত্ৰীয়া হিচাপে অসমৰ সত্ৰীয়া সমাজ-জীৱনলৈ উল্লেখনীয় বৰঙণি আগবঢ়ায় আহিছে।

## কাকজান নদীক কলমৌ নিষ্কাসন কৰাৰ দাবী স্থানীয় ৰাইজৰ

অগ্ৰদূত বাৰ্তা

**কাকজান, ২১ জানুৱাৰী ঃ** কাকজান নদী বৰ্তমান কলমৌ আৰু অপতৃণই ছানি ধৰাৰ ফলত নদীখন বাম হৈ পৰিছে। নৈখন বাম হৈ অহাৰ বাবেই নৈৰ দাঁতি কাষৰীয়া গাৰোৱালচুঙী, ধাৰিগাঁও, বনগাঁও, কপাহতলি, কমাৰখাটোৱাল, আৰান্ধৰা গাঁৱকে ধৰি কে'বাখনো গাঁৱলৈ ভাবুকি কঢ়িয়াই অনাৰ লগতে বাৰিষা কৃষক ৰাইজৰ যথেষ্ট ক্ষতিসাধন হয়। বাৰিষা আহিলেই নৈখন ওফন্দি দুয়োৰপাৰে প্লাৱিত কৰি স্থানীয় ৰাইজৰ শস্যৰ লগতে ঘৰবাৰীৰ যথেষ্ট ক্ষতিসাধন হয়। বাৰিষা আহিলেই নৈখন ওফন্দি দুয়োপাৰে প্লাৱিত কৰি স্থানীয় কৃষক ৰাইজৰ শস্যৰ লগতে ঘৰবাৰীৰ ক্ষতিসাধন কৰে। স্থানীয় কৃষকসকলে বাৰিষা সময়ত একেডৰা মাটিত বানপানীয়ে অনিষ্ট কৰাত তিনিবাৰ ৰোৱা ৰুবলগীয়া হয়। উল্লেখ্য যে উক্ত কাকজান নদীখনত কংগ্ৰেছ চৰকাৰৰ দিনতে কোটি কোটি টকাৰ শৰাধ পাতি এখন শ্লুইচ গেট নিৰ্মাণ কৰিছিল যদিও সেইখন এতিয়াও সম্পূৰ্ণ নহ'ল। শ্লুইচ গেটখন যদি নিৰ্মাণ সম্পূৰ্ণ হ'লহেঁতেন তেতিয়া কৃষকসকলে খেতি কৰাৰ বাবে উপযুক্তভাৱে পানী যোগান ধৰি কে'বাটাও কৃষি কৰ্ম কৰি স্বাৱলম্বী হ'লহেঁতেন। বৰ্তমান নৈখনৰ কলমৌ আৰু অপতৃণসমূহ নিস্কাষণ কৰাৰ লগতে নৈখন দ' কৰি আৰু লগতে অসম্পূৰ্ণ হৈ থকা চুইচ গেটখন সম্পূৰ্ণ কৰি কাৰ্যক্ষম কৰি তুলি কৃষক ৰাইজক সকাহ দিবৰ বাবে বৰ্তমান চৰকাৰক দাবী কৰিছে কৃষক ৰাইজে।

## আজমল ছুপাৰ ৪০ৰ বাছনি পৰীক্ষাৰ ফলাফল ঘোষণা

### কলগাছিয়া-হাইলাকান্দি-গুৱাহাটীৰ শিক্ষাৰ্থীৰ প্ৰথম তিনি স্থান

অগ্ৰদূত বাৰ্তা

**হোজাই, ২১ জানুৱাৰী ঃ** উত্তৰ পূৰ্বৰ অন্যতম স্বেচ্ছাসেৱী সংস্থা আজমল ফাউণ্ডেছনে অষ্টম শ্ৰেণীৰ বাবে অনুষ্ঠিত কৰা আজমল ছুপাৰ ৪০ৰ বাছনি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হয়। বাছনি পৰীক্ষাত ১১৯ নম্বৰৰে প্ৰথম স্থান কলগাছিয়াৰ মুস্তাক হুছেইনে, দ্বিতীয় হাইলাকান্দিৰ আবু হিচান লস্কৰে আৰু তৃতীয় স্থান লাভ কৰে গুৱাহাটীৰ আয়েশা ছিদ্দিক চৌধুৰীয়ে। অসমৰ বিভিন্ন স্থানৰ মুঠ ছহেজাৰ শিক্ষাৰ্থীয়ে আজমল ছুপাৰ ৪০ৰ বাছনি পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তাৰে ভিতৰত ১৫৭জন শিক্ষাৰ্থীয়ে লিখিত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হয় বুলি কয় আজমল ফাউণ্ডেছনৰ ডাইৰেক্টৰ ড° খছৰুল ইছলাম, প্ৰৱন্ধক ড° এম আৰ এইছ আজাদ আৰু আজমল ছুপাৰ ৪০ প্ৰজেক্ট বিষয়া আব্দুৰ কাদিৰে। লিখিত পৰীক্ষাত উত্তীৰ্ণ হোৱা মুঠ ১৫৭জন শিক্ষাৰ্থীসকলৰ পৰা মৌখিক পৰীক্ষাৰ জৰিয়তে ৫০ জন ছাত্ৰী আৰু ৮০ জন ছাত্ৰক আজমল চুপাৰ ৪০ ত নামভৰ্তিৰ বাবে বাছনি কৰা হ'ব।

## মান্দাকাটা গাঁও পঞ্চায়তৰ সাতগাঁৱত পুখুৰী নিৰ্মাণ আৰম্ভ



অগ্ৰদূত বাৰ্তা

**দুমুনিচকী ২১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বেজেৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত মান্দাকাটা গাঁও পঞ্চায়তৰ সাতগাঁৱত এম জি এনৰেগাৰ অধীনত এটা পুখুৰী খন্দা কামৰ কালি আৰম্ভণি হয়। ১৯ লক্ষ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই পুখুৰী নিৰ্মাণ আঁচনিখনৰ আৰম্ভ কৰে কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কাকতিয়ে। আঁচনি আৰম্ভৰ পাছতে আৰম্ভণি অনুষ্ঠানৰ লগত সংগতি ৰাখি কভি'ড বিধিৰ মাজেৰে অনুষ্ঠিত এখন সভাত আঠ হেজাৰ বনুৱাৰে নিৰ্মাণ কৰিবলগীয়া সাতগাঁৱৰ এই পুখুৰীটো ৰাইজৰ বাবে এক মূল্যবান সম্পদ হিচাপে বিবেচিত হ'ব বুলি মন্তব্য কৰে আঁচনিৰ উদ্বোধক কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াজনে। উক্ত সভাত উপস্থিত থকা কামৰূপ জিলাৰ কাৰ্যবাহী অভিযন্তা তথা বেজেৰা উন্নয়ন খণ্ডৰ দায়িত্বৰত খণ্ড উন্নয়ন বিষয়া অপূৰ্ব বৰুৱাই নিৰ্মাণ হ'বলগীয়া এই পুখুৰীটোৰ সঠিক ব্যৱহাৰ কৰিবলৈ ৰাইজক আহ্বান জনায়। বেজেৰা গাঁও পঞ্চায়তৰ জি আৰ এছ তথা স্থানীয় যুৱনেতা বাবুল হুছেইনে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত মান্দাকাটা গাঁও পঞ্চায়তৰ প্ৰায় তিনিশ জবকাৰ্ড হিতাধিকাৰীৰ লগতে পঞ্চায়তখনৰ সভাপতি জাহিদুল ইছলাম, সাতগাঁৱৰ গাঁও প্ৰধান আজামুল্লা আলী প্ৰমুখ্যে কে'বাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

## বাদুলিপাৰৰ ছহিদ কমলামিৰি পথত কৃত্ৰিম বান

### ফ'ৰলেন নিৰ্মাণ সংস্থাৰ কাণ্ডজ্ঞানহীনতাৰ বাবে জীয়াতু ভুগিছে বাদুলিপাৰবাসীয়ে

**খুমটাই, ২১ জানুৱাৰী ঃ** গোলাঘাট জিলাৰ বাদুলিপাৰত বৃহস্পতিবাৰে নিশা অহা এজাক বৰষুণৰ পাছতেই এটা সদা ব্যস্ত পথত উপচি পৰিছে একাঁঠুলৈকে পানী। বাদুলিপাৰত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ ফৰলেন নিৰ্মাণ সংস্থাৰ চূড়ান্ত কাণ্ডজ্ঞানহীনতাৰ বাবে ছহিদ কমলামিৰি পথৰ সন্মুখত এজাক বৰষুণতে সৃষ্টি হৈছে কৃত্ৰিম বানৰ। যাৰফলত বিদ্যালয়, মহাবিদ্যালয়, ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, ৰোগী, প্ৰসূতিসকলৰ যাতায়াতৰ লগতে উক্ত পথৰ কাষত থকা বাদুলিপাৰ ডাকঘৰ, ইণ্ডিয়ান বেংক, বাদুলিপাৰ উচ্চ মাধ্যমিক বিদ্যালয় অহা-যোৱা কৰা লোকসকলৰ যাতায়াতৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। ইফালে, সু-পৰিকল্পিত নলাৰ অভাৱৰ বাবে এজাক বৰষুণতে এগৰাকী ছহিদৰ নামেৰে নামকৰণ সদা ব্যস্ত পথটোত কৃত্ৰিম



বানপানীৰ সৃষ্টি হোৱাত ক্ষোভ প্ৰকাশ কৰিছে সচেতন ৰাইজে। তাৎপৰ্যপূৰ্ণ বিষয় যে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী সদা ব্যস্ত পথটোৰ সন্মুখত পূৰ্বতে এটা পকী পুল আছিল যদিও উক্ত পকী পুলটো ফৰলেন কৰ্তৃপক্ষই বন্ধ কৰি দিয়াত কৃত্ৰিম বান সৃষ্টি হোৱাৰ অভিযোগ স্থানীয় ৰাইজৰ। আনহাতে, চাৰিলেনযুক্ত পথ নিৰ্মাণ সংস্থা এইছ চি চি কৰ্তৃপক্ষই শীঘ্ৰেই উক্ত পথটোৰ কৃত্ৰিম বানৰ সমস্যা সমাধান কৰাৰ দাবী জনাইছে স্থানীয় ৰাইজে।

## অইলৰ তৃতীয় পৰ্যায়ৰ মকড্ৰিলৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**দুলীয়াজান, ২১ জানুৱাৰী ঃ** অইল ইণ্ডিয়া লিমিটেডে দুলীয়াজানস্থিত ক্ষেত্ৰীয় মুখ্য কাৰ্যালয়ৰ মধুবনৰ ছেকেণ্ডাৰী টেংক ফাৰ্ম (এছটিএফ) তকালি দুৰ্যোগৰ স'তে মোকাবিলা কৰিবলৈ জৰুৰীকালীন সঁহাৰিৰ প্ৰস্তুতি মূল্যাংকন কৰাৰ অংশৰূপে তৃতীয় পৰ্যায়ৰ মক ড্ৰিল অনুষ্ঠিত কৰে। অইলৰ বিভিন্ন বিভাগ, ডিব্ৰুগড় জিলা প্ৰশাসন, দ্বাদশ বিএন ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী (এনডিআৰএফ)-ইটানগৰ, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী (চিআইএছএফ), আইঅ'চিএল, বিচিপিএল, এইছঅ'ইচি, এজিচিএল, এপিএল, এনটিপিএছ, ডিএনপিএল আদিৰ দৰে মিউচুৱেল এইড উদ্যোগৰ যুটীয়া প্ৰচেষ্টাৰ দ্বাৰা এই ড্ৰিলটো পৰিচালনা হয়। ড্ৰিলটোৰ পৰিস্থিতি আছিল ভূমিকম্পৰ পাছত খাৰুৱা তেলৰ টেংকৰ জুই আৰু ফলস্বৰূপে হোৱা ভৱনৰ ক্ষতি আৰু এছটিএফৰ কৰ্মচাৰীসকলৰ আঘাত। ড্ৰিলৰ সময়ছোৱাত নিৰাপত্তা আৰু অগ্নি নিৰ্বাপক ছেটআপটো সৰ্বোচ্চ সতৰ্কতাত ৰখাৰ লগতে জৰুৰীকালীন সঁহাৰি প্ৰক্ৰিয়াবোৰ তৎক্ষণাৎ সক্ৰিয় কৰা হয়। অইল আৰু পাৰস্পৰিক সহায়ক অংশীদাৰসকলৰ অগ্নি নিৰ্বাপক সেৱাই অগ্নি দুৰ্যোগৰ সফলতাৰে মোকাবিলা কৰে। এনডিআৰএফ, চিআইএছএফ আৰু অইল মেডিকেল দলে যুটীয়াভাৱে উদ্ধাৰ আৰু সাহায্য অভিযান চলায়। মক ড্ৰিলৰ সৰ্বশ্ৰেষ্ঠ অনুশীলন আৰু অন্তৰ্দৃষ্টিৰ বিষয়ে আলোচনা কৰি অৱশেষত এক আনুষ্ঠানিক ডি-ব্ৰিফিং অধিৱেশনৰ দ্বাৰা এই ড্ৰিলটো সমাপ্ত কৰা হয়। উক্ত মক ড্ৰিল অনুষ্ঠানটোত কিদৰে অইলে দুৰ্যোগ নিয়ন্ত্ৰণ কৰিবলৈ আৰু মুখ্য পৰীক্ষাৰ বাবে সঁহাৰিৰ সময় হ্ৰাস কৰিবলৈ সম্পূৰ্ণ শক্তিৰে প্ৰযুক্তিগত দক্ষতা প্ৰয়োগ কৰে সেয়া প্ৰত্যক্ষ কৰা হয়।

## শকুনিয়ে পাশাখেল আৰম্ভ কৰি কুৰুক্ষেত্ৰ যুদ্ধৰ সৃষ্টিৰে সত্যক প্ৰতিষ্ঠা কৰি গৈছিল

### নগাঁৱৰ পেটবড়াত লক্ষ্যজ্যোতি বৰাৰ প্ৰৱন্ধ সংকলন উন্মোচন

অগ্ৰদূত বাৰ্তা

বেবেজীয়া, ২১ জানুৱাৰী ঃ 'গ্ৰন্থই মানৱ মনত জেউতি বিলায়। সংস্কৃতিয়ে আমাৰ পৰিচয় বহন কৰে; কিন্তু আজি আমি লোকসংস্কৃতিক সুৰক্ষিত কৰি ৰাখিব পৰা নাই। লোকসংস্কৃতি ক্ৰন্দনৰত হৈ আছে।' নগাঁও জিলাৰ পেটবড়াত কবি লক্ষ্যজ্যোতি বৰাৰ 'ন-পুৰণিৰ কথকতা' শীৰ্ষক প্ৰৱন্ধ সংকলনখনৰ উন্মোচনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি এইদৰে মন্তব্য আগবঢ়াই সংস্কৃত গীতৰ বিশিষ্ট কণ্ঠশিল্পী ৰঞ্জন বেজবৰুৱাই। শিল্পী বেজবৰুৱাৰ সুৱদী-সুৰীয়া গীত পৰিৱেশনেৰে অলপতে অনুষ্ঠিত হোৱা গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোত কামপুৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক পূৰ্ণানন্দ নাথে বৰাৰ গ্ৰন্থখন উন্মোচন কৰি কয় যে বৰ্তমান ল'ৰা-ছোৱালীৰ মাজত বুটম, ফিংগাৰ আৰু বেডৰুম কালচাৰ গঢ় লৈ উঠিছে। মিডিয়া ইম্প্ৰেৰিজিয়েমৰ পয়োভৰৰ সমান্তৰালভাৱে আজিৰ যুৱক-যুৱতীসকলৰ মাজত ম'বাইল ফোনৰ অতি মাত্ৰাই মানৱীয় প্ৰমূল্যবোধক আঘাত কৰা বুলি উল্লেখ কৰাৰ লগতে নাথে প্ৰসংগক্ৰমে সত্য প্ৰতিষ্ঠাৰ বাবে শকুনিয়ে পাশাখেল আৰম্ভ কৰি কুৰুক্ষেত্ৰ যুদ্ধৰ সৃষ্টিৰে সত্যক প্ৰতিষ্ঠা কৰা বুলি বক্তব্য প্ৰদান কৰে। সাংবাদিক প্ৰাঞ্জল বৰদলৈৰ পৰিচালনাত অনুষ্ঠিত গ্ৰন্থ উন্মোচনী অনুষ্ঠানটোৰ লগত সংগতি ৰাখি গ্ৰন্থ লেখক লক্ষ্যজ্যোতি বৰাৰ পিতৃ তথা বিশিষ্ট সমাজ সংগঠক, প্ৰবীণ অভিনেতা মণিৰাম বৰাৰ ৮৭ সংখ্যক ওপজাদিনটিও সেইদিনা উদ্‌যাপন কৰা হয়। অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থাকি প্ৰাক্তনমন্ত্ৰী তথা প্ৰবীন অভিনেতা উমেশ চন্দ্ৰ দাসে সৎ অন্তৰৰ পৰোপকাৰী লোকৰূপে নিজৰ শান্ত-সমাহিত ব্যক্তিত্বৰ আদৰ্শ দাঙি ধৰা মণিৰাম বৰাৰ দৰে লোকৰ ছাঁত থাকি আজিও পেটবড়া গাঁৱৰ সমাজখনে জিৰণি লৈ থকা বুলি বক্তব্য প্ৰদানৰ লগতে আমাৰ সমাজখন, দেশখন সুস্থ কৰি ৰাখিবৰ বাবে আমাক হৃদয়বান মানুহ লাগে বুলিও দাসে মত ব্যক্ত কৰে। উক্ত অনুষ্ঠানত বৰাৰ পৰম বন্ধু যোগেন দাস, ৰহাৰ বৈদ্যুতিক উপ-সংমণ্ডল বিষয়া গৌতম শৰ্মা, চিত্ৰশিল্পী পঙ্কজ কুমাৰ ৰাজা, কুটিৰ শিল্প আৰু মঞ্চ শিল্পী ধ্ৰুৱ কুমাৰ ৰজা, জ্যেষ্ঠ সাংবাদিক বুলন চন্দ্ৰ নাথ, মৃগেন কুমাৰ নাথ, শিশু ৰোগ বিশেষজ্ঞ ডাঃ গিৰীন্দ্ৰ কুমাৰ নাথ, তেজপুৰ জামুগুৰিহাটৰ বিশিষ্ট সমাজকৰ্মী পঙ্কজ বৰুৱা, কনিষ্ঠ অভিযন্তা প্ৰাঞ্জল হাজৰিকা, সমাজকৰ্মী দিগন্ত কুমাৰ নাথ, টিকেন নাথ, গড়্মূৰ প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লম্বোদৰ কাকতি, পেটবড়া মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নন্দৰাম নাথ, সমাজসেৱক, নাট পৰিচালক দেৱ কুমাৰ নাথ উপস্থিত থাকে।

## চাহ বাগিচা অঞ্চলত ছাত্ৰ-ছাত্ৰীক পোহৰ বিলোৱাত ব্যস্ত অৰ্চনা

অগ্ৰদূত বাৰ্তা

**কাকজান, ২১ জানুৱাৰী ঃ** কৰ্মজীৱনৰ অৱসৰৰ পাছতো অৱশৰ নহৈ এগৰাকী মহিলাই চাহ বাগিচা অঞ্চলসমূহত বিভিন্ন উন্নয়নমূলক আঁচনি গ্ৰহণ কৰি জীৱনটোক নতুন ৰূপত সজাই তোলাৰ লগতে চাহ বাগিচা অঞ্চলসমূহলৈ আশাৰ ৰেঙণি কঢ়িয়াই আনিছে। সৃষ্টিশীল কৰ্মৰাজিৰ মাজত বিলীন হৈ থকা মহিলাগৰাকী হ'ল কাকজান মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অৱসৰপ্ৰাপ্ত অধ্যাপিকা অৰ্চনা ভট্টাচাৰ্য। অৱসৰ গ্ৰহণ কৰাৰ পাছৰে পৰা নিজৰ ব্যস্ততাময় জীৱনৰ পৰা আঁতৰি তেওঁ লাহদৈগড়ৰ ৩৭ নম্বৰ ঘাইপথৰ পৰা চাৰি-পাঁচ কিলোমিটাৰ ভিতৰত অৱস্থিত মনোময়, দিহা চাহ বাগিচাৰ শিশু,



কিশোৰ, যুৱক-যুৱতী 'নৱকিৰণ মঞ্চ' নামৰ স্বেচ্ছাসেৱী অনুষ্ঠানটোৰ যোগেদি শাৰীৰিক, মানসিক, বৌদ্ধিক বিকাশৰ বাবে আত্মনিয়োগ কৰিছে। চাহ বাগিচা অঞ্চলৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ পোহৰ বিলোৱাৰ চেষ্টা অব্যাহত ৰখাৰ লগতে দুয়োখন চাহ বাগিচাত অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা ভলীবলৰ এক প্ৰশিক্ষণ শিবিৰ প্ৰদান কৰি আহিছে। অসম ভলীবল মিছন ১০০ৰ উদ্যোগত নৱকিৰণ মঞ্চৰ সহযোগত প্ৰদান কৰা প্ৰশিক্ষণত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ পাছত অঞ্চলসমূহত বৰ্তমান এক ক্ৰীড়াৰ পৰিৱেশ গঢ় লৈ উঠিছে। আনহাতে, এইগৰাকী মহিলাই চাহ বাগিচাৰ দুজন উদ্যমী শিক্ষিত যুৱক প্ৰবীণ মুণ্ডা আৰু শ্যাম গোৱালাৰ সহযোগত বাগিচাসমূহত ছাত্ৰ-ছাত্ৰীসকলক বিনামূলীয়াকৈ শিক্ষাদান প্ৰদান, ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন ধৰণৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰীসকলক বৌদ্ধিক উৎকৰ্ষ সাধনৰ প্ৰচেষ্টা হাতত লৈছে। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে বিদেশতো তেওঁ বিভিন্ন অনুষ্ঠানত বক্তৃতা প্ৰদান কৰিবৰ বাবে আমন্ত্ৰণ লাভ কৰি বক্তৃতা প্ৰদান কৰি সাফল্য কঢ়িয়াবলৈ সক্ষম হৈছে এইগৰাকী শিক্ষাবিদে। সমাজখনৰ প্ৰতি বিশেষকৈ চাহ অধ্যুষিত অঞ্চলৰ অশিক্ষিত হৈ থকা ছাত্ৰ-ছাত্ৰীসকলক উলিয়াই আনি অভিভাৱক-অভিভাৱিকাৰ ঘৰে ঘৰে গৈ বুজাই বঢ়াই শিক্ষা, খেলা-ধূলা, সাহিত্য-সংস্কৃতিৰ লগত একাত্ম কৰি তোলাৰ অহৰ্নিশে চিন্তা বুকুত বান্ধি সৃষ্টিশীল কৰ্মৰ লগত জড়িত হৈ আছে এইগৰাকী অৱসৰপ্ৰাপ্ত উদ্যমী মহিলা।

## মুখ্যমন্ত্ৰীলৈ আপকু যোৰহাট জিলা সমিতিৰ স্মাৰকপত্ৰ

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ২১ জানুৱাৰী ঃ** আহোমৰ শেষ ৰাজধানী যোৰহাটৰ ইতিহাস প্ৰসিদ্ধ, মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত গাভৰু পৰ্বতক পৰ্যটন কেন্দ্ৰ ৰূপে গঢ়ি তুলিবলৈ আজি যোৰহাট জিলা উপায়ুক্তৰ যোগেদি অসমৰ মুখ্যমন্ত্ৰীলৈ আছাম প্ৰেছ কৰেছ্পণ্ডেন্টছে ইউনিয়ন (আপকু) যোৰহাট জিলা সমিতিয়ে স্মাৰকপত্ৰ প্ৰেৰণ কৰে। অসমৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰখনত উল্লেখ কৰে যে মৰিয়নি বিধানসভা সমষ্টিৰ অন্তৰ্গত গাভৰু পৰ্বতক পৰ্যটন কেন্দ্ৰৰূপে গঢ়ি তুলিলে গ্ৰাম্যাঞ্চলৰ আৰ্থ সামাজিক উন্নয়নৰ ক্ষেত্ৰত এক ইতিবাচক প্ৰভাৱ পৰিব। গ্ৰাম্য আৰু চাহ বাগিচাৰ অঞ্চলত অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা হ'ব। অসমৰ মুখ্যমন্ত্ৰীক গাভৰু পৰ্বতক পৰ্যটন কেন্দ্ৰ ৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত আপকু, যোৰহাট জিলা সমিতিয়ে আন্তৰিকতাৰে সহায় সহযোগ কৰিব বুলি জনায়।

### ■ দলঙত বাঁহৰ চাং সাজি বিপদসংকুলভাৱে পাৰাপাৰ

# চামগুৰিৰ ননৈ-চতৰবস্তি সংযোগী পথৰ দলং বিধ্বস্ত



**অগ্রদূত বাৰ্তা**

**চামগুৰি, ২১ জানুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ অধীনস্থ চামগুৰিৰ নিকটবৰ্তী ননৈ চতৰবস্তি সংযোগী পথৰ দলংখনে বিধ্বস্ত ৰূপ লৈছে। ননৈ নদীৰ ওপৰত থকা দলংখনে বিগত ১৭ বছৰে বিধস্ত ৰূপ লোৱা সত্ত্বেও জনপ্ৰতিনিধি তথা লোক নিৰ্মাণ বিভাগে দলংখন নিৰ্মাণ কৰাত গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। ফলত অঞ্চলটোৰ লোকসকলে অহা-যোৱা কৰাত অসুবিধা পোৱাৰ লগতে সাত কিলোমিটাৰ পথ অতিৰিক্তকৈ ঘূৰি আহি ৰঙামাটি চাহ বাগিচাত কাম কৰিব লগা বুলি স্থানীয় লোকে জানিব দিয়ে। স্থানীয় লোকে জানিব দিয়া মতে, চামগুৰি সমষ্টিৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনে ১৮ বছৰ মান পূৰ্বে দলংখন নিৰ্মাণ কৰাইছিল; কিন্তু দুবছৰ পাছতে দলংখন ভাঙি বিধস্ত হয়। বৰ্তমান দলংখনৰ ওপৰত পথালিকৈ এফুট ডেৰ ফুট দূৰে দূৰে কাঠহে আছে। স্থানীয় লোকে জানিব দিয়া অনুযায়ী ননৈ আৰু ৰঙামাটি চাহ বাগিচালৈ চতৰবস্তি অঞ্চলৰ পৰা দৈনিক দুশ লোক কাম কৰিবলৈ আহে। বিগত ১৬ বছৰ ধৰি দলংখন বিধ্বস্ত হৈ থকাত চতৰবস্তি অঞ্চলৰ লোকসকল উদমাৰী হৈ সাত কিলোমিটাৰ পথ অতিৰিক্তকৈ ঘূৰি আহিবলগীয়া হৈছে। তদুপৰি ননৈৰ লোকসকল চতৰবস্তিলৈ যাবলৈ হ'লে উদমাৰী হৈ ঘূৰি যাবলগীয়া হৈ আছে। দলংখনেৰে অহা-যোৱা কৰাৰ ব্যৱস্থা থকাসকলে ৰঙামাটি, বৰজুৰি, ননৈ আদিৰ লোকসকলৰ লগতে বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাত কিলোমিটাৰ পথ চমু হ'লহেঁতেন বুলি ভুক্তভোগী লোকসকলে জানিব দিয়ে। বৰ্তমান স্থানীয় ৰাইজে দলংখনৰ ওপৰত বাঁহ চাং সাজি বিপদসংকুল অৱস্থাৰে নদীৰ ওপৰেৰে পাৰ হৈ অহা-যোৱা কৰি আছে। এনে অৱস্থাত দুৰ্ঘটনা সংঘটিত হোৱাৰ সম্ভাৱনা ব্যক্ত কৰিছে একাংশ লোকে। উদমাৰীৰ এজন লোকে অভিযোগ কৰা মতে দলংখনৰ লগতে পথটো নিৰ্মাণৰ বাবে কে'বাবাৰো গাঁওসভাত প্ৰস্তাৱ লোৱা হৈছিল যদিও সংশ্লিষ্ট বিভাগসমূহে কৰ্ণপাত নকৰিলে। বিগত কংগ্ৰেছ চৰকাৰৰ শাসনকালত উন্নয়নৰ ঢৌৱে কোবাই যোৱা চামগুৰি বিধানসভা সমষ্টিৰ অধীনৰ চতৰবস্তিৰ ননৈ নদীৰ ওপৰত থকা বিধ্বস্ত দলংখনৰ ৰূপটো দেখি সম্প্ৰতি চৰ্চিত হৈছে এয়া চৰকাৰৰ নে জনপ্ৰতিনিধিৰ সমষ্টি উন্নয়নৰ প্ৰতি থকা দায়বদ্ধতাৰ অনীহা।

## তিতাবৰত তুৰুং গাঁও পঞ্চায়তৰ ওপৰত গুৰুতৰ অভিযোগ আটছাৰ

**অগ্রদূত বাৰ্তা**

**তিতাবৰ, ২১ জানুৱাৰী ঃ** প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহ আবণ্টনৰ নামত দৰিদ্ৰ হিতাধিকাৰীসকলক অনাহক হস্তক্ষেপ কৰা বুলি তিতাবৰৰ ৮১ নম্বৰ তুৰুং গাঁও পঞ্চায়তৰ বিষয়ববীয়াসকলৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ চৰাইপানী শাখাই। প্ৰধানমন্ত্ৰী আৱাস যোজনা গৃহ আৱণ্টনৰ নামত পঞ্চায়তৰ বিষয়ববীয়াসকলে মুকলি কৰা জনবিৰোধী কাম-কাজৰ বিৰুদ্ধে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ ছাত্ৰ সংগঠনটোৰ বিষয়ববীয়াসকলে তিতাবৰ মহকুমাধিপতিক স্মাৰকপত্ৰ যোগে দাবী জনাইছে। সংগঠনটোৰ অভিযোগ অনুসৰি পঞ্চায়তখনৰ বিষয়ববীয়াসকলে পঞ্চায়তখনৰ অধীনস্থ দৰিদ্ৰ লোকসকলৰ প্ৰধানমন্ত্ৰী জনধন আঁচনিৰ অধীনত শূন্য একাউণ্টৰ পাছবুক থকাৰ পাছতো বন্ধন বেংকত দুহেজাৰ টকাকৈ নতুন একাউণ্ট খুলিবলৈ বাধ্য কৰিছে। বেংকটোৰ কৰ্মচাৰীসকলৰ লগত পঞ্চায়তখনৰ একাংশ বিষয়ববীয়াৰ অসাধু মিতিৰালিৰ ফলতেই বৰ্তমানলৈকে প্ৰধানমন্ত্ৰী আৱাস যোজনা লাভ নকৰা দৰিদ্ৰ হিতাধিকাৰীসকলে বন্ধন বেংকত একাউণ্ট থাকিলেহে উক্ত আৱাসগৃহ লাভ কৰিবলৈ বিবেচিত হ'ব বুলি একপ্ৰকাৰ ভাবুকি দিছে। ফলত পঞ্চায়তখনৰ দিনহাজিৰা কৰা একাংশ লোক তথা চাহ শ্ৰমিকে বিনামূলীয়া গৃহ লাভৰ আশাত নিজৰ দৈনিক মজুৰিৰ জৰিয়তে লাভ কৰা ধনেৰে বন্ধন বেংকত একাউণ্ট খুলিবলৈ তুৰং পঞ্চায়তৰ কাৰ্যালয়ত হেতা-ওপৰা কৰিবলৈ আৰম্ভ কৰিছে। পঞ্চায়তখনৰ বিষয়ববীয়াসকলৰ এনে জনবিৰোধী কাৰ্যকলাপৰ বিৰুদ্ধে শীঘ্ৰেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ ছাত্ৰ সংগঠনটোৱে প্ৰশাসনক দাবী জনাইছে।

## আমগুৰিৰ ঐতিহাসিক বীৰ পাঙৰাও ক্ষেত্ৰত মে-ডাম-মে-ফিৰ লাইখুঁটা স্থাপন

### ■ মন্ত্ৰী যোগেন মোহনক বীৰ পাঙৰাও বঁটাৰ বাবে নিৰ্বাচিত

**অগ্রদূত বাৰ্তা**

**আমগুৰি, ২১ জানুৱাৰী ঃ** ছশ বছৰীয়া আহোম ৰাজত্বকালৰ স্বৰ্গদেউ চুহুঙমুং ৰজাৰ অন্যতম স্থানীয় সেনাপতি বীৰ পাঙৰাও বঁটাৰ বাবে এইবাৰ অসম চৰকাৰৰ মন্ত্ৰী যোগেন মোহনৰ নাম নিৰ্বাচিত হৈছে। কালি শিৱসাগৰ জিলাৰ আমগুৰিৰ ঐতিহাসিক লালিম চাপৰিৰ বীৰ পাঙৰাও সমন্বয় ক্ষেত্ৰত বৃহত্তৰ আমগুৰি কেন্দ্ৰীয় মে-ডাম-মে- ফি আৰু বীৰ পাঙৰাও বঁটা প্ৰদান অনুষ্ঠানৰ উদ্‌যাপন সমিতিয়ে এই কথা ঘোষণা কৰে। উল্লেখ্য যে আমগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত লালিমচাপৰি বীৰ পাঙৰাও সমন্বয় ক্ষেত্ৰত বৃহত্তৰ আমগুৰি কেন্দ্ৰীয় মে-ডাম-মে-ফি আৰু বীৰ পাঙৰাও বঁটা প্ৰদান অনুষ্ঠানৰ কালি লাইখুঁটা স্থাপন কৰা হয়। আমগুৰিৰ কেন্দ্ৰীয় মে-ডাম-মে-ফি আৰু বীৰ পাঙৰাও বটা প্ৰদান অনুষ্ঠান অহা ২৭ জানুৱাৰীৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে আমগুৰিৰ লালিম চাপৰিত অৱস্থিত বীৰ পাঙৰাও সমন্বয় ক্ষেত্ৰত অনুষ্ঠিত হ'ব । এই উপলক্ষে কালি লালিমচাপৰি বীৰ পাঙৰাও সমন্বয় ক্ষেত্ৰত লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে মে-ডাম-মে-ফিৰ উদযাপন সমিতিৰ সভাপতি বুদ্ধেশ্বৰ শেনচোৱা, জিতু গগৈ, নৃপেন গগৈ, মৃদুল বাইলুং ফুকন, দিনেশ দুৱৰা আদি বিশিষ্ট ব্যক্তিসকলে। উল্লেখ্য যে আহোম ৰাজত্বকালত পাঙৰাও বীৰে আইটনীয়া নগাক পৰাস্ত কৰি আহোম ৰাজ্য সুৰক্ষিত কৰিছিল। আইটনীয়া নগাই আহোমৰ চুহুংমুং স্বৰ্গদেউৰ ৰাজত্বকালত উপদ্ৰৱ চলাই বিস্তৰ ক্ষতি কৰিছিল। এই নগাসকলক আহোম ৰজাই খেদিবৰ কাৰণে চাৰিঙীয়া বীৰ পাঙৰাওক দায়িত্ব অৰ্পণ কৰিছিল। পাঙৰাও বীৰে অতি কৌশলেৰে আইটনীয়া নগাক পৰাস্ত কৰি আহোম ৰাজ্য সুৰক্ষিত কৰাৰ বাবেই স্বৰ্গদেৱে লালিম চাপৰিত তেওঁক এশ বিঘা মাটি দি সংস্থাপিত কৰে। এই পাঙৰাও বীৰৰ মৈডাম বৰ্তমান পুৰাতত্ত্ব বিভাগে নিজৰ অধীনলৈ নিয়াৰ লগতে ৰাজহ মন্ত্ৰী যোগেন মহনে পাঙৰাও ক্ষেত্ৰৰ বাবে ১০ বিঘা মাটি আবন্টন দিছে। আনহাতে আজি লাইখুঁটা স্থাপন অনুষ্ঠানতে বুদ্ধেশ্বৰ শেনচোৱাক উদ্‌যাপন সমিতিৰ সভাপতি, দিনেশ দুৱৰা আৰু নৃপেন গগৈক সম্পাদক, মৃদুল বাইলুং ফুকন আৰু জিতু গগৈক কাৰ্যকৰী সভাপতি, সামগ্ৰিক ব্যৱস্থাপক তথা পৰিকল্পক সমাজকৰ্মী পুতুল গগৈক লৈ এখন বৃহৎ সমিতি গঠন কৰে। প্ৰণিধানযোগ্য যে বীৰ পাঙৰাও মৈডাম সংৰক্ষণৰ ক্ষেত্ৰত লালিম ছিগাৰ বুৰঞ্জীবিদ প্ৰয়াত পানীৰাম গগৈৰ অশেষ অৱদান আছে। প্ৰয়াত পানীৰাম গগৈৰ প্ৰচেষ্টাত বীৰ পাঙৰাও মৈডাম সংৰক্ষিত হৈ থকাৰ সমান্তৰালকৈ তাই আহোম যুৱ পৰিষদে মৈডামটো পুৰাতত্ত্ব বিভাগৰ অধীনলৈ হস্তান্তৰ কৰাত বিশেষ ভূমিকা পালন কৰি আহিছে।

## পাঠদানত ফাকি দি আজমলৰ দলীয় কামত ব্যস্ত চৰকাৰী শিক্ষক

### ■ হোজাইৰ উপায়ুক্তলৈ অভিভাৱক ৰাইজৰ অভিযোগ

**অগ্রদূত বাৰ্তা**

**হোজাই, ২১ জানুৱাৰী ঃ** ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দুৰ্নীতি বিৰোধী সংগ্ৰাম অব্যাহত ৰখাৰ পাছতো শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ শিক্ষা বিভাগত আজিও মুকলিকৈ চলিছে দুৰ্নীতিৰ বজাৰ। বিভাগীয় নীতি-নিয়মক জলাঞ্জলি দি হোজাই জিলাৰ একাংশ চৰকাৰী শিক্ষকে নিজৰ দায়িত্ব আৰু কৰ্তব্যত ফাকি দিয়াৰ এক দীৰ্ঘদিনীয়া অভিযোগ উত্থাপিত হৈ আহিছে। শেহতীয়াকৈ উত্থাপিত অভিযোগ অনুসৰি জিলাখনৰ লংকা শিক্ষাখণ্ডৰ অধীনস্থ এখন এম ই মাদ্ৰাছাৰ সহকাৰী শিক্ষক জনৈক ইছলামৰ বিৰুদ্ধে কৰ্তব্যত ফাকি দিয়াৰ এক গুৰুত্বৰ অভিযোগ উত্থাপিত হৈছে। চৰকাৰী দৰমহা প্ৰাপ্ত শিক্ষকজনে দীৰ্ঘদিন ধৰি ছাত্ৰ-ছাত্ৰীক পাঠদানৰ বিপৰীতে বিদ্যালয় চলি থকা সময়ছোৱাত আজমল নেতৃত্বাধীন ৰাজনৈতিক দল এআইইউডিএফ আৰু ধনবান আজমলৰ সেচ্ছাসেৱী সংস্থাৰ হৈ কম্বল, খেজুৰ, জাকাতৰ ধন বিতৰণৰ উপৰি ৰাজনৈতিক সভা-সমিতিত অংশগ্ৰহণ কৰি বিভাগীয় নীতি নিয়মক জলাঞ্জলি দি আহিছে। শিক্ষকজনে সংঘটিত কৰা এই অনিয়মৰ ফলত এম ই মাদ্ৰাছাৰ শিক্ষাৰ্থীসকল নিয়মীয়া পাঠদানৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। দীৰ্ঘদিন ধৰি বিভাগীয় নিয়ম নীতিক ভৰিৰে মোহাৰি মাদ্ৰাছাৰ সহকাৰী শিক্ষকজনে আজমল নেতৃত্বাধীন এআইইউডিএফৰ হোজাই জিলা সমিতিৰ গুৰুত্বপূৰ্ণ দায়িত্বত থাকি ৰাজনৈতিক কাম-কাজ চলাই যোৱাৰ তথ্য সহকাৰে ৰাজ্যৰ আগশাৰীৰ কে'বাখনো বাতৰি কাকতত বাতৰি সম্প্ৰচাৰিত হোৱাৰ পাছতো লংকা শিক্ষা খণ্ড বিষয়াই কৰ্তব্যত ফাকি দিয়া শিক্ষকজনৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰি শিক্ষকজনক ৰক্ষণাবেক্ষণ দিয়াৰ সন্দেহ প্ৰকাশ কৰিছে বৃহত্তৰ অঞ্চলটোৰ ৰাইজে। উল্লেখ্য যে পাঠদানত ফাকি দি চৰকাৰী বিদ্যালয়ৰ শিক্ষকজনে ৰাজনৈতিক প্ৰচাৰ চলোৱা ঘটনাৰ বিৰুদ্ধে স্থানীয় ৰাইজে বিভাগীয় আমোলা-বিষয়াক বিগত দিনবোৰত কে'বাবাৰো অভিযোগ কৰিছিল যদিও আজমলৰ আশীৰ্বাদত আজিলৈকে নজৰুলৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। বৰঞ্চ সময়ত সকলো অভিযোগ ধোঁৱাচাঙত পৰিণত হ'ল। ইপিনে, লংকা শিক্ষা খণ্ডৰ এই এম ই মাদ্ৰাছাৰ সহকাৰী শিক্ষকৰ এনে অনিয়মৰ ফলত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ জীৱন ধ্বংসৰ মুখে আগবাঢ়ি যোৱাৰ আশংকা হৈছে। দীৰ্ঘদিন কৰ্তব্যত ফাকি দি চৰকাৰী দৰমহা লাভ কৰি অহা মাদ্ৰাছাৰ শিক্ষকৰ বিৰুদ্ধে অঞ্চলটোৰ প্ৰায়ে শতাধিক অভিভাৱক ৰাইজে হোজাই জিলাৰ উপায়ুক্ত অনুপম চৌধুৰীক এখন লিখিত অভিযোগ দাখিল কৰি শিক্ষাৰ্থীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষকজনৰ বিপক্ষে বিহিত ব্যৱস্থাৰ দাবী উত্থাপন কৰিছে।

## কৃতী শিক্ষক-সমাজকৰ্মী দীপক শৰ্মাৰ মৃত্যু

### ■ পূব নলবাৰীত শোকৰ ছাঁ



**অগ্রদূত বাৰ্তা**

**নলবাৰী, ২১ জানুৱাৰী ঃ** নলবাৰী জিলাৰ পূব নলবাৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া কাৰ্যালয়ৰ অধীনস্থ বালিকুছি মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক, বিশিষ্ট সমাজকৰ্মী, ক্ৰীড়া সংগঠক দীপক শৰ্মা(৫২)ৰ আজি পুৱা আকস্মিকভাৱে মৃত্যু হয়। কৃতী শিক্ষকজনৰ অকাল বিয়োগৰ খবৰে সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলায়। উল্লেখ্য যে কালি দিনৰ ১১ মান বজাত বিদ্যালয়ত কৰ্মৰত অৱস্থাৰ পৰা নিকটৱৰ্তী সহকাৰী শিক্ষক এজনৰ ঘৰলৈ কিবা কামত গৈছিল। শিক্ষকজনৰ ঘৰত বহি চাহ খাই অৱস্থাতে উচ্চ ৰক্তচাপত আক্ৰান্ত হয়। লগে লগে সহকৰ্মী শিক্ষকসকলে নলবাৰীৰ এজন বিশেষজ্ঞৰ ওচৰলৈ নিয়ে যদিও অৱস্থা সংকটজনক হোৱাত গুৱাহাটীৰ জি এন আৰ চি হাস্পতালত ভৰ্তি কৰায়। তাত চিকিৎসকে উচ্চ ৰক্তচাপৰ ফলত মগজুৰ অধিক ৰক্তক্ষৰণ হোৱা বুলি প্ৰকাশ কৰে আৰু আই চি ইউত ভৰ্তি কৰি চিকিৎসা প্ৰদান কৰে। উল্লেখ্য যে চিকিৎসাধীন অৱস্থাতে আজি পুৱা ৫:৪৫ বজাত কৃতী শিক্ষকজনে অকাল মৃত্যুক সাবটি লয়। সমাজকৰ্মী তথা সৰ্ববৰহী কৃতী শিক্ষকজনৰ অকাল বিয়োগৰ বাতৰি প্ৰচাৰ হোৱাৰ লগে লগে সমগ্ৰ অঞ্চলটো শোকত ম্ৰিয়মান হৈ পৰে। পাছত জি এন আৰ চি হাস্পতালৰ পৰা এখন পুষ্প সজ্জিত বাহনত তেওঁৰ নশ্বৰদেহ পোনে পোনে বালিকুছি মজলীয়া বিদ্যালয়লৈ অনা হয়। তাত বিদ্যালয়ৰ শিক্ষক, কৰ্মচাৰী, ছাত্ৰ ছাত্ৰী, অভিভাৱক, বালিকুছি গাঁও উন্নয়ন সমিতি, বালিকুছি শ্ৰমিক সংঘ, বালিকুছি গোপাল মন্দিৰ পৰিচালনা সমিতিয়ে শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছত তেওঁৰ নশ্বৰ দেহ ধমধমাৰ নিজ গৃহলৈ নিয়াৰ পিছত তাত গো পূজা থান উন্নয়ন সমিতি, গো পূজা বাৰসায়ী সন্থা, গ্ৰাম্য বিকাশ মঞ্চ, নলবাৰী ক্ৰীড়া সন্থা, বৰবৰী আঞ্চলিক ছাত্ৰ সন্থা, আঞ্চলিক কল্যাণ পৰিষদ, যুৱ মঞ্চ, জিলা মজলীয়া শিক্ষক সন্থা, জিলা সাহিত্য সভা, বৰবৰী শাখা সাহিত্য সভা, জিলা সাংবাদিক সন্থা, অসম প্ৰদেশ সাংবাদিক সন্থা, জিলা কৰ্মচাৰী পৰিষদ, বৰবৰী থান উন্নয়ন সমিতি, পূব নলবাৰী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া ইনামুল মজিদ, গাণনিক ব্ৰজেন শৰ্মাকে ধৰি ভালেমান দল-সংগঠন আৰু ব্যক্তি বিশেষে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ১৯৬৮ত নলবাৰী সমষ্টিৰ অন্তৰ্গত ধমধমা গাঁৱত জন্মগ্ৰহণ কৰা শৰ্মা এজন কৃতী শিক্ষক হোৱাৰ উপৰি এজন সচেতন সমাজসেৱকৰূপেও পৰিচিত আছিল। বালিকুছি মজলীয়া বিদ্যালয়ত সহকাৰী শিক্ষক হৈ থকাৰ মাজতে ২০১৭ত বিদ্যালয়খনৰ প্ৰধান শিক্ষকৰূপে দায়িত্বভাৰ গ্ৰহণ কৰে। প্ৰধান শিক্ষক হৈ তেওঁ চৰকাৰী খণ্ডৰ বিদ্যালয়খনক নৰূপেৰে সজাই সমগ্ৰ জিলাখনতে এখন লেখত ল'বলগীয়া শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। তাৰ ফলত যোৱা বছৰ জিলা প্ৰশাসনৰ তৰফৰ পৰা শ্ৰেষ্ঠ বিদ্যালয়ৰ সন্মান লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি তেওঁ বিদ্যালয়খনত ৰান্ধনিশাল বাগিচাৰ উপৰি বিদ্যালয়ৰ মাটিত বিভিন্ন ৰবি শস্যৰ খেতি কৰি শিক্ষা বিভাগৰ উৰ্ধতন বিষয়া আৰু অঞ্চলটোৰ ৰাইজৰ ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হৈছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ পাঁচ বছৰীয়া একমাত্ৰ পুত্ৰ, ভাতৃ-ভগ্নীৰ লগতে গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। দিনৰ ভাগত নিজ গৃহত অসংখ্য গুণমুগ্ধৰ উপস্থিতিত অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰা হয়।

## জাগুনত বন্যহস্তীৰ তাণ্ডৱত কেঁবাটাও বাসগৃহ ধ্বংস

**অগ্রদূত বাৰ্তা,**

**মাৰ্ঘেৰিটা, ২১ জানুৱাৰীঃ** তিনিচুকীয়া জিলাৰ ডিগবৈ বন সংমণ্ডলৰ অধীনত জাগুন আঞ্চলিক বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত জাগুন সোণালী জনজাতি দেউৰী গাঁৱত খাদ্যৰ সন্ধানত ওলাই অহা এটা বনৰীয়া হাতীয়ে তাণ্ডৱ চলাই এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ লগতে কে'বাটাও বাসগৃহ ভাঙি লণ্ড-ভণ্ড কৰে। অঞ্চলটোৰ ৰাইজে জানিবলৈ দিয়ামতে বিগত বহুদিন ধৰি উক্ত অঞ্চলটোত নিতৌ বন্যহস্তীয়ে তাণ্ডৱ চলাই অহাৰ অভিযোগ বন বিভাগক বাৰম্বাৰ অৱগত কৰি অহাৰ পাছতো বন বিভাগে কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ তুলিছে। যাৰ ফলত আজি পুনৰ খাদ্যৰ সন্ধানত ওলাই অহা বনৰীয়া হাতীয়ে কে'বাটাও বাসগৃহৰ লগতে ঘৰৰ আচবাব ভাঙি লণ্ড-ভণ্ড কৰে।

## ঘাঁহীত ব্যতিক্ৰমী ৰূপত ম'হৰ আৰ্হিৰে ভেলা ঘৰ

### ■ ভোগালী উৎসৱৰ সামৰণিত সাংস্কৃতিক অনুষ্ঠান সম্পন্ন



**অগ্রদূত বাৰ্তা**

**বেৱেজীয়া, ২১ জানুৱাৰী ঃ** নগাঁও জিলাৰ বেৱেজীয়াৰ নিকটৱৰ্তী ঘাঁহী চাৰিআলিত ঘাঁহী আঞ্চলিক যুৱ সমাজে যোৱা ১৩ জানুৱাৰীৰ পৰা ভোগালী বিহু উৎসৱ উদ্‌যাপন কৰে। ১৫ জানুৱাৰীত বিভিন্ন কাৰ্যসূচীৰ লগতে মহৰ আৰ্হিৰে ব্যতিক্ৰমী ৰূপত প্ৰস্তুত কৰা ভেলাঘৰৰ সন্মুখত মুকলি আকাশৰ তলত শীতৰ কুঁৱলীৰে ভৰা সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। এটি বৰগীতৰে তুলিকা দাস বণিয়াই আৰম্ভণি কৰা অনুষ্ঠানত স্থানীয় গায়ক-গায়িকা ক্ৰমে ৰাকেশ হাজৰিকা, প্ৰিয়াংকী দাস, দীপক কুমাৰ দাস, ধণিষ্ঠা প্ৰিয়দৰ্শিনী, প্ৰাঞ্জল বণিয়া, বিদ্যাধৰ দাস, ডুন দিগন্ত আদিয়ে গীত-মাত পৰিবেশনৰ কৰে। গ্ৰামাঞ্চলটোৰ উদ্যমী যুৱ কৰ্মী হিৰণ্য কুমাৰ দাস, চন্দ্ৰ দাস, বিষ্ণুৰাম বণিয়া, মৌচুম শৰ্মা, ডিম্বেশ্বৰ শইকীয়া, গোলাপ চন্দ্ৰ দাস, প্ৰদীপ দাস, হৃদয়ানন্দ (ৰাজা) বৰা, বিক্ৰমাদিত্য শইকীয়া, কৃষ্ণ সাহা, নৱ কুমাৰ দাস, বিষ্ণু বৰা, দীপ বৰা, প্ৰণৱ কুমাৰ দাস, দীপজ্যোতি দাস, দীপক দাস, পিংকু দাস, নয়ন দাস আদিৰ ঐকান্তিক প্ৰচেষ্টাত আয়োজিত এই ভোগালী উৎসৱৰ বিভিন্ন কাৰ্যসূচীসমূহত উদ্যোক্তাসকলে ৰাইজৰ পৰা সহায়-সহযোগিতা লাভ কৰাৰ লগতে সমাদৰো পাবলৈ সক্ষম হয়। অন্তিম দিনাৰ সাংস্কৃতিক কাৰ্যসূচীৰ আৰম্ভণি অনুষ্ঠানত বেৱেজীয়া প্ৰেছ ক্লাবৰ সভাপতি তথা ক্ৰীড়া সংগঠক সমীৰ হাজৰিকাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয় আৰু তেওঁ শুভেচ্ছামূলক বক্তব্য ৰাখে। সেই অনুষ্ঠানত সংবাদকৰ্মী শিবানজ্যোতি কাকতি আৰু নিপন নাথ আদি উপস্থিত থাকে।

## দলগাঁও দৈনিক বজাৰৰ বিধ্বস্ত ৰূপ

### ■ উন্নয়ন কৰিবনে ৰাইজৰ প্ৰতিনিধিসকলে

**অগ্রদূত বাৰ্তা**

**দলগাঁও, ২১ জানুৱাৰী ঃ** দৰঙৰ দলগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত দলগাঁও দৈনিক বজাৰখনৰ কোনো ধৰণৰ উন্নয়নেই নোহোৱাত ৰাইজে যমৰ যাতনা ভুগিব লগা হৈছে । বিগত সময়ত ৰাইজৰ প্ৰতিনিধিসকলে দলগাঁও সমষ্টিৰ অন্তৰ্গত বিভিন্ন দৈনিক, সাপ্তাহিক বজাৰ সমুহত নতুন গৃহ, বজাৰৰ আৰ্থ ফিলিং, ড্ৰেইন, খোৱা পানীৰ ব্যৱস্থা, টয়লেট, জিৰণি কোঠা আদি নিৰ্মাণ কৰিলে যদিও স্বাধীনতাৰ ৭৫ বছৰ অতিক্ৰম কৰাৰ পাছতো দলগাঁও দৈনিক বজাৰক এনেধৰণৰ উন্নয়নমূলক কাম-কাজৰ ফালে চকু দিবলৈ প্ৰতিনিধিসকলৰ কাৰো আহৰি নাই । বেচিমাৰী আঞ্চলিক পঞ্চায়তে প্ৰতি বছৰে নিবিদা দি বন্দৱস্তিৰ জৰিয়তে মহলদাৰসকলে বজাৰৰ স্থায়ী, অস্থায়ী দোকানী-ব্যৱসায়ীসকলে ৰাজহ দি থাকৰ পাছতো বজাৰখনলৈ চকু নিদিয়াত ৰাইজ হতাশ হৈ পৰিছে। বজাৰৰ প্ৰতিটো গলিত বহু বছৰ আগতেই ইটা গাঁথনি কৰিছিল যদিও বৰ্তমান জহি-খহি গৈছে । মাছ বজাৰ আৰু মাংস বজাৰ দুখন একেবাৰে ওচৰা-উচৰিকৈ থকাত মাজৰ গলিৰে মানুহ অহা যোৱা কৰোতে ৰাইজৰ গাত তেজ ছিটিকি গৈ কাপোৰ-কানি লেতেৰা কৰি দিয়াত সঘনাই কাজিয়া সংঘটিত হৈ থাকে । পাচলি বজাৰখনত কোনো ধৰণৰ পৰিকল্পিত ব্যৱস্থা নথকাত অস্বাস্থ্যকৰ পৰিৱেশত মাটিতেই পাচলি ৰাখি বিক্ৰী কৰাত বেমাৰ-আজাৰো নোহোৱাকৈ থকা নাই । চাহিদা অনুসৰি পাচলি বজাৰখন ঠেক হোৱাৰ বাবে গাঁৱৰ কৃষকসকলে উৎপাদিত নিজৰ পাচলিসমূহ আনি পাইকাৰী দোকানীৰ ওচৰত কম মূল্যতে বিক্ৰী কৰি থৈ জুৰুলা হ'ব লগা হৈছে । বাৰিষা কালত বজাৰৰ পৰা পানী ওলাই যাবলৈ ড্ৰেইনৰ কাম অলপ কৰিছে যদিও যথেষ্ট নহয় । ফলত এজাক বৰষুণ দিলেই বজাৰৰ মাজত এক আঁঠু পানী জমা হৈ যোৱাত যমৰ যাতনা ভুগিব লগা হৈছে । বজাৰখনত নাই কোনো ধৰণৰ খোৱা পানীৰ ব্যৱস্থা। মাছ বজাৰৰ ওচৰত এটা টয়লেট আছে যদিও চাহিদা অনুযায়ী যথেষ্ট কম । বজাৰৰ আৱৰ্জনা, লেতেৰা সামগ্ৰী পেলাবলৈ আঞ্চলিক পঞ্চায়ত অথবা গাঁও পঞ্চায়তে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাত সমগ্ৰ বজাৰখনতে দুৰ্গন্ধময় পৰিৱেশে বিৰাজ কৰিছে । ইপিনে, বজাৰৰ দোকান সমুহৰ লগতে সকলো স্থানত অপৰিকল্পিত ভাৱে বিদ্যুৎ সংযোগ কৰি লাইট, ফেন আদি সংযোগ কৰাৰো অভিযোগ উঠিছে । জধে-মধে সংযোগ কৰা বিদ্যুৎসমূহৰ তদন্ত কৰিবলৈ ৰাইজে বিদ্যুৎ বিভাগক দাবী জনাইছে। পুৰণি কালৰে পৰা জধে-মধে নিৰ্মাণ কৰা দোকান গৃহসমূহৰ পৰিৱৰ্তে পৰিকল্পিতভাৱে কে'বামহলীয়াকৈ মাৰ্কেট ছেড নিৰ্মাণ কৰি বজাৰখনক অতি সুন্দৰভাৱে সজোৱাৰ লগতে দোকান গৃহৰ সংখ্যা বৃদ্ধি কৰি কিছু পৰিমাণে ন্বিনুৱা সমস্যাও সমাধান কৰিবলৈ ৰাইজে নৱ নিৰ্বাচিত বিধায়ক মজিবৰ ৰহমানক ৰাইজে দাবী জনাইছে ।



## বৰহোলাত নতুন অসমীয়া কথাছবি 'অৰুন্ধতা'ৰ মহুৰত অনুষ্ঠান সম্পন্ন



**বিশেষ সংবাদদাতা**

**নগাবাট, ২১ জানুৱাৰী ঃ** অসমীয়া বোলছবি জগতত সংযোজন হ'ব এখন নতুন অসমীয়া কথাছবি 'অৰুন্ধতা'। শীঘ্ৰে চিত্ৰগ্ৰহণ আৰম্ভ হ'ব লগা কথাছবিখনৰ মহুৰত অনুষ্ঠান বুধবাৰে বৰহোলা গ্ৰন্থমেলাৰ মঞ্চত সম্পন্ন হয়। সেয়ে বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক বুধীন্দ্ৰ নাথ হাজৰিকা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ মহেন্দ্ৰ নাথ হাজৰিকাই বন্তি প্ৰজ্বলন কৰি কথাছবিখনৰ কাম-কাজ মুকলি কৰাৰ লগতে প'ষ্টাৰ মুকলি কৰে অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন গগৈয়ে। অনুষ্ঠানৰ আঁত ধৰে যুৱকৰ্মী বিজয় হাজৰিকাই। বহু কেইগৰাকী প্ৰতিভাসম্পন্ন ন-পুৰণি কলা-কৌশলীৰ প্ৰচেষ্টাত নিৰ্মাণ হ'ব লগা কথাছবিখনৰ কাহিনী, সংলাপ আৰু প্ৰযোজনা শ্ৰীবৎসলৰ। ছবিখনৰ দৃশ্যগ্ৰহণত থাকিব কৈলাশ দুৱৰা, চিত্ৰনাট্য, পৰিকল্পনা ৰাজীৱ মাইবাং। খুব কম সময়ত ছবিখনৰ নিৰ্মাণ সম্পূৰ্ণ কৰি ৰাইজলৈ মুকলি কৰি দিব বুলি জানিবলৈ দিছে উদ্যোক্তাসকলে।

## মান্দাকাটা গাঁও পঞ্চায়তৰ সাতগাঁৱত পুখুৰী নিৰ্মাণ আৰম্ভ

**অগ্রদূত বাৰ্তা**

**দুমুনিচকী, ২১ জানুৱাৰী ঃ** কামৰূপ জিলাৰ বেজেৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত মান্দাকাটা গাঁও পঞ্চায়তৰ সাতগাঁৱত এম জি এনৰেগাৰ অধীনত এটা পুখুৰী খন্দা কামৰ কালি আৰম্ভণি হয় । ১৯ লক্ষ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া এই পুখুৰী নিৰ্মাণ আঁচনিখনৰ আৰম্ভ কৰে কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া পৰাগ কাকতিয়ে । আঁচনি আৰম্ভৰ পাছতে আৰম্ভণি অনুষ্ঠানৰ লগত সংগতি ৰাখি কভি'ড বিধিৰ মাজেৰে অনুষ্ঠিত এখন সভাত আঠ হেজাৰ বনুৱাৰে নিৰ্মাণ কৰিবলগীয়া সাতগাঁৱৰ এই পুখুৰীটো ৰাইজৰ বাবে এক মূল্যবান সম্পদ হিচাপে বিবেচিত হ'ব বুলি মন্তব্য কৰে আঁচনিৰ উদ্বোধক কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াজনে । উক্ত সভাত উপস্থিত থকা কামৰূপ জিলাৰ কাৰ্যবাহী অভিযন্তা তথা বেজেৰা উন্নয়ন খণ্ডৰ দায়িত্বৰত খণ্ড উন্নয়ন বিষয়া অপূৰ্ব বৰুৱাই নিৰ্মাণ হ'বলগীয়া এই পুখুৰীটোৰ সঠিক ব্যৱহাৰ কৰিবলৈ ৰাইজক আহ্বান জনায় । বেজেৰা গাঁও পঞ্চায়তৰ জি আৰ এছ তথা স্থানীয় যুৱনেতা বাবুল হুছেইনে আঁত ধৰা উদ্বোধনী অনুষ্ঠানত মান্দাকাটা গাঁও পঞ্চায়তৰ প্ৰায় তিনিশ জবকাৰ্ড হিতাধিকাৰীৰ লগতে পঞ্চায়তখনৰ সভাপতি জাহিদুল ইছলাম, সাতগাঁৱৰ গাঁও প্ৰধান আজামুল্লা আলী প্ৰমুখ্যে কে'বাগৰাকীও গণ্যমান্য ব্যক্তি উপস্থিত থাকে ।

## সাংবাদিকে সামাজিক দায়বদ্ধতা ৰক্ষা কৰিহে বাতৰি পৰিৱেশন কৰা উচিত

### ■ গৌৰীসাগৰ প্ৰেছ ক্লাবৰ বৰ্ষজোৰা ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠান



**অগ্রদূত বাৰ্তা**

**গৌৰীসাগৰ, ২১ জানুৱাৰী ঃ** 'গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সাংবাদিকসকল সততে সংবেদনশীল আৰু সমাজ সচেতন হ'লেহে সমাজৰ উত্তৰণৰ দিশ উন্মোচিত হয়। এই ক্ষেত্ৰত বিশেষকৈ ছপা আৰু বৈদ্যুতিন সংবাদ মাধ্যমৰ সাংবাদিকৰ সামাজিক দায়বদ্ধতা অপৰিসীম। সেয়ে সমাজ উত্তৰণৰ স্বাৰ্থত সাংবাদিকসকলে সামাজিক দায়বদ্ধতা ৰক্ষা কৰিহে বাতৰি পৰিৱেশন কৰা উচিত।' আজি গৌৰীসাগৰস্থিত বহুমুখী প্ৰকল্প ভৱনত অনুষ্ঠিত গৌৰীসাগৰ প্ৰেছ ক্লাবৰ বৰ্ষজোৰা ৰূপালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি দিখৌমুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰঞ্জিত কুমাৰ বৰুৱাই এইদৰে কয়। গৌৰীসাগৰ প্ৰেছ ক্লাবৰ সভাপতি পদুম কুমাৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলিসভা উদ্বোধন কৰি সাংবাদিক, সাহিত্যিক, শিক্ষাবিদ মনোজ বৰঠাকুৰে অসমৰ সংবাদ জগতত হেমচন্দ্ৰ বৰুৱা, বেণুধৰ শৰ্মাৰ দৰে পুৰোধা ব্যক্তিয়ে এক যুগান্তকাৰী পৰিৱেশ ৰচনা কৰা বুলি উল্লেখ কৰে। তেওঁ সেইসকল মনীষীয়ে বাতৰি কাকতত কেৱল সংবাদ পৰিৱেশনেই নহয় অসমীয়া ভাষা সাহিত্য চহকী কৰাৰ ক্ষেত্ৰত ছপা মাধ্যমে ভূমিকা পালন কৰাৰ দিশো ৰচনা কৰিছে। পুৱা প্ৰেছ ক্লাবৰ সভাপতি পদুম শইকীয়াই ক্লাবৰ পতাকা উত্তোলনৰ লগতে আন ২৫ গৰাকী ব্যক্তিয়ে ২৫ খন পতাকা উত্তোলন কৰে। প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি বৰ্ষীয়ান সাংবাদিক দেৱকুমাৰ মহন্তই স্মৃতি তৰ্পণ কৰা অনুষ্ঠানটোত ন-পুৰণি সাংবাদিকসকলৰ মাজত এক অন্তৰংগ আলাপৰ অনুষ্ঠান অনুষ্ঠিত হয়। আনহাতে, প্ৰেছ ক্লাবৰ সম্পাদক ৰাজীৱ দত্তই আঁত ধৰা আৰু উদ্দেশ্য ব্যাখ্যা কৰা উক্ত সভাতে গৌৰীসাগৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক ভোলা বৰুৱা, অশীতিপৰ বাতৰি বিতৰক বন্তি পুস্তকালয়ৰ স্বত্বাধিকাৰ কুলধৰ কলিতা, বিশিষ্ট শিক্ষাবিদ শিল্পী সংগীতজ্ঞ ৰাজেন বৈৰাগী, প্ৰগতিশীল যুৱ কৃষক দীনেশ দত্ত, হ'কাৰ নকুল শইকীয়া, মুনীন বৰা আৰু ৰন্টু শৰ্মাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## বিশ্বশান্তিৰ স্বাৰ্থত ওদালগুৰিত অখণ্ড পালনামৰ আয়োজন

**বিশেষ সংবাদদাতা**

**ওদালগুৰি, ২১ জানুৱাৰী ঃ** বিশ্বজুৰি ক'ভিড -১৯ সংক্ৰমণৰ সময়ত সমস্ত জীৱন মংগল আৰু বিশ্ব শান্তিৰ স্বাৰ্থত অহা ২৩ জানুৱাৰীত ওদালগুৰি শ্ৰীমন্ত শংকৰদেৱ সত্ৰত ছয় ঘন্টীয়া অখণ্ড পালনামৰ আয়োজন কৰা হৈছে। পালনামৰ কাৰ্যসূচী অনুসৰি, নিচেই পুৱা জাগৰণ পৰিচালনা কৰিব শৰাণচাৰ্য বিমল ভকতে। আইসকলৰ নিত্য প্ৰসংগৰ পাছত বাপসকলৰ নাম-প্ৰসংগ আৰু মূল পাল নামভাগ। পালনামত মুখ্য পাঠকৰ আসনত বহিব গুৱাহাটীৰ পানবজাৰ শংকৰদেৱ সত্ৰৰ শৰণাচাৰ্য বীৰেণ পাঠকে। দিনৰ দুই বজাত পালনামৰ সামৰণি আৰু প্ৰসাদ বিতৰণ। পালনাম ভাগত জিলাখনৰ কে'বাখনো সত্ৰৰ ভকত বাপে অংশগ্ৰহণ কৰিব। পালনামৰ আগদিনা কাইলৈ সত্ৰ চৌহদত এটি শৰণ পৰ্ব অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বৰ্তমানৰ ক'ভিড পৰিস্থিতিৰ প্ৰতি নজৰ ৰাখি সকলোৱে যেন ক'ভিড বিধি মানি পালনাম পৰিচালনাত সহযোগ কৰে তাৰ বাবে সত্ৰ পৰিচালনা সমিতিয়ে অনুৰোধ জনাইছে।

# মৰিগাঁৱত ধান ক্ৰয় কেন্দ্ৰ পৰিদৰ্শন ৰাষ্ট্ৰীয়-ৰাজ্যিক বিজেপিৰ কিষাণ মৰ্চা প্ৰতিনিধি দলৰ



**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ২১ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰে কৃষকৰ উৎপাদিত ধান পোনপটীয়াকৈ ক্ৰয় কৰাৰ ব্যৱস্থা বুজ লোৱাৰ উদ্দেশ্যে বিজেপিৰ ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক কিষাণ মৰ্চাৰ এটি প্ৰতিনিধিৰ দল মৰিগাঁও জিলাত উপস্থিত হৈছে। কালি আহি উপস্থিত হোৱা কিষাণ মৰ্চাৰ প্ৰতিনিধিৰ দলটোৱে জিলাখনৰ বিভিন্ন ঠাইত স্থাপন কৰা ধান ক্ৰয় কেন্দ্ৰসমূহ কালি আৰু আজি পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লয়। ইয়াৰ অংশ স্বৰূপে বিজেপিৰ ৰাষ্ট্ৰীয় কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক শম্ভু কুমাৰে দলটোৰ ৰাজ্যিক কিষাণ মৰ্চাৰ বিষয়ববীয়াসকলক লৈ উপস্থিত হয় লাহৰীঘাটৰ কুশতলিত থকা ধান ক্ৰয় কেন্দ্ৰত। ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক কিষাণ মৰ্চাৰ প্ৰতিনিধিৰ দলটোৱে ধান ক্ৰয় কেন্দ্ৰটোৰ প্ৰৱন্ধকৰ স'তে মত বিনিময় কৰি ধান ক্ৰয় ব্যৱস্থাৰ বিষয়ে বুজ লয়। ইফালে, পৰিদৰ্শন কালত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক কিষাণ মৰ্চাৰ প্ৰতিনিধিৰ দলটোৱে জিলাখনৰ বিভিন্ন অঞ্চলত বৰ্তমান চৰকাৰে নিৰ্ধাৰণ কৰা ধানৰ মূল্যৰ সন্দৰ্ভত কৃষকসকলৰ লগত মত-বিনিময় কৰি সাংবাদিকৰ আগত কয় যে প্ৰতি কুইণ্টল ধান ১,৯৪০ টকাত বিক্ৰী কৰি কৃষক ৰাইজ উৎসাহিত হৈছে। লগতে ৰাজ্যখনক এখন আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে গঢ় দিবলৈ ৰাজ্য চৰকাৰে পোনপটীয়াকৈ কৃষকসকলৰ পৰা যি ১০ লাখ মেট্ৰিকটন ধান ক্ৰয় কৰাৰ পদক্ষেপ লৈছে, ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক ৰাষ্ট্ৰীয় কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক শম্ভু কুমাৰে প্ৰশংসা কৰে। একেদৰে ৰাজ্যিক কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক নিবাৰণ বৰাই কয় যে এই চৰকাৰখনেই প্ৰথম চৰকাৰ, যিখন চৰকাৰে খেতিয়কৰ উৎপাদিত সামগ্ৰী পোনপটীয়াকৈ ক্ৰয় কৰিবলৈ সক্ষম হৈছে। ইয়াত কোনো মধ্যভোগী নাই। চৰকাৰৰ এনে পদক্ষেপৰ বাবেই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰখনক প্ৰশংসা কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক কিষাণ মৰ্চাৰ প্ৰতিনিধিৰ দলটোক পৰিদৰ্শন কালত বানপীড়িত জিলাখনৰ কৃষকসকলে বৰ্তমান চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া ধানৰ মূল্য বৰোধানৰ ক্ষেত্ৰতো বাহাল ৰাখিবলৈ দাবী জনায়। ৰাষ্ট্ৰীয় কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক শম্ভু কুমাৰ, ৰাজ্যিক কিষাণ মৰ্চাৰ সাধাৰণ সম্পাদক নিবাৰণ বৰা, ইন্দ্ৰানী টহবিলদাৰ, উপ-সভাপতি ৰঞ্জিত ভট্টাচাৰ্য, ভাস্কৰ নাথ আৰু সম্পাদক ভাস্কৰ হাজৰিকা উপস্থিত থকা প্ৰতিনিধিৰ দলটোক জিলাখনৰ ধান ক্ৰয় কেন্দ্ৰসমূহ পৰিদৰ্শন কালত সংগ দিয়ে মৰিগাঁও জিলা কিষাণ মৰ্চাৰ সভাপতি দুলাল ব্ৰহ্মসহ কে'বাগৰাকীও বিষয়ববীয়াই।

# ছাত্ৰ সমাজলৈ আছুৰ উপহাৰ

## ■ যোৰহাট জিলাৰ মহাবিদ্যালয়সমূহত স্থাপন কৰিব প্ৰতিযোগিতামূলক পৰীক্ষাৰ শিক্ষণ সামগ্ৰীৰে পৰিপূৰ্ণ পুথিভঁৰাল

**ষ্টাফ ৰিপৰ্টাৰ**
**যোৰহাট, ২১ জানুৱাৰী ঃ** শৈক্ষিক জাগৰণৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীৰ মনস্তাত্ত্বিক বিকাশ সাধন কৰি প্ৰতিযোগিতাৰ মনোভাব জাগ্ৰত কৰাৰ উদ্দেশ্যেৰে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই গ্ৰহণ কৰিছে এক বিশেষ পদক্ষেপ। আজি যোৰহাটত অনুষ্ঠিত হোৱা সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ কাৰ্যনিৰ্বাহক সভাত সম্পূৰ্ণ ব্যতিক্ৰমী আৰু যোগাত্মক চিন্তাৰে যোৰহাট জিলাৰ প্ৰত্যেকখন মহাবিদ্যালয়ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ শিক্ষণ সামগ্ৰীৰে পৰিপূৰ্ণ একোটাকৈ পুথিভঁৰাল স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় । সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈয়ে সভাপতিত্ব কৰা কাৰ্যনিৰ্বাহক সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে সন্থাৰ সাধাৰণ সম্পাদক দীপ দত্তই। আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক জিতু নেওগকে ধৰি ১৬ খন আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰতিনিধি উপস্থিত থকা সভাখনত সাংগঠনিক দিশতো কে'বাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰা হয় । বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি বিজয় শংকৰ বৰদলৈ আৰু সাধাৰণ সম্পাদক দীপ দত্তই কয়, বৰ্তমান প্ৰতিযোগিতাৰ যুগত প্ৰতিযোগিতামূলক পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকল সফল হ'বলৈ হ'লে ইয়াৰ বাবে পূৰ্বৰ প্ৰশ্নকাকত, আৰ্হি প্ৰশ্নকাকত, উত্তৰ নিৰ্বাচনৰ সহজ আৰু চমু পদ্ধতি ইত্যাদি সন্নিৱিষ্ট বিভিন্ন পৰীক্ষাৰ বিভিন্ন শিক্ষণ সামগ্ৰীৰ প্ৰয়োজনীয়তা আছে । পেছাদাৰী প্ৰতিষ্ঠানৰ পৰা এনেধৰণৰ সামগ্ৰী ক্ৰয় কৰিবলৈ হ'লে অত্যধিক অৰ্থৰ প্ৰয়োজন হয়, যিটো সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে সম্ভৱপৰ নহয়। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলৰ সহায়ক হোৱাকৈ সকলো ধৰণৰ প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰয়োজনীয় শিক্ষণ সামগ্ৰী সন্নিৱিষ্ট একোটাকৈ পুথিভঁৰাল যোৰহাট জিলাৰ প্ৰত্যেকখন মহাবিদ্যালয়তে স্থাপন কৰা সিদ্ধান্ত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই গ্ৰহণ কৰিছে। প্ৰত্যকখন আঞ্চলিক ছাত্ৰ সন্থাক এই সিদ্ধান্তটো কাৰ্যকৰী কৰাৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছে, পৰৱৰ্তী সময়ত আঞ্চলিক ছাত্ৰ সন্থাসমূহে নিজ নিজ সাংগঠনিক অঞ্চলত থকা মহাবিদ্যালয়সমূহত শিক্ষক সমাজ আৰু ছাত্ৰ একতা সভাসমূহৰ লগত আলোচনা কৰি পুথিভঁৰাল স্থাপন কৰা হ'ব।

# কুশতলিত নিৰ্মীয়মাণ কেন্দ্ৰীয় মহাবিদ্যালয়ৰ পৰিদৰ্শন মন্ত্ৰী ডাঃ পেগুৰ

**অগ্ৰদূত বাৰ্তা**
**ভূৰাগাঁও, ২১ জানুৱাৰী ঃ** কালি সন্ধিয়া মৰিগাঁও জিলাৰ লাহৰীঘাট সমষ্টিৰ অন্তৰ্গত কুশতলিত উপস্থিত হয় শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। কুশতলি পঞ্চায়ত কাৰ্যালয়ত বৃদ্ধ পেঞ্চন, অৰুণোদয় আঁচনি আৰু বিধৱা পেঞ্চনকে ধৰি বিভিন্ন চৰকাৰী আঁচনি লাভ কৰা হিতাধিকাৰীসকলৰ লগত মত বিনিময় কৰে মন্ত্ৰী ডাঃ পেগুৱে। চৰকাৰী বিভিন্ন অভিলাষী আঁচনিৰ সুবিধাৰ পৰা বাদ পৰা সকলকো আঁচনিৰ সুবিধা লাভৰ বাবে আগবাঢ়ি আহিবলৈ তেওঁ আহ্বান জনায়। যোৱা বৰ্ষত ক'ভিডত মৃত্যু হোৱা কুশতলিৰ নীল ডেকাৰজাৰ ঘৰত নিশা উপস্থিত হৈ পৰিয়ালৰ লোকৰ লগত মত বিনিময় কৰে। তেওঁ লগতে কুশতলিত নিৰ্মাণ হৈ থকা কেন্দ্ৰীয় আদৰ্শ মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ বুজ লয়। এই মহাবিদ্যালয়ৰ গৃহ নিৰ্মাণৰ পাছতেই পাঠদান আৰম্ভ কৰা হ'ব বুলি মন্ত্ৰী ডাঃ পেগুৱে কয়।

# লখিমপুৰৰ হাৰমতী গাঁৱৰ চালকৰ হত্যাকাণ্ডত জড়িত দুজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**
**লক্ষীপুৰ, ২১ জানুৱাৰী ঃ** লখিমপুৰৰ হাৰমতী গাঁৱৰ ৰবি দাস নামৰ গাড়ী চালকৰ নিৰ্মম হত্যাকাণ্ডত জড়িত দুই অভিযুকত কালি গোৱালপাৰাৰ লক্ষীপুৰ আৰক্ষীয়ে জলেশ্বৰৰ তাৰাংগাপুৰ গাঁৱত গ্ৰেপ্তাৰ কৰে। ধৃত লোক দুজন হ'ল ৰফিকুল ইছলাম আৰু মোস্তাফিজুৰ। পৰিকল্পিত হত্যাকাণ্ড সন্দৰ্ভত গোৱালপাৰাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক মৃণাল ডেকাই কালি সন্ধিয়া এক সংবাদমেলত উল্লেখ কৰা মতে, ধৃত লোক দুজনে যোৱা আঠ ডিচেম্বৰত এটা চুৰি ম'বাইল ফোনেৰে চালক ৰবিৰ বাহনখন গুৱাহাটীৰ পৰা ভাড়াত লৈছিল। পাছত তেওঁলোকে চালক ৰবিৰ ওপৰত ব্যক্তিগত আক্ষেপ আৰু কিছু নগদ টকা-পইচা পোৱাৰৰ লোভত চালকজনক হত্যা কৰি মৃতদেহটো জলেশ্বৰৰ বিলপাৰালৈ আনে। ধৃত লোক দুজনে মৃতদেহটো গাড়ীৰ পৰা নমাই নিশা লগে লগে জ্বলাই দিয়াৰ পৰিকল্পনা কৰিছিল। কিন্তু তেতিয়া দোকমোকালি হোৱা বাবে ৰবিৰ মৃতদেহটো তাতেই থৈ এওলোকে গাঁৱৰ কোনো স্থানীয় লোকৰ চকুত ধৰা পৰা আগতে বাহনখন লৈ পুনৰ গুৱাহাটীৰ যথাস্থানলৈ যায়। পাছত বাহনখন যথাস্থানত ৰাখি তৎমুহূৰ্তত দুয়ো উক্ত স্থানৰ পৰা আঁতৰি যায়। ইপিনে, যোৱা ন ডিচেম্বৰ পুৱা ৰবিৰ মৃতদেহটো জলেশ্বৰ বিলপাৰা গাঁৱত উদ্ধাৰৰ পাছতে লক্ষীপুৰ থানাত এটি গোচৰ ৰুজু হয়। উক্ত গোচৰৰ ভিত্তিত জিলা আৰক্ষী প্ৰশাসনে তদন্ত অব্যাহত ৰাখে। অৱশেষত উপআৰক্ষী অধীক্ষক অনুৰাগ শৰ্মা আৰু লক্ষীপুৰ আৰক্ষী বিষয়া ভীমকান্ত পেগু সহযোগিতাত কালি অভিযুক্তদ্বয়ক তাৰাংগাপুৰ গাঁৱত গ্ৰেপ্তাৰ কৰে।

# কামৰূপ জিলাৰ বনভোজথলীসমূহ বন্ধ ৰখাৰ নিৰ্দেশ



**অগ্ৰদূত বাৰ্তা**
**উত্তৰ গুৱাহাটী, ২১ জানুৱাৰীঃ** বৰ্তমানৰ ক'ভিড-১৯ৰ বৰ্দ্ধিত সংক্ৰমণ আৰু ৰাইজৰ মাজত ক'ভিড-১৯ সম্বন্ধীয় নীতি-নিৰ্দেশনা দূৰত্ব বজাই ৰখা, মাস্ক পিন্ধা আদি কঠোৰভাৱে মানি নচলাৰ ফলত জনস্বাস্থ্যৰ প্ৰতি অহা ভাবুকিৰ পৰিপ্ৰেক্ষিতত কামৰূপ জিলাৰ উপায়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ অধ্যক্ষ কৈলাশ কাৰ্তিক এনে দুৰ্যোগ ব্যৱস্থাপনা আইন ২০০৫ৰ অধীনত জিলাখনৰ বনভোজথলীসমূহ বন্ধ ৰাখিবলৈ এক নিৰ্দেশনা জাৰি কৰিছে। তৎকালীনভাৱে আজি অৰ্থাৎ ২১ জানুৱাৰী ২০২২ৰ পৰা বলৱৎ হোৱা এই নিৰ্দেশনা অনুসৰি জিলাখনৰ উকিয়াম, কুলশী, চানডুবি, বাৰেগাঁও, ৰাণীখামাৰ, কপিলী, কেদাৰ, দীৰ্ঘেশ্বৰী, মদন কামদেৱ, মলং শিলডুবি হুহুৱাপাৰাকে ধৰি জিলাখনৰ সকলো বনভোজথলী পুনৰ নিৰ্দেশনা নিদিয়া পৰ্যন্ত বন্ধ থাকিব। এই নিৰ্দেশনা উলংঘা কৰিলে দুৰ্যোগ ব্যৱস্থাপনা আইন ২০০৫ৰ ৫১ৰ পৰা ৬০ দফাৰ লগতে ভাৰতীয় দণ্ডবিধি আইনৰ ১৮৮ ধাৰাৰ অধীনত বিহীত ব্যৱস্থা লোৱা হ'ব।

# অফলাইন শিক্ষা বাহাল ৰখাৰ দাবী নাছাৰ

## ■ ৰাজহুৱা শিক্ষা ব্যৱস্থাৰ অনানুষ্ঠানিকীকৰণ-ক্ৰমবিলুপ্তিৰ চক্ৰান্তৰ বিৰুদ্ধে গৰ্জি উঠিল নতুন অসম ছাত্ৰ সন্মিলন

**গুৱাহাটী, ২১ জানুৱাৰী ঃ** অতিমাৰীৰ অজুহাতত ৰাজহুৱা শিক্ষা ব্যৱস্থা ধ্বংসৰ চক্ৰান্তত লিপ্ত হৈছে বিশ্বৰ সাম্ৰাজ্যবাদী-পুঁজিবাদী শক্তিসমূহ। ভাৰততো ফেচিষ্ট সাম্প্ৰদায়িক শাসক-শোষকে তাৰ লগতে সহযোগ কৰিছে। ফলত ৰাজনৈতিক দলৰ সভা-সমাবেশ নৃত্য-নাটক চলি আছে। ধৰ্মীয় সমাবেশ-মেলা-পূজা চলি আছে, বজাৰ-সমাৰ চলি আছে, মাত্ৰ বন্ধ আছে কণ কণ শিশুৰ বিদ্যালয়সমূহ। মাহৰ পাছত মাহ, বছৰৰ পাছত বছৰ বিদ্যালয়সমূহ বন্ধ থকাৰ ফলত নতুন প্ৰজন্ম প্ৰায় নিৰক্ষৰ হ'ব ধৰিছে। পাঠ্যপুথিৰ পৰা, জ্ঞানৰ অন্বেষণৰ পৰা তেওঁলোকক আঁতৰাই আনিবৰ কাৰণে ম'বাইল ফোন, অনলাইন ক্লাছ আদিৰ টোপ দিয়া হ'লেও প্ৰকৃতাৰ্থত নিয়মীয়া, প্ৰতিষ্ঠানিক-আনুষ্ঠানিক-মুখামুখি শিক্ষাৰ বিলোপ সাধন কৰিব বিচৰা হৈছে বুলি আজি এক বিবৃতিত উল্লেখ কৰে নতুন অসম ছাত্ৰ সন্মিলন (নাছা)ই। নাছাই পুনৰ উল্লেখ কৰে যে তাৰ বাবে গুণোৎসৱৰ নামত বিদ্যালয়বিলাকৰ মানক লৈ প্ৰশ্ন তোলা হয়, তাৰ পাচত সেইবিলাক বেলেগ বিদ্যালয়ৰ লগত চামিল কৰাৰ নামত বিলোপ কৰি দিয়া হয়। ৰাইজে প্ৰতিষ্ঠা কৰা হেজাৰ-হেজাৰ বিদ্যালয় এনেকৈয়ে বিলোপ কৰা হৈছে। বাকী থকাখিনিও আজি বিপন্ন। শিক্ষাৰ শিতানত উন্নত দেশসমূহে মুঠ ঘৰুৱা উৎপাদনৰ 12শতাংশ পৰ্যন্ত খৰচ কৰাৰ বিপৰীতে ভাৰতে স্বাধীনতাৰ সময়ত তিনি শতাংশ ৰে আৰম্ভ কৰি এতিয়া প্ৰায় 1.5 শতাংশ লৈ নামি আহিছে। শিক্ষক-অধ্যাপক-শিক্ষা বিষয়াৰ নিযুক্তি নাই। অংগনৱাড়ী তথা দুপৰীয়াৰ আহাৰ এডেও দুডেওকৈ বন্ধ কৰি দিয়াৰ চক্ৰান্ত চলিছে। এনে পৰিস্থিতিত নতুন অসম ছাত্ৰ সন্মিলন (নাছা-নিছা)ৰ আহ্বায়ক মণ্ডলী মনীষা গগৈ, সোহাগী টুডু, কৌশিক বৰা, দিংকু বৰা আৰু দেৱযানী বৰাই শাৰীৰিক দূৰত্ব মানি ক'ভিড সংক্ৰমণৰ বিৰুদ্ধে সতৰ্কতা অৱলম্বন কৰিও সমগ্ৰ স্কুল-কলেজ অফলাইন পদ্ধতিত খোলা ৰখাৰ দাবী জনায়। ৰাজহুৱা শিক্ষাক বচাবৰ বাবে সমাজৰ সকলো অংশক জড়িত কৰি এক ব্যাপক গণ আন্দোলনৰ পোষকতা কৰি এই অগ্ৰণী ছাত্ৰ-ছাত্ৰী কেইগৰাকীয়ে কয় ঃ দুপৰীয়াৰ আহাৰ সহ সকলো স্কুল খোলা থাকিব লাগিব। দেশৰ নতুন প্ৰজন্ম তথা সমগ্ৰ দেশৰ ভৱিষ্যৎ ধ্বংস কৰা নচলিব; চৰকাৰে বন্ধ কৰি যাব, আমি খুলি যাম; প্ৰয়োজন হ'লে গছৰ তলত পঢ়িম, পঢ়াম।

# কৃষ্ণাই বন বিভাগে হাৰিমুৰাৰ পৰা জব্দ কৰিলে গাড়ীসহ ফলা কাঠ

**অগ্ৰদূত বাৰ্তা**
**কৃষ্ণাই,২১ জানুৱাৰীঃ** গোৱালপাৰা জিলাৰ কৃষ্ণাই আঞ্চলিক বন বিভাগে আজি সন্ধিয়া জব্দ কৰে চোৰাং কাঠভৰ্তি এখন চাৰিচকীয়া বাহন। আজি সন্ধিয়া প্ৰায় সাত বজাত কৃষ্ণাইৰ কাষৰীয়া হাৰিমুৰা অঞ্চলৰ পৰা বন বিভাগে জব্দ কৰে এই কাঠখিনি। জব্দ কৰা কাঠখিনিৰ বজাৰ মূল্য আনুমানিক ৪০ হেজাৰ হ'ব বুলি কৃষ্ণাই আঞ্চলিক বন বিষয়া শিৱাণী দলে পেগুৱে জনাইছে। উল্লেখ্য যে বন বিষয়াজনে কৃষ্ণাইত বন বিষয়াৰ দায়িত্ব গ্ৰহণৰ পাছৰে পৰা বিষয়াজনে চোৰাং কাঠ ব্যৱসায়ৰ বিৰুদ্ধে ধাৰবাহিকভাৱে অভিযান চলাই আহিছে। এই অভিযান কালত ইতিমধ্যে জব্দ হৈছে ৩৫-৩০ টা অবৈধ কাঠ ফলা মিল তথা কে'বালাখ টকা মূল্যৰ কাঠৰ কুণ্ডা তথা ফলা কাঠ।

# হিন্দী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ

*১২ পৃষ্ঠাৰ পৰা* এসময়ৰ দীঘলীয়া সময়ৰ শিক্ষামন্ত্ৰী আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজ সমষ্টিৰ ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খন পুণৰুজ্জীৱিত কৰাৰ বাবে পদক্ষেপ ল'ব নে সেয়া এতিয়া সমষ্টিবাসীৰ বাবে বৃহৎ প্ৰশ্ন হৈ পৰিছে।

# ন্যূনতম সমৰ্থিত মূল্যত ধান ক্ৰয়ৰ নামত

*১২ পৃষ্ঠাৰ পৰা* বুলি অভিযোগ উঠিছে। জিলা কৃষি বিভাগৰ সূত্ৰৰ মতে এই বাতৰি যুগুতোৱালৈকে জিলাখনৰ সহস্ৰাধিক কৃষকে চৰকাৰী এজেন্সীক ধান বিক্ৰীৰ বাবে নাম পঞ্জীয়ন কৰিছে। ইপিনে, ন্যূনতম সমৰ্থিত মূল্যত অৰ্থাৎ কুইন্টলে প্ৰতি ১৯৪০ টকা দৰত এইবাৰ গোৱালপাৰা জিলাৰ কৃষক ৰাইজৰ পৰা ৪০৭৫০০ মোন ধান ক্ৰয়ৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। ইতিমধ্যে চৰকাৰৰ এই অভিলাষী আঁচনিৰ বিষয়ে যোৱা ১৬ জানুৱাৰীত জিলাখনৰ গাঁও পঞ্চায়তসমূহত কৃষক ৰাইজৰ উপস্থিতিত ব্যাপকভাৱে সজাগতা সভা অনুষ্ঠিত কৰা হয়। উল্লেখ্য যে যি সময়ত বজাৰত কৃষক ৰাইজে কুইন্টলে প্ৰতি ১২০০-১৩০০ টকা দৰত ধান বিক্ৰী কৰি আহিছে, ঠিক সেই সময়তে ন্যূনতম সমৰ্থিত মূল্যত অৰ্থাৎ কুইন্টলে প্ৰতি ১৯৪০ টকা দৰত ধান বিক্ৰী কৰিব পাৰিব বুলি অৱগত হৈ একপ্ৰকাৰ উৎসাহিত হৈ পৰিছিল। কিন্তু গোৱালপাৰাৰ দায়িত্বৰত এজেন্সীসমূহে ভেঁকোভাওনা চলোৱা বুলি ৰাজহুৱা অভিযোগ উত্থাপিত হৈছে। সেয়ে এই ক্ষেত্ৰত উপযুক্ত পদক্ষেপ গ্ৰহণৰ ব্যৱস্থা কৰিবলৈ কৃষক ৰাইজে জিলা উপায়ুক্তৰ হস্তক্ষেপ কামনা কৰিছে। লগতে তুলনামূলকভাৱে প্ৰচুৰ ধান উৎপাদন হোৱা জলেশ্বৰ আৰু লক্ষীপুৰ অঞ্চলতো ন্যূনতম সমৰ্থিত মূল্যত ধান ক্ৰয়ৰ কেন্দ্ৰ স্থাপনৰ দাবী উত্থাপন কৰিছে সচেতন মহলে।

# চৰাইদেউ জিলা সাহিত্য সভাৰ 'এটা

*১২ পৃষ্ঠাৰ পৰা* শাখা সাহিত্য সভাৰ শিক্ষাবিদ-অধ্যাপক 'গণেশ চন্দ্ৰ বৰুৱা সোঁৱৰণী' কাৰ্যালয়ৰ নিৰ্মাণ কাৰ্যৰ আৰম্ভণি অনুষ্ঠান। সোণাৰি মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপক, বিশিষ্ট শিক্ষাবিদ প্ৰয়াত গণেশ চন্দ্ৰ বৰুৱাৰ সোঁৱৰণত তেওঁৰ পৰিয়ালবৰ্গৰ হৈ বুলু ভূঞা, ভাৰ্গৱ বৰুৱা আৰু পল্লৱী বৰুৱাই আগবঢ়োৱা অৰ্থ সাহায্যত সোণাৰি শাখা সাহিত্য সভাৰ কাৰ্যালয় গৃহটোৰ নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। ভকত বিপুল বৰুৱাই মাংগলিক কাম আৰম্ভ কৰাৰ পাছত সোণাৰি শাখা সাহিত্য সভাৰ সম্পাদক বিপ্লৱজ্যোতি ৰাজখোৱাই এটা নাৰিকল ভাঙি কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। জিলা সাহিত্য সভাৰ সম্পাদক ড° ৰঘুনাথ কাগয়ুঙে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰা সভাত জিলা প্ৰচাৰ সম্পাদক স্বপন কৰে দাঁতা পৰিয়ালৰ এনে প্ৰচেষ্টাক ধন্যবাদ জ্ঞাপন কৰে। সেই সপোনৰ তৃতীয় যাত্ৰা হিচাপে ২১ জানুৱাৰীত চৰাইদেউ জিলা সাহিত্য সভাৰ গ্ৰন্থাগাৰৰ নিৰ্মাণ কাৰ্যৰ মুকলি কৰা হয়। সোণাৰি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা কমলাৰতী দাস শইকীয়াৰ সোঁৱৰণত তেওঁৰ পৰিয়ালৰ হৈ প্ৰাক্তন অধ্যাপক জীৱন শইকীয়াই আগবঢ়োৱা অৰ্থ সাহায্যত নিৰ্মাণ কৰিবলগীয়া গ্ৰন্থাগাৰৰ মাংগলিক কৰ্মখিনি বিপুল বৰুৱাই সম্পন্ন কৰাৰ পাছত চৰাইদেউ জিলা সাহিত্য সভাৰ সম্পাদক ড° কাগয়ুকে এটা নাৰিকল ভাঙি নিৰ্মাণ কাৰ্যৰ মুকলি কৰে। সভাত স্বপন কৰ, ৰাজা আলী আদি ভালেসংখ্যক ব্যক্তিয়ে দাতা পৰিয়ালৰ বদান্যতাক একেমুখে প্ৰশংসা কৰে। চৰাইদেউ জিলা সাহিত্য সভাৰ কাৰ্যালয় 'গীতি কবি পাৰ্বতি প্ৰসাদ বৰুৱা ভৱনটি নিৰ্মাণ কৰিবৰ বাবে গীতি কবিৰ নাতি বিশিষ্ট উদ্যোগপতি, সমাজকৰ্মী তথা শিল্পী মনৰ অধিকাৰী সমুদ্ৰ প্ৰসাদ বৰুৱাই আগবঢ়োৱা আৰ্থিক সাহায্যৰ বদান্যতাক জিলা সাহিত্য সভাৰ সকলো সদস্যই প্ৰশংসা কৰে।

# শিল্পী পেঞ্চনৰ পৰা বঞ্চিত ভাস্কৰ্য শিল্পী

*১২ পৃষ্ঠাৰ পৰা* প্ৰথমতে মাটিৰ প্ৰতিমা গঢ়িবলৈ শিকে আৰু অতি কম দিনৰ ভিতৰতে বসুমতাৰী এজন সুদক্ষ প্ৰতিমা গঢ়োতা খনিকৰলৈ ৰূপান্তৰিত হয়। তেতিয়াৰ পৰা অঞ্চলটোৰ মন্দিৰ, থান, বাসগৃহত মূৰ্তি খোদিত কৰাৰ লগতে বিভিন্ন ঠাইত পূজা মণ্ডপত তেওঁৰ প্ৰতিমাই স্থান লাভ কৰি আহিছে। ১৯৯৫ত টংলা চহৰত অনুষ্ঠিত বড়ো সাহিত্য সভাৰ অধিবেশনত প্ৰদৰ্শিত ভাস্কৰ্য শিল্পৰ অপূৰ্ব সমাবেশ দেখি তেওঁৰ মন শিল্প কাৰ্যলৈ ঢাপলি মেলে। ইয়াৰ পাছৰ পৰা কাঠৰ টুকুৰা, বাঁহৰ মুঢ়া সংগ্ৰহ কৰি এটাৰ পাছত এটাকৈ দেৱ-দেৱীৰ, মহামানৱ, জীৱ-জন্তু, চৰাই-চিৰিকটি আদি নিপুণভাৱে গঢ়ি তোলে। দিনৰ দিনটো মন্দিৰ, বাসগৃহত মূৰ্তি অংকনত ব্যস্ত থকা শিল্পী বসুমতাৰীৰ ঘৰত মাজনিশালৈ চলে হাতুৰী-বটালিৰ খুট খুট-খাট খাট শব্দ। নিজৰ ঘৰত 'ব'হাগী শিল্পায়ন' নামেৰে শিল্পায়ন পাতিও শিল্প চৰ্চা চলাইছিল। নতুন চামক শিল্পকৰ্মৰ জ্ঞান দিবলৈ উদ্বাউল হৈ থকা বসুমতাৰীয়ে কয় যে কাম শিকিবলৈ অহা যুৱকে ১০-১২ দিন কাম শিকি ধৈৰ্য হেৰুৱাই গুচি যায় বুলি ক্ষোভ ব্যক্ত কৰে। অশীতিপৰ অঞ্চলটোৰ সকলোৰে পৰিচিত শিল্পীজন এতিয়াও ব্যস্ত নিজৰ শিল্প সাধনাত। অঞ্চলটোৰ কে'বাটাও খ্যাতিমান, ঐতিহ্যপূৰ্ণ থান-মন্দিৰেই যেন তেওঁৰ কীৰ্তিৰ জ্বলন্ত উদাহৰণ। দলগাঁও চাৰিআলিৰ শতবৰ্ষ গৰকা দলগাঁও বুঢ়াগোসাঁই থানতো তেওঁৰ হাতৰ পৰশত অনুপম ভাস্কৰ্য শিল্পৰ চানেকি দাঙি ধৰিছে। বিটিএডিৰ অন্তৰ্গত বড়ো বজাৰত শিৱৰাই আশ্ৰমত কে'বালাখ টকাৰে নিৰ্মাণ কৰা বাথৌ মন্দিৰ কমিৰাম বসুমতাৰীৰ অনুপম সৃষ্টি। এসময়ত নিজৰ শিল্প কৰ্মত পুত্ৰ বোৱাৰীৰ সম্পূৰ্ণ সহযোগ লাভ কৰিছিল যদিও বৰ্তমান সকলোৰে পৰা এলাগী হোৱাত বৃদ্ধ আশ্ৰমৰ সন্ধানত নামি পৰা বুলি ব্যক্ত কৰে। বিভিন্ন সময়ত অঞ্চলটোৰ অনুষ্ঠান-প্ৰতিষ্ঠানে বসুমতাৰীৰ শিল্পকৰ্মৰ স্বীকৃতি দি সম্বৰ্ধনা আদি জনাইছে যদিও ২০০১ত অসম ৰাজ্যিক শিল্পী বঁটা লাভ কৰা বসুমতাৰীয়ে শিল্পী পেঞ্চনৰ পৰা বৰ্তমান সময়লৈকে বঞ্চিত হোৱাত অঞ্চলটোৰ সকলো শ্ৰেণীৰ ৰাইজে খেদ প্ৰকাশ কৰিছে। নিজৰ সাধনা পৰিশ্ৰম, নৈপুণ্যতাৰে এজন নিপুণ ভাস্কৰ্য শিল্পীৰূপে গঢ়ি অঞ্চলটোলৈ খ্যাতি কঢ়িয়াই অনা বসুমতাৰীৰ নামটো ৰাজ্যিক পেঞ্চনাৰৰ তালিকাত অন্তৰ্ভুক্ত কৰিবলৈ সকলো শ্ৰেণীৰ ৰাইজে কামনা কৰিছে।

# স্বেচ্ছামূলক অৱসৰ বিচাৰি আবেদনৰ পাছতো দুগৰাকী শিক্ষকক দুবছৰে দৰমহা প্ৰদান

**বিশেষ সংবাদদাতা**
**নগাঁও, ২১ জানুৱাৰী ঃ** স্বেচ্ছামূলক অৱসৰ লোৱাৰ বাবে বিভাগীয় কৰ্তৃপক্ষক আবেদন জনোৱাৰ পাছত বিদ্যালয়ত পাঠদানৰ পৰা বিৰত থকা সত্ত্বেও নগাঁও জিলাৰ ৰূপহী প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত দুগৰাকীকৈ শিক্ষকে দীৰ্ঘদিন ধৰি নিয়মীয়াকৈ দৰমহা লৈ থকাৰ তথ্য শেহতীয়াকৈ পোহৰলৈ আহিছে। প্ৰাপ্ত তথ্য মতে, প্ৰাথমিক শিক্ষা খণ্ডটোৰ অন্তৰ্গত ভৰাগুৰী ক্লাষ্টাৰৰ এজন আৰু সুতাৰগাঁও ক্লাষ্টাৰৰ এজন সহকাৰী শিক্ষকে প্ৰায় দুবছৰ আগতে স্বেচ্ছামূলক অৱসৰৰ বাবে খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ জৰিয়তে বিভাগীয় কৰ্তৃপক্ষলৈ আবেদন জনাইছিল। নিজৰ ব্যক্তিগত অসুবিধাৰ বাবে পাঠদান কৰিবলৈ অক্ষম শিক্ষক দুগৰাকীয়ে এইদৰে বিভাগীয় নীতি অনুসৰি স্বেচ্ছামূলক অৱসৰ লোৱাৰ বাবে আবেদন জনোৱাৰ পাছত অৱশ্যে দুয়োৰে স্বেচ্ছামূলক অৱসৰ লোৱাৰ আবেদন দুখন কাৰিকৰী কাৰণত যথা সময়ত বিভাগীয় উৰ্ধ্বতন কৰ্তৃপক্ষই গ্ৰাহ্য কৰা নাছিল। অভিযোগ অনুসৰি, স্বেচ্ছামূলক অৱসৰ আবেদন দাখিলৰ পাছত শিক্ষক দুগৰাকীয়ে কোনো কৰ্তব্য পালন নকৰা সত্ত্বেও নিয়মীয়াভাৱে দৰমহা লাভ কৰিবলৈ সক্ষম হয়। যিটো অতি ৰহস্যজনক বিষয়ৰূপে বিবেচিত হৈছে।

## নগাঁৱত আজৰ ঘটনা

# ভক্তৰডবাৰ দেশভক্ত হাইস্কুলত লোকসংস্কৃতিৰ জৰিয়তে সজাগতা সভা সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**কয়াকুছি, ২১ জানুৱাৰী ঃ** বৰপেটা জিলাৰ নলীগাঁও মণ্ডল কেন্দ্ৰৰ অধীনত ভক্তৰডবাৰ দেশভক্ত হাইস্কুলত আজি লোক সংস্কৃতিৰ জৰিয়তে সজাগতা সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি জাকিৰ হুছেইনৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে দেশভক্ত হাইস্কুলৰ সহকাৰী শিক্ষক গোলাপ হুছেইন। উক্ত সভাত অংশগ্ৰহণ কৰি হৰেন্দ্ৰ চিত্ৰা কনিষ্ঠ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক মনোৱাৰ হুছেইন লোকসংস্কৃতিৰ গীতৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক নীতি শিক্ষা দিয়ে। সভাখনত অংশগ্ৰহণ কৰি হৰেন্দ্ৰ চিত্ৰা কনিষ্ঠ মহাবিদ্যালয়ৰ স্নাতকোত্তৰ শিক্ষক জুমৰ আলীয়ে লোক সংস্কৃতিৰ বিষয়ে ব্যাখ্যা কৰে। তেওঁ বিয়া গীত, নিচুকনি গীত, লোকগীত আদিৰ জৰিয়তে সজাগতাৰ বাবে আহ্বান জনায়। উক্ত সভাত অংশগ্ৰহণ কৰি লোক সংস্কৃতিৰ সাধক তথা এন কে ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক ইয়াকুব আলীয়ে নিজৰ ভাষণত লোক সংস্কৃতিৰ বিষয়ে বহলাই কৈ লোক সংস্কৃতিৰ জৰিয়তে কেনেদৰে সমাজৰ পৰা বিভিন্ন ব্যাধি আঁতৰাব পাৰি সেই বিষয়ে ব্যাখ্যা কৰে। সভাত নলীগাঁও মণ্ডল কেন্দ্ৰৰ সমন্বয়ক ৰাহুল আমিন, দেশভক্ত হাইস্কুলৰ প্ৰধান শিক্ষক আব্দুৰ ৰহমান উপস্থিত থাকে।



*বকলীয়াঘাটৰ বিকল পানী যোগান কেন্দ্ৰ, শুকুৰবাৰে।*

# কলিয়াবৰত গাঁওৰক্ষী বাহিনীৰ নামত প্ৰহসন

## নামত বহু পঞ্জীয়নভুক্ত গাঁওৰক্ষী বাহিনী; কামত শূন্য আৰক্ষীৰ টহলৰ মাজতেই চুৰি-ডকাইতিৰ ঘটনা বৃদ্ধি

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২১ জানুৱাৰী ঃ** চোৰৰ ৰম্যপুৰীলৈ পৰ্যবসিত হৈছে কলিয়াবৰ। কলিয়াবৰত আৰক্ষীৰ চকুৰ সন্মুখতে নিয়মীয়া টহলৰ মাজতে দিনক দিনে চুৰি-ডকাইতি ঘটনা বৃদ্ধি পাবলৈ ধৰিছে। ছমাহ ধৰি কলিয়াবৰত ধাৰাবাহিকভাৱে গোধন, মটৰ চাইকেল চুৰি হোৱাৰ লগতে এটি এমৰ পৰা ধন উলিয়াই নিয়া ব্যক্তিৰ পৰা ধন লুটি নিয়া ঘটনাৰ সমান্তৰালকৈ কলিয়াবৰৰ বিভিন্ন অঞ্চলত দিন দুপৰতেই গৃহস্থ নথকাৰ সুযোগ বুজি দৰ্জা-আলমাৰি ভাঙি নগদ ধন সোণৰ, আ-অলংকাৰ লুটি নিয়া কে'বাটাও ঘটনা সংঘটিত হৈ আহিছে। এই সপ্তাহতেই কলিয়াবৰ আৰক্ষী থানাৰ অন্তৰ্গত কুঁৱৰীটোলৰ লেটুগ্ৰামৰ প্ৰদীপ মহন্ত, বৰুৱাচুক গাঁৱৰ ভাৰত শইকীয়া, শ্ৰৱণী সত্ৰত পল্লৱ প্ৰাণ গোস্বামীৰ ঘৰত চুৰি কাণ্ড সংঘটিত হোৱাৰ পাছত ৰাইজ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাহীনতাত ভুগিছে। আনহাতে, কলিয়াবৰত আৰক্ষীক সহযোগিতা কৰিবৰ বাবে প্ৰতিখন আৰক্ষী থানাৰ অধীনত এজন চক্ৰ সংগঠকৰ নেতৃত্বত প্ৰতিখন থানা অঞ্চলত বহুকেইটা পঞ্জীয়নভুক্ত গাঁওৰক্ষী বাহিনী আছে। এই পঞ্জীয়নভুক্ত গাঁওৰক্ষী বাহিনীৰ নামত মাহিলি পাৰিতোষিক প্ৰদান কৰে আৰু বাহিনীৰ সদস্যসকলে গাঁৱত পহৰাৰ ব্যৱস্থা কৰাৰ লগতে প্ৰয়োজনত আৰক্ষীক নিৰাপত্তা বিষয়ত সহায় সহযোগ কৰিব লাগে। ৰাইজে অভিযোগ কৰা মতে, কলিয়াবৰত দিনক দিনে গাঁওসমূহত চুৰি- ডকাইতি ঘটনা বৃদ্ধি পাবলৈ ধৰিছে যদিও কলিয়াবৰত গাঁওৰক্ষী বাহিনীৰ নামত প্ৰহসনত পৰিণত হৈছে। ৰাইজৰ অভিযোগ নামত বহু পঞ্জীয়নভুক্ত গাঁওৰক্ষী বাহিনী আছে কিন্তু কামত শূন্য। কেৱল মাত্ৰ পোৱাভেটি গাঁওৰক্ষী বাহিনীকে ধৰি কেইটামান গাওঁৰক্ষী বাহিনীয়ে ৰাইজৰ সহযোগত নিশা পহৰাৰ ব্যৱস্থা কৰাৰ বিপৰীতে অধিক সংখ্যক গাঁওৰক্ষী বাহিনী কাগজ পত্ৰৰেই কাৰ্য সম্পন্ন কৰে বুলি অভিযোগ উত্থাপিত হৈছে। আনহাতে, কলিয়াবৰত আৰক্ষীয়ে নিশা নিয়মীয়া টহল দিয়ে কিন্তু আৰক্ষীৰ দৃষ্টিতেই কলিয়াবৰত প্ৰকৃততে কেইটা গাঁওৰক্ষী বাহিনীয়ে নিশা গাঁৱত নিজৰ দায়িত্ব পালন কৰে সেয়া সহজেই অনুমেয় আৰু চক্ৰ সংগঠকৰ নিষ্ক্ৰিয় ভূমিকাৰ বাবেই যে বহুকেইটা গাঁওৰক্ষী বাহিনীয়ে নিজৰ দায়িত্ব পালনত ব্যৰ্থ হৈছে সেয়া ৰাইজৰ দৃষ্টিগোচৰ হৈছে। ফলত থানাসমূহৰ আৰক্ষীৰ টহলৰ মাজতেই চুৰি-ডকাইতি ঘটনা বৃদ্ধি পাবলৈ ধৰিছে বুলিও ৰাইজে অভিযোগ উত্থাপন কৰে। এই ক্ষেত্ৰত আৰক্ষী আৰু গাঁওৰক্ষী বাহিনীৰ উৰ্ধ্বতন কৰ্তৃপক্ষই বিষয়টো কিদৰে গুৰুত্ব লৈ ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰে সেইটোহে লক্ষ্যণীয় হ'ব বুলিও ৰাইজে মন্তব্য কৰে।



অসম চৰকাৰ

# সমাজ জীৱনৰ বাটকটীয়াসকললৈ সন্মান


সৰ্বোচ্চ ৰাজ্যিক অসামৰিক বঁটা

অসম বৈভৱ | অসম সৌৰভ

মানৱ সেৱা, লোকসেৱা, স্বাস্থ্য, শিক্ষা, উদ্যোগ, কৃষি আদি ক্ষেত্ৰলৈ অসামান্য অৱদানৰ স্বীকৃতি

**বঁটা**
প্ৰমাণ পত্ৰ
পদক


৫ লাখ টকা (অসম বৈভৱ)
৪ লাখ টকা (অসম সৌৰভ)



ৰতন নাভাল টাটা
অসম বৈভৱ




অধ্যাপক কমলেন্দু দেৱ ক্ৰী
অসম সৌৰভ



নীলপৱন বৰুৱা
অসম সৌৰভ



ল্যাভলীনা বৰগোহাঁই
অসম সৌৰভ



দীপক চান্দ জৈন
অসম সৌৰভ



ডাঃ লক্ষ্মণন এছ
অসম সৌৰভ

অসমৰ মাননীয় ৰাজ্যপাল অধ্যাপক জগদীশ মুখীয়ে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত উক্ত বঁটাসমূহ প্ৰদান কৰিব


তাৰিখ - ২৪ জানুৱাৰী, ২০২২ | সময় - বিয়লি ৩ বজা
স্থান - শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ, গুৱাহাটী

Azadi Ka Amrit Mahotsav

জনতাৰ চৰকাৰ | myGov

জনসংযোগ/ডি/১৩৮৪৭/২১

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত





বান্ধৱী মেহাৰ স'তে এনগেজমেণ্ট সম্পন্ন ক্ৰিকেটাৰ অক্ষৰ পেটেলৰ, শুকুৰবাৰে।

# পুনৰ ভাৰতৰ প্ৰথম প্ৰতিদ্বন্দ্বী পাকিস্তান

## অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপৰ ক্ৰীড়াসূচী ঘোষণা

**নিউজ ব্যুৰ'**

**মেলবৰ্ণ, ২১ জানুৱাৰী ঃ** পুনৰ টি-২০ বিশ্বকাপত নিজৰ প্ৰথম মেচতে ভাৰতৰ প্ৰতিদ্বন্দ্বী হ'ব পাকিস্তান। অহা ২৩ অক্টোবৰত মেলবৰ্ণত দুই চিৰন্তন প্ৰতিদ্বন্দ্বী দলৰ খেল অনুষ্ঠিত হ'ব। অহা অক্টোবৰ-নৱেম্বৰত অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্তী টি-২০ বিশ্বকাপৰ ক্ৰীড়াসূচী আজি ঘোষণা কৰিলে আইচিচিয়ে।

সূচী অনুসৰি, ১৬ অক্টোবৰৰ পৰা বিশ্বকাপৰ খেল আৰম্ভ হ'ব। প্ৰথম মেচ হ'ব শ্ৰীলংকা আৰু নামিবিয়াৰ মাজত। মুঠ আঠটা দলে প্ৰাথমিক বাছনি পৰ্বৰ প্ৰযোগিতাত খেলিব। তাৰ পৰা চাৰিটা দলে 'ছুপাৰ-১২' ৰাউণ্ডলৈ উন্নীত হ'ব। 'ছুপাৰ-১২'ৰ প্ৰথম মেচ ২২ অক্টোবৰৰ পৰা আৰম্ভ হ'ব। প্ৰথম মেচত মুখামুখি হ'ব যোৱা বছৰৰ বিশ্বকাপৰ দুই ফাইনেলিষ্ট



অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ড। 'ছুপাৰ-১২'ত পোনপটীয়াকৈ খেলাৰ সুযোগ পাইছে ভাৰত, পাকিস্তান, অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, ইংলেণ্ড, আফগানিস্তান, দক্ষিণ আফ্ৰিকা আৰু বাংলাদেশে। আনহাতে, দুবাৰৰ চেম্পিয়ন ৱেষ্টইণ্ডিজ, শ্ৰীলংকা, নামিবিয়া আৰু স্কটলেণ্ডে আন চাৰিটা দলৰ স'তে বাছনি পৰ্বত খেলিব। 'ছুপাৰ-১২'ৰ 'গ্ৰুপ-টু'ত ভাৰত আৰু পাকিস্তানৰ স'তে আছে দক্ষিণ আফ্ৰিকা, বাংলাদেশৰ লগতে প্ৰাথমিক পৰ্যায়ৰ পৰা অহা দুটা দল। সেইদৰে 'গ্ৰুপ-ৱান'ত অষ্ট্ৰেলিয়া আৰু নিউজিলেণ্ডৰ লগতে আছে ইংলেণ্ড, আফগানিস্তান আৰু প্ৰাথমিক পৰ্বৰ পৰা অহা দুটা দল। ন আৰু ১০ নৱেম্বৰত ছেমিফাইনেল আৰু ১৩ নৱেম্বৰত মেলবৰ্ণত ফাইনেল অনুষ্ঠিত হ'ব।

# মেচ-ফিক্সিং অপৰাধ নহয় বুলি জনালে কৰ্ণাটকৰ আদালতে

**নিউজ ব্যুৰ'**

**বাংগালুৰু, ২১ জানুৱাৰী ঃ** কোনো ক্ৰিকেটাৰে মেচ-ফিক্সিং কৰিলে তাক সকলো ক্ৰিকেটপ্ৰেমীক প্ৰতাৰণা কৰাৰ স'তে তুলনা কৰিব পাৰি। অথচ আইনৰ দৃষ্টিত মেচ ফিক্সিং কোনো অপৰাধ নহয়। এই ৰায় কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ। ২০১৯ত কৰ্ণাটক প্ৰিমিয়াৰ লীগত চাৰিজন ক্ৰিকেটাৰৰ বিৰুদ্ধে উত্থাপন হোৱা মেচ ফিক্সিঙৰ অভিযোগৰ গোচৰৰ ৰায়ত আদালতে এই ঘোষণা কৰে।

আজি কৰ্ণাটক উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ শ্ৰীনিবাস হৰিশ কুমাৰে নিজৰ ৰায়ত কয়, 'মেচ ফিক্সিঙৰ অৰ্থ হৈছে অসততা, বিশৃংখলা, দুৰ্নীতি হ'ব পাৰে। তাৰ বাবে শাস্তিমূলক ব্যৱস্থা গ্ৰহণৰ দায়িত্ব ভাৰতীয় ক্ৰিকেট ব'ৰ্ডৰ, কিন্তু ভাৰতীয় দণ্ড বিধিৰ ৪২০ ধাৰাৰ অধীনত মেচ ফিক্সিঙৰ বাবে এফআইআৰ দাখিল কৰিব পৰা নাযাব।' প্ৰসংগক্ৰমে ন্যায়াধীশে কয় যে ক্ৰিকেটপ্ৰেমীসকলে ধাৰণা কৰিব পাৰে যে তেওঁলোকে যিহেতু টিকট কাটি খেলা চাবলৈ আহিছে, গতিকে পৰিচ্ছন্ন খেলা হ'ব লাগিব। যদিও তেওঁলোকে সকলোৱে নিজৰ ইচ্ছাত টিকট কাটে। গতিকে টিকট কটাৰ ক্ষেত্ৰত কোনো প্ৰৰোচনাৰ বিষয় নাই। ভাৰতীয় দণ্ড বিধিৰ ৪২০ৰ উপৰি অভিযুক্তসকলক ১২০ (বি) ধাৰাতো অভিযুক্ত কৰিব পৰা নাযাব বুলিয়ে আদালতে স্পষ্ট কৰি দিয়ে।

**অভিযুক্তৰ বিৰুদ্ধে দাখিল কৰা নহ'ব এফআইআৰ**

# দিলছান ইলেভেন ছেমিফাইনেলত

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ২১ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ নগাবন্ধা বজাৰ সমিতিৰ উদ্যোগত চলি থকা ২৩সংখ্যক সদৌ অসম প্ৰাইজমানি ক্ৰিকেটৰ ছেমিফাইনেলত উপনীত হৈছে জাগীৰোডৰ দিলছান ইলেভেন। আজিৰ কোৱাৰ্টাৰ ফাইনেলত দিলছানে মায়ং পৰিতৰা ইলেভেন ষ্টাৰক ৮১ ৰাণত পৰাজিত কৰে। প্ৰথমে বেটিং কৰি দিলছানে ১৫ অভাৰত চাৰি উইকেট হেৰুৱাই ১৮১ ৰাণ সংগ্ৰহ কৰে। দলৰ হৈ মেলেং সিঙে অপৰাজিতভাৱে ৭১, নীলোৎপল গাজৰিকাই ৩৭, ডেভিদ পাঁচিয়ে ২৭ বৰঙণি আগবঢ়ায়। পৰিতৰাৰ চানু ডেকাই দুটা তথা কমল ডেকা আৰু আনচাৰুল হকে এটাকৈ উইকেট পায়। প্ৰত্যুত্তৰত পৰিতৰাই ১১.৪ অভাৰত এশ ৰাণত সকলো উইকেট হেৰুৱায়। ছাহিদুৰ ইছলামে ২৪ ৰাণ কৰে। দিলছানৰ হৈ ধ্ৰুৱ ডেকা আৰু ছাজিদ ৰহমানে তিনিটাকৈ উইকেট পায়।

# এদিনীয়া শৃংখলাও দক্ষিণ আফ্ৰিকাৰ

## উপৰ্যুপৰি দ্বিতীয়খন মেচত পৰাজিত হ'ল ভাৰতীয় দল



ঋষভ পন্ট

**নিউজ ব্যুৰ'**

**পাৰ্ল, ২১ জানুৱাৰী ঃ** টেষ্টৰ পাছত এদিনীয়া মেচৰ শৃংখলাতো দখল কৰিলে দক্ষিণ আফ্ৰিকাই। আজিৰ দ্বিতীয়খন মেচত ঘৰুৱা দলটোৱে ভাৰতক সাত উইকেটত পৰাস্ত কৰি ২-০ৰ অগ্ৰগতি অৰ্জন কৰে। প্ৰথমে বেটিং কৰি ভাৰতে ছয় উইকেটত ২৮৬ ৰাণ সংগ্ৰহ কৰিছিল। দক্ষিণ আফ্ৰিকাই তিনি উইকেট হেৰুৱাই ১১টা বল বাকী থকা অৱস্থাতে লক্ষ্যত উপনীত হয়। জানেমান মালান (৯১) আৰু কুইণ্টন ডি ক'ক (৭৮)ৰ মাজত প্ৰথম উইকেটত সংগৃহীত ১৩২ ৰাণেই দলৰ জয়ৰ ভেটি স্থাপন কৰে। অধিনায়ক টেম্বা বাভুমা (৩৫) আউট হোৱাৰ পাছত এইডেন মাৰ্কৰামে ৩৭ আৰু ৰেছী ভান ডাৰ ডুছেনে ৩৭ ৰাণত অপৰাজিত থাকে।

ইয়াৰ পূৰ্বে ভাৰতে টছত জয়ী হৈ পোনতে বেটিং কৰাৰ সিদ্ধান্ত লয়। শিখৰ ধৱন (২৯)ৰ স'তে অধিনায়ক কে এছ ৰাহুলে প্ৰাথমিক উইকেটত ৬৩ ৰাণ যোগ দিয়ে। ধৱনৰ পাছত বিৰাট কোহলিয়ে কোনো ৰাণ নকৰাকৈ বিদায় লোৱাত ভাৰত কিছু বিপদত পৰিছিল। অৱশ্যে ঋষভ পণ্টে অধিনায়ক ৰাহুলৰ লগ লাগি ১১৬ ৰাণ যোগ দি দলক সকাহ দিয়ে। পণ্টে বিস্ফোৰক বেটিঙেৰে ৭১টা বলত ১০টা বাউণ্ডেৰী আৰু দুটা ছিক্সাৰৰ সহায়ত সৰ্বাধিক ৮৫ ৰাণ কৰে। আনহাতে, ৰাহুলে ৫৫ ৰাণৰ বৰঙণি যোগায়। শ্ৰেয়াছ আয়াৰ (১১) আৰু ভেংকটেশ আয়াৰ (২২) ব্যৰ্থ হয়। শেষৰফালে শাৰ্দুল ঠাকুৰ আৰু ৰবিচন্দ্ৰন অশ্বিনে অবিজিতভাৱে ৪৮ ৰাণ যোগ দিয়ে। শাৰ্দুলে ৩৮টা বলত তিনিটা বাউণ্ডেৰী আৰু এটা ছিক্সাৰৰ সহায়ত ৪০ আৰু অশ্বিনে ২৪টা বলত একোটাকৈ ছয় আৰু চাৰিৰে ২৫ ৰাণত অপৰাজিত হৈ ৰয়।



অষ্ট্ৰেলিয়ান অপেনৰ খেলত জয়ী হৈ এছ্‌লে বাৰ্টী, শুকুৰবাৰে।

# ড্ৰ খেলিলে ভাৰতৰ মহিলা ফুটবল দলে

**নিউজ ব্যুৰ'**

**মুম্বাই, ২১ জানুৱাৰী ঃ** সুৰ্বণ সুযোগ লাভ কৰিও মহিলাৰ এএফচি এছিয়ান কাপ ফুটবলৰ প্ৰথম মেচত জয়ৰ পৰা বঞ্চিত হ'ল ভাৰত। যোৱা নিশা মুম্বাইত অনুষ্ঠিত খেলখনত ভাৰতীয় মহিলা দলে ইৰানৰ স'তে গ'ল শূন্যভাৱে ড্ৰ খেলে। উল্লেখ্য যে খেলৰ পূৰ্বে তিনি ফুটবলাৰসহ ভাৰতীয় দলৰ পাঁচজন ক'ভিডত আক্ৰান্ত হৈছিল। তৎসত্ত্বেও ভাৰতে ফেভাৰিটৰূপে খেলখনত অৱতীৰ্ণ হৈছিল। আনকি বহুবাৰ দলটোৱে গ'লৰ সুযোগ সৃষ্টি কৰিছিল যদিও অগ্ৰগতি অৰ্জনত ব্যৰ্থ হয়। 'এ' গ্ৰুপত ভাৰতে পৰৱৰ্তী খেলত চাইনিজ টাইপেইৰ বিপক্ষে অৱতীৰ্ণ হ'ব।

# বিচিচিআইৰ কেন্দ্ৰীয় চুক্তিত অৱনমন হ'ব পূজাৰা-ৰাহানেৰ!

**নিউজ ব্যুৰ'**

**কলকাতা, ২১ জানুৱাৰী ঃ** দক্ষিণ আফ্ৰিকাৰ বিপক্ষে ভাল খেলিব নোৱাৰিলে জ্যেষ্ঠ ক্ৰিকেটাৰদ্বয় অজিংক্য ৰাহানে আৰু চেটেশ্বৰ পূজাৰাই। ইয়াৰ ফলত জ্যেষ্ঠ বেটাৰদ্বয় ভাৰতৰ টেষ্ট দলৰ পৰা বাদ পৰাৰ আশংকা ঘনীভূত হৈছে। একে সময়তে চৰ্চা হৈছে দুয়োৰে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ কেন্দ্ৰীয় চুক্তিৰ পৰা অৱনমনৰ কথাও। ব'ৰ্ডৰ পৰৱৰ্তী কেন্দ্ৰীয় চুক্তিত দুয়োৰে অৱনমন ঘটিব পাৰে।

এই মুহূৰ্তত পূজাৰা আৰু ৰাহানে ব'ৰ্ডৰ 'গ্ৰুপ এ'ত চুক্তিবদ্ধ। ফলত তেওঁলোকে ব'ৰ্ডৰ পৰা বছৰী পাঁচ কোটিকৈ টকা পায়। অৱনমন ঘটিলে দুয়ো 'গ্ৰুপ বি' বা 'গ্ৰুপ চি'ত স্থান পাব পাৰে। সেই ক্ষেত্ৰত বহুখিনি হ্ৰাস পাব তেওঁলোকৰ পাৰিশ্ৰমিক। উল্লেখ্য যে সবাতোকৈ ওপৰত 'এ প্লাছ'ত আছে বিৰাট কোহলি, ৰোহিত শৰ্মা আৰু যশপ্ৰীত বুমৰাহ। টেষ্ট দলৰ নেতৃত্বৰ দাবীদাৰ লোকেশ ৰাহুল আৰু ঋষভ পণ্ট উক্ত গ্ৰুপলৈ উন্নীত হোৱাৰ সম্ভাৱনা আছে। আগন্তুক কিছুদিনৰ ভিতৰতে নতুন চুক্তিৰ কথা ব'ৰ্ডে ঘোষণা কৰিব পাৰে। সচৰাচৰ ব'ৰ্ডৰ তিনি শীৰ্ষ কৰ্মকৰ্তা, পাঁচ নিৰ্বাচক আৰু দলৰ প্ৰধান প্ৰশিক্ষকে স্থিৰ কৰে কোন ক্ৰিকেটাৰক কেন্দ্ৰীয় চুক্তিত ৰখা হ'ব আৰু কাক এৰি দিয়া হ'ব। এই মুহূৰ্তত ২৮জন ক্ৰিকেটাৰ ব'ৰ্ডৰ বাৰ্ষিক চুক্তিৰ আওতাত আছে।

# ছেমিফাইনেলত উপনীত সিন্ধু

**নিউজ ব্যুৰ'**

**কলকাতা, ২১ জানুৱাৰী ঃ** দুৰ্দান্ত প্ৰত্যাৱৰ্তনেৰে ছৈয়দ মোদী আন্তৰ্জাতিক বেডমিণ্টনৰ ছেমিফাইনেলত প্ৰৱেশ কৰিলে ভাৰতীয় তাৰকা পি ভি সিন্ধুৱে। আজিৰ কোৱাৰ্টাৰ ফাইনেলত সিন্ধুৱে থাইলেণ্ডৰ ছুপানিদা কাটেথঙক ১১-২১, ২১-১২, ২১-১৭ গেমত পৰাজিত কৰে। অন্তিম চাৰিত সিন্ধুৱে ৰাছিয়াৰ ইভজেনিয়া ক'ছেট্‌স্কাৰ বিপক্ষে খেলিব। ইপিনে, পুৰুষৰ ছিংগল্‌ছৰ পৰা বিদায় ল'লে এইছ এছ প্ৰণয়ে। ফ্ৰান্সৰ আৰ্ণড মেৰকেলে পঞ্চম বাছনিৰ ভাৰতীয় তাৰকাজনক ২১-১৯, ২১-১৬ গেমত পৰাজিত কৰে। অৱশ্যে পুৰুষৰ ছিংগল্‌ছত ভাৰতৰ মিঠুন মঞ্জুনাথে ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। তেওঁ ৰাছিয়াৰ ছেৰ্গেই ছিৰান্তক ১১-২১, ২১-১২, ২১-১৮ গেমত হৰুৱায়।

## অষ্ট্ৰেলিয়ান অপেনত আজাৰেংকা-বাৰ্টী-জেৰেভৰ অগ্ৰগতি ঃ শ্বিট'লিনাৰ বিদায়

# অঘটনৰ সন্মুখীন যোৱাবাৰৰ চেম্পিয়ন অ'ছাকা

**নিউজ ব্যুৰ'**

**মেলবৰ্ণ, ২১ জানুৱাৰী ঃ** অঘটনৰ সন্মুখীন হ'ল অষ্ট্ৰেলিয়ান অপেন টেনিছৰ যোৱাবাৰৰ মহিলাৰ চেম্পিয়ন নাওমি অ'ছাকা। জাপানৰ তাৰকাগৰাকীক আজিৰ তৃতীয় ৰাউণ্ডৰ খেলত আমাণ্ডা এনিছিম'ভাই পৰাজিত কৰে। খেলখনত ২০ বছৰীয়া নৱাগতা খেলুৱৈ এনিছিম'ভাই অ'ছাকাক তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত ৪-৬, ৬-৩, ৭-৬ (৭/৫) ছেটত পৰাজিত কৰে।

ইপিনে, পূৰ্বৰ দুবাৰৰ চেম্পিয়ন তথা প্ৰাক্তন এক নম্বৰ খেলুৱৈ ভিক্টোৰিয়া আজাৰেংকা চতুৰ্থ ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। আজিৰ তৃতীয় ৰাউণ্ডৰ খেলত ৩২ বছৰীয়া বেলাৰুছৰ তাৰকাগৰাকীয়ে পঞ্চদশ বাছনিপ্ৰাপ্ত এলিনা শ্বিট'লিনাক ৬-০, ৬-২ ছেটত বিধ্বস্ত কৰে। আজাৰেংকাৰ পৰৱৰ্তী প্ৰতিদ্বন্দ্বী হ'ব ফ্ৰেঞ্চ অপেন চেম্পিয়ন বাৰব'ৰা ক্ৰেচিক'ভা। আজিৰ আন এখন খেলত ক্ৰেচিক'ভাই জেলেনা অ'ষ্টাপেংক'ক ২-৬, ৬-৪, ৬০৪ ছেটত হৰুৱায়। প্ৰতিযোগিতাৰ অষ্টম বাছনিপ্ৰাপ্ত পাউলা বাড'ছা মাৰ্টা ক'ষ্টিউকৰ বিপক্ষে ৬-২, ৫-৭, ৬-৪ ছেটত বিজয়ী হয়। আনহাতে, মহিলাৰ এক নম্বৰ খেলুৱৈ এছ্‌লে বাৰ্টীও চতুৰ্থ ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। স্থানীয় তাৰকাগৰাকীয়ে ইয়ালীৰ কেমিলা জিঅ'ৰ্জিক ৬-২, ৬-৩ ছেটত সহজে পৰাজিত কৰে।

ইফালে, পুৰুষৰ ছিংগল্‌ছত ছাৰ্বিয়ানৰ মিয়মিৰ কেচমান'ভিচে তুমূল প্ৰতিদ্বন্দ্বিতাৰ অন্তত ২৫সংখ্যক বাছনিৰ লৰেঞ্জ' ছ'নেগ'ক ৬-৪, ৬-৭ (৮/১০), ৬-৩, ৭-৫ ছেটত পৰাজিত কৰে। বিশ্বৰ তিনি নম্বৰ ৰেংকিঙৰ খেলুৱৈ আলেকজেণ্ডাৰ জেৰেভো চতুৰ্থ ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। তেওঁ ৰাডু এলবটক ৬-৩, ৬-৪, ৬-৪ ছেটত পৰাজিত কৰে। আনহাতে, বিশ্বৰ সপ্তম ৰেংকিঙৰ ইটালীৰ তাৰকা মাট্টেঅ' বেৰেট্টিনি স্পেইনৰ কাৰ্লোছ আলকাৰাজৰ বিপক্ষে তুমূল সংগ্ৰামৰ অন্তত ৬-২, ৭-৬ (৭/৩), ৪-৬, ২-৬, ৭-৬ (১০/৫) ছেটত বিজয়ী হয়।





অষ্ট্ৰেলিয়ান অপেনত জয়ৰ পাছত শিশু পুত্ৰৰ স'তে সংবাদমেলত আজাৰেংকা

# ক'ভিডত আক্ৰান্ত হৰভজন

**নিউজ ব্যুৰ'**


**নতুন দিল্লী, ২১ জানুৱাৰী ঃ** ক'ভিড-১৯ত আক্ৰান্ত হ'ল হৰভজন সিং। প্ৰাক্তন অফস্পীনাৰজনৰ অভিনেত্ৰী পত্নী গীতা বাশ্ৰাও আক্ৰান্ত হৈছে। সম্প্ৰতি নিজগৃহতে নিভৃতবাসত আছে বুলি টুইটযোগে জনাইছে হৰভজনে। আজি দুপৰীয়া ১২ বজাত তাৰকা ক্ৰিকেটাৰজনে টুইটত লিখিলে, 'মোৰ ক'ভিড পৰীক্ষাৰ ফলাফল পজিটিভ আহিছে। মৃদু উপসৰ্গ আছে। এতিয়া ঘৰতে নিভৃতবাসত আছো। যাৱতীয় সতৰ্কতামূলক ব্যৱস্থা, সাৱধানতা অৱলম্বন কৰিছো। ইয়াৰ মাজতে যিসকল মোৰ সংস্পৰ্শলৈ আহিছিল, তেওঁলোক সকলোকে যথাসম্ভৱ সোনকালে পৰীক্ষা কৰাবলৈ অনুৰোধ জনাইছো।' আনহাতে, হৰভজনৰ পত্নী গীতাই ইনষ্টাগ্ৰামত জনালে যে দুটা বছৰ সাৱধানে থকাৰ পাছত অৱশেষত তেওঁলোক ক'ভিডৰ কবলত পৰিল। উল্লেখ্য যে যোৱা ২৪ ডিচেম্বৰত হৰভজনে আন্তৰ্জাতিক ক্ৰিকেটৰ পৰা অৱসৰ ঘোষণা কৰিছিল।

# আন্তৰ্জাতিক মেচৰ শূন্যৰতো শচীনৰ কাষ চাপিল কোহলি

**নিউজ ব্যুৰ'**

**পাৰ্ল, ২১ জানুৱাৰী ঃ** টেষ্ট বা এদিনীয়াত শচীন তেণ্ডুলকাৰৰ সৰ্বাধিক শতৰাণৰ অভিলেখ ভংগৰ সুযোগ আছে বিৰাট কোহলিৰ। অৱশ্যে শতৰাণৰ পৰিৱৰ্তে কোনো ৰাণ নকৰাকৈ আউট হোৱাৰ ক্ষেত্ৰতহে কোহলি এতিয়া দ্ৰুতগতিৰে শচীনৰ কাষ চাপিছে। বিগত দুটা বছৰে আন্তৰ্জাতিক ক্ৰিকেটত তিনি সংখ্যাৰ ৰাণ কৰিব নোৱৰাৰ বাবে শচীনৰ শতকৰ অভিলেখ ভংগৰ ক্ষেত্ৰত অনিশ্চিত হৈ পৰিছে কোহলি। অথচ সোনকালেই হয়তো শচীনক অতিক্ৰম কৰি আন্তৰ্জাতিক ক্ৰিকেটত সৰ্বাধিকবাৰ শূন্যত আউট হোৱা ভাৰতীয় বেটাৰত পৰিগণিত হ'ব পাৰে কোহলি।

দক্ষিণ আফ্ৰিকাৰ বিপক্ষে আজি অনুষ্ঠিত দ্বিতীয়খন এদিনীয়া মেচত কোহলি শূন্যত আউট হয়। দুবছৰৰ পাছত তেওঁ এদিনীয়া আন্তৰ্জাতিকত কোনো ৰাণ নকৰাকৈ আউট হ'ল। এদিনীয়া আন্তৰ্জাতিকত এই পৰ্যন্ত কোহলি ১৪বাৰ শূন্যত আউট হৈছে। আনহাতে, প্ৰথমবাৰলৈ কোনো স্পীনাৰৰ বিপক্ষে শূন্যত আউট হ'ল। আন্তৰ্জাতিক ক্ৰিকেটত সৰ্বাধিকবাৰ শূন্যত আউট হোৱাৰ ভাৰতীয় বেটাৰৰ তালিকাত তেওঁ দ্বিতীয় স্থানলৈ উঠিল। তিনিওটা সংস্কৰণ মিলাই মুঠ ৪৫০খন আন্তৰ্জাতিক মেচত কোহলি ৩১বাৰ শূন্যত আউট হৈছে। শচীন মুঠ ৩৪বাৰ শূন্যত আউট হৈছিল।



# কোপা ডেল ৰে'তো ব্যৰ্থ বাৰ্চিলোনা

## দুৰ্দান্ত জয়েৰে কোৱাৰ্টাৰ ফাইনেলত উপনীত হ'ল ৰিয়াল

**নিউজ ব্যুৰ'**

**মাদ্ৰিদ, ২১ জানুৱাৰী ঃ** লিয়নেল মেছিৰ বিদায়ৰ পাছৰে পৰা ব্যৰ্থতা অব্যাহত আছে বাৰ্চিলোনাৰ। কালি বাৰ্চিলোনাই স্পেইনৰ কোপা ডেল ৰে' (স্পেনিছ কাপ)ৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলৰ পৰাও বিদায় ল'লে। এখন তীব্ৰ উত্তেজনাপূৰ্ণ খেলত এথলেটিক বিলবাৱে বাৰ্চিলোনাক ৩-২ গ'লত পৰাজিত কৰে। খেলখনত দুবাৰকৈ সমতা স্থাপন কৰিও বাৰ্চিলোনাই শেষ ৰক্ষা কৰিব নোৱাৰিলে।

খেলৰ দ্বিতীয় মিনিটতে বিলবাওৰ ইকেৰ মুনিয়াইনে গ'ল দিয়াৰ ১৮ মিনিটৰ পাছ ফেৰান ট'ৰেছৰ গ'লেৰে বাৰ্চিলোনা সমতা স্থাপন কৰে। খেল সমাপ্তিলৈ চাৰি মিনিট বাকী থকা অৱস্থাত ইনিগ' মাৰ্টিনেজৰ গ'লেৰে বিলবাও পুনৰ আগবাঢ়ি যায় যদিও আঘাতৰ বাবে নিৰ্ধাৰিত সময়ত ডানি আলভেছে বাৰ্চিলোনাৰ হৈ সমতা স্থাপন কৰে। অৱশ্যে কেই ছেকেণ্ড মানৰ পাছতে বিলবাওৰ হৈ জয়সূচক গ'লটো দিয়ে মুনিনাইনে। উল্লেখ্য যে ইয়াৰ পূৰ্বে বাৰ্চিলোনা স্পেনিছ ছুপা কাপ আৰু চেম্পিয়নছ্ লগীগৰ পৰাও বাহিৰ হয়। আনহাতে, স্পেনিছ লা লিগাত দলটো ৰিয়াল মাদ্ৰিদতকৈ ১৭ পইণ্টত পাছ পৰি থকাত খিতাপৰ সম্ভাৱনাৰ পৰা বহু দূৰত আছে।

ইফালে, ৰিয়ালে কালিৰ আন এখন খেলত দৰ্শনীয় জয়েৰে কোপা ডেল ৰে'ৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে। কালিৰ খেলখনত ৰিয়ালে এলচেকক ২-১ গ'লত পৰাজিত কৰে। ৰিয়ালৰ হৈ গ'ল দুটা দিয়ে ইস্ক' এলাৰ্কন আৰু ইডেন হেজাৰ্ডে।



# অনূৰ্ধ্ব-১৯ বিশ্বকাপৰ কোৱাৰ্টাৰত ইংলণ্ড-পাকিস্তান

**নিউজ ব্যুৰ'**

**কিংষ্টন, ২১ জানুৱাৰী ঃ** ১৯ বছৰ অনূৰ্ধ্বৰ বিশ্বকাপ ক্ৰিকেটৰ ছুপাৰ লীগ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিলে ইংলণ্ড আৰু পাকিস্তানে। কালিৰ গ্ৰুপৰ খেলত ইংলণ্ডে সংযুক্ত আৰৱ আমিৰশ্বাহিক ১৮৯ ৰাণ আৰু পাকিস্তানে আফগানিস্তানক ২৪ ৰাণৰ ব্যৱধানত পৰাজিত কৰে।

কালিৰ গ্ৰুপ মেচত ইংলণ্ডে অধিনায়ক টম প্ৰেষ্টৰ অপৰাজিত শতৰাণৰ সহায়েৰে ছয় উইকেটত ৩৬২ ৰাণ সংগ্ৰহ কৰে। প্ৰেষ্টে ১৫৪ ৰাণত অপৰাজিত হৈ ৰয়। জেকব বেথেলে ৬৭ আৰু উইলিয়াম লুক্সটনে ৪৭ ৰাণ কৰে। প্ৰত্যুত্তৰত সংযুক্ত আৰব আমিৰশ্বাহিৰ ইনিংছ ১৭৩ ৰাণত সমাপ্ত হয়। ইংলণ্ডৰ লেগস্পীনাৰ ৰেহান আহমেদে চাৰিটা উইকেট দখল কৰে।

ইফালে, গ্ৰুপ 'চি'ৰ খেলত পাকিস্তানে প্ৰথমে বেটিং কৰি ন উইকেটৰ বিনিময়ত ২৩৯ ৰাণ কৰে। প্ৰত্যুত্তৰত আফগানিস্তানে ২১৫ ৰাণত সকলো উইকেট হেৰুৱায়। দলৰ হৈ সৰ্বাধিক ৪২ ৰাণ কৰে বিলাল ছায়েদিয়ে। আনহাতে, পাকিস্তানৰ হৈ সৰ্বাধিক ৬৮ ৰাণ কৰে আব্দুল ফাছিহে।

